# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় আলোচনী

নৱম সংখ্যা
১৯৯৩-৯৪ চন



সম্পাদক : তপন বৰগোহাঁই

# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় আলোচনী

বছেৰেকীয়া প্ৰকাশ

১৯৯৩–৯৪ চন ( নৱম সংখ্যা )

H.C.D.G. College
No.................
Date...............
Nitaipukhuri, Sibsagar, Assam

আন্তৰিক শুভেচ্ছাৰে—
With best compliment to

প্ৰতি : __________________________________ লৈ হেমচন্দ্ৰ

___________________________________________

দেৱ গোস্বামী মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ নৱম সংখ্যাৰ আলোচনী খন শ্ৰদ্ধাৰে/প্ৰীতিৰে আগবঢ়ালোঁ ।

তপন বৰগোহাঁই
সম্পাদক

তত্বাৱধায়ক
অধ্যাপিকা ভদ্ৰাৱতী গগৈ

সম্পাদক
শ্ৰীতপন বৰগোহাঁই

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী
নৱম সংখ্যা :— ১৯৯৩-৯৪ চন ।

প্ৰকাশক :— হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভা ।

সম্পাদনা সমিতি : -

মুখ্য উপদেষ্টা :- ডম্বৰুধৰ নেওগ, অধ্যক্ষ ( ভাৰপ্ৰাপ্ত ) ।

উপদেষ্টা :- আলোক গোহাঁই, অধ্যাপক; ইংৰাজী বিভাগ ।
ভদ্ৰাৱতী গগৈ, অধ্যাপিকা; অসমীয়া বিভাগ ।

সভাপতি :- লোহিত শইকীয়া, সভাপতি ছাঃ একতা সভা ।

সম্পাদক :- তপন বৰগোহাঁই, স্নাতক; ২য় বৰ্ষ ।

শিক্ষক-সদস্য :- দিগন্ত গগৈ, অধ্যাপক; অসমীয়া বিভাগ ।

সদস্য - সদস্যা :- জয়ন্ত বৰুৱা, সাঃ সম্পাদক ; ছাঃ একতা সভা ।
বিজু বৰঠাকুৰ, স্নাতক ; ২য় বৰ্ষ ।
দুলাল বৰুৱা, স্নাতক ; ২য় বৰ্ষ

বেটুপাতৰ শিল্পী :- প্ৰমোদ কোঁৱৰ ।

পাণ্ডুলিপি :— দুলাল বৰুৱা ।

লিপি আৰু বেটুপাত মুদ্ৰণতঃ— ডিমৌ প্ৰিন্টিং প্ৰেছ
আলোন নগৰ, ডিমৌ—৭৮৫৬৬২

# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় আলোচনী

বছেৰেকীয়া প্ৰকাশ

১৯৯৩—৯৪ চন ( নৱম সংখ্যা )

## ।। অসমীয়া বিভাগ ।।

সম্পাদক
শ্ৰীতপন বৰগোহাঁই

তত্বাৱধায়ক
অধ্যাপিকা ভদ্ৰাৱতী গগৈ

## সূচীপত্ৰ


প্ৰবন্ধ ঃ                                                        পৃষ্ঠা

★ শিক্ষা সমস্যা ঃ এটি চমু বিশ্লেষণ/অধ্যাপক বাণীকান্ত গগৈ — ১—৪
★ বৰ্ত্তমান যুৱমানসিকতা আৰু তাৰ প্ৰতিকাৰ/দুলাল বৰুৱা — ৫—৭
★ সমাজ সংগঠনত ছাত্ৰৰ ভূমিকা/ৰেৱকান্ত দত্ত — ২২—২৪
★ ইংৰাজ কবি পাৰ্চী বিছী শ্যেলী/জুলি দত্ত — ৩০—৩৩
★ অসমীয়া জাতি গঢ়োতা হিচাবে চাও লুং চুকাফা/বৰ্ণালী হাজৰিকা — ৩৬ - ৩৭

ৰম্যৰচনা ঃ

★ জেপ লুৰুকা ···· ···· ···· ···· ···সোপাধৰা/তপন বৰগোহাঁই — ৮ ৯

গল্পঃ

★ বেদনা বেদনা হৈ ৰল/বিজু বৰঠাকুৰ — ১০—১৪
★ ভঙা কাঠিৰ বেদনা/যাদৱ বৰুৱা — ৩৪—৩৫

চুটি গল্প ঃ

★ ভঙা ডেউকাৰ কঁপনি/বিকাশ গগৈ — ১৫—১৬
★ মান মৰ্যদা/প্ৰীতি বৰুৱা — ১৭—২১
★ উপলব্ধি/বন্দনা কাকতি — ২৭—২৯

ৰসৰচনা ঃ

★ লিখিব নোৱাৰিম নেকি ?/ৰাতুল খনিকৰ — ২৫—২৬

কবিতা ঃ

* আহ্বান/দুলাল বৰুৱা — ৩৮
* এটি স্তবক/ৰিজু বৰঠাকুৰ — ৩৮
* মোক এখন হৃদয় লাগে/চাহেদা বেগম — ৩৮
* শৰৎ / বিজু বৰঠাকুৰ — ৩৯
* আৰ্ত্তনাদ/ৰূপজ্যোতি চাংমাই — ৩৯
* অভিশপ্ত ধৰিত্ৰী/জয়ন্ত লাহন — ৪০
* অপেক্ষা/তুতুমণি চেতিয়া — ৪০
* জননী তুমি মহান/বাসন্তী বৰুৱা — ৪১
* কণিকা কবিতাৰ স্তৱক/গীতিমা বড়া — ৪১
* নিবিড় সংলাপ/দীপাঞ্জলী চেতিয়া — ৪১
* প্ৰেম/জয়া বৰগোহাঁই — ৪২

□ ছাত্ৰ একতা সভাৰ ভিতৰ চ'ৰা আৰু অন্যান্য — ৪২


## ঃ অশ্ৰু অঞ্জলী ঃ

যি
সকল
বীৰ বীৰাঙ্গনাই
দেশ মাতৃৰ ৰক্ষাৰ্থে
নিজৰ প্ৰাণ আহুতী
দিলে
সেই সকল
বীৰ
শ্বহীদৰ
পৱিত্ৰ স্মৃতিক
শ্ৰদ্ধাৰে সোঁৱৰিছো

॥ সম্পাদক ॥



মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ
মাননীয়-শ্ৰীযুত ডম্বৰুধৰ নেওগ

MUKUNDA MADHAVA SHARMA
M. A., PH. D., D LITT. (CAL), KAVYATIRTHA
Vice - Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH - 786004
ASSAM : INDIA
PH : 70239 (O)
70203 (R)

২৩।৮।৯৪
No.3606

প্ৰতিঃ— শ্ৰীতপন বৰগোহাঁই

আলোচনী সম্পাদক, ছাত্ৰ একতা সভা,
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়,
ডাক- নিতাই পুখুৰী, শিৱসাগৰ, (অসম)

স্নেহাস্পদেষু,

তুমি যে তোমালোকৰ মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদক হৈছা তাৰ বাবে তোমালৈ অভিনন্দন জনালোঁ। আলোচনীখন যাতে সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পায় আৰু সৎ সাহিত্য আৰু সজ আদৰ্শৰ উপাদানেৰে পৰিপুষ্ট হৈ ই এটা সাৰ্থক প্ৰকাশ ৰূপে স্বীকৃতি পাব পাৰে তাৰ বাবে পৰম আন্তৰিকতাৰে মোৰ শুভেচ্ছা জনালোঁ।

এই চিঠিৰেই তোমালোকৰ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে শিক্ষাগুৰু সকল, বিষয়া আৰু কৰ্মচাৰী সকল আৰু ছাত্ৰ-ছাত্ৰী সমূহলৈ যথাযোগ্য ভাৱে মোৰ সম্ভাষণ আৰু শুভেচ্ছা জনালোঁ।

তোমালৈ সস্নেহ শুভেচ্ছাৰে।

ইতি—
মুকুন্দ মাধৱ শৰ্মা।

# শুভেচ্ছা বাণী

প্ৰতি,

সম্পাদক, তৰ্ক, সাহিত্য আৰু আলোচনী বিভাগ,
ছাত্ৰ একতা সভা, হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় ।

আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ নৱম সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানি সুখী হৈছো । মহাবিদ্যালয় একোখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ মাধ্যম হৈছে মুখপত্ৰখনি । গল্প, কবিতা আদি সৃষ্টিশীল ৰচনাৰ উপৰিও নানা বিষয়ৰ চিন্তাশীল প্ৰবন্ধ পাতিৰে আলোচনীৰ পাত পূৰ্ণ হব বুলি আশা কৰিলোঁ । অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনত আলোচনীখনিয়ে বিপুল বৰঙণি যোগাই সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হৈ পাঠকৰ সমাজত বিপুল সমাদৰ লাভ কৰক বুলি আন্তৰিক শুভেচ্ছা জনালোঁ ।

ডম্বৰুধৰ নেওগ
অধ্যক্ষ (ভাৰপ্ৰাপ্ত)
হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয় ।

# শিক্ষা-সমস্যা ঃ এটি চমু বিশ্লেষণ

অধ্যাপক -বাণী কান্ত গগৈ

আমাৰ দেশে স্বাধীনতা পোৱাৰ সাতচল্লিশ বছৰৰ পাছতো যিবোৰ সমস্যাৰ সন্মুখীন হৈ থাকিবলগীয়া হৈছে, তাৰে ভিতৰত এটা সমস্যা হল শিক্ষা-সমস্যা। শিক্ষা-সমস্যা অৱশ্যে-কি উন্নত, কি অনুন্নত সকলো দেশতে আছে। সেয়ে হলেও আমাৰ দেশৰ শিক্ষা-সমস্যা অনন্য ধৰণৰ। ইয়াত শিক্ষা-সমস্যা সমাধান হওক চাৰি দিনে দিনে বাঢ়িছেহে।

শিক্ষা-সমস্যা সমাধান-কল্পে আমাৰ দেশত নানা আলোচনা বিলোচনা চলিছে, নানা ধৰণৰ সভা-সমিতি অনুষ্ঠিত হৈছে, মাজে সময়ে চৰকাৰেও শিক্ষা-সমস্যা সমাধানৰ কাৰণে বিধি-ব্যৱস্থা গ্ৰহণ কৰিছে, কেতিয়াবা বুদ্ধিজীৱীৰ পৰা পৰামৰ্শ বিচৰা হৈছে— এইবোৰ শুভ লক্ষণ। আমাৰ এই নিবন্ধৰ উদ্দেশ্য হল শিক্ষা-সমস্যা সন্দৰ্ভত এটি চমু বিশ্লেষণ দাঙি ধৰা।

শিক্ষা-সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমে যিটো শিক্ষা-সমস্যাই আমাৰ মানসত দোলন দি যায়, সেয়া হল শিক্ষাই মানুহক চাকৰিমুখী কৰা সমস্যা। শিক্ষাৰ অনেক মহৎ উদ্দেশ্য আছে। নানা বিশ্ব-বিখ্যাত মণীষীয়ে শিক্ষা সম্পৰ্কত নানা সংজ্ঞা দিছে, নানা বক্তব্য দাঙি ধৰিছে। কোনোবাই কৈছে মানুহৰ মাজত অন্তৰ্নিহিত শক্তিৰ ব্যৱহাৰ শিক্ষাৰ উদ্দেশ্য, কোনোবাই কৈছে-মানুহক মানৱীয় গুণেৰে বিভূষিত কৰা, কোনোবাই আকৌ জীৱন উন্নত কৰা বা সুন্দৰ কৰাকে শিক্ষাৰ উদ্দেশ্য বুলি কৈছে। শিক্ষাৰ অ'তবোৰ মহৎ উদ্দেশ্য থকা স্বত্তেও আধুনিক ভাৰতীয় শিক্ষা গ্ৰহণত এজন ছাত্ৰই চাকৰি কৰাটোৱেই জীৱনৰ আটাইতকৈ ডাঙৰ কথা বুলি ধৰি লয়। চাকৰি কৰাটোৱেই যে শিক্ষাৰ উদ্দেশ্য নহয় এইটো আটায়ে জনা কথা। এইক্ষেত্ৰত আনৰ নহলেও চৰকাৰৰ প্ৰচাৰ আছে। ৰাইজৰ প্ৰতিনিধি সকলে সাধাৰণতে ৰাজহুৱা সভাত বা ছাত্ৰ সভাত চাকৰি কৰাটোৱেই যে শিক্ষাৰ উদ্দেশ্য নহয় এইকথা ছাত্ৰৰ প্ৰতি লক্ষ্য ৰাখি সোৱঁৰাই দিয়া দেখা যায়। কিন্তু "মৰিলেও নিজৰ পৰকতি নেৰা"ৰ দৰে ছাত্ৰক যিমানে কলেও বা যিমানে বুজালেও চাকৰি কৰাটোৱেই জীৱনৰ আটাইতকৈ ডাঙৰ কথা বুলি ভাবিবলৈ নেৰে। সকলো কথাৰে যদি বিজ্ঞানসন্মত কাৰণ থাকিব পাৰে, কাৰণৰ পৰাই যদি কাৰ্য্য হয়; তেন্তে ছাত্ৰই চাকৰিমুখী দৃষ্টি-ভঙ্গী গ্ৰহণ কৰাৰো নিশ্চয় কাৰণ আছে। ইয়াৰ কাৰণ বিচাৰি বেছিদূৰ যাব নালাগে। 'সৰিয়হৰ মাজতে ভূত সোমাই থকা'ৰ দৰে ইয়াৰ কাৰণ সোমাই আছে শিক্ষা ব্যৱস্থাতে। আমাৰ শিক্ষা ব্যৱস্থাৰ, আমাৰ মতে, আটাইতকৈ ডাঙৰ দোষ হল আমাৰ শিক্ষা ব্যৱস্থাই বৰকৈ জীৱিকা আহৰণত সহায় নকৰে। শিক্ষাৰ যিমানেই মহৎ উদ্দেশ্য নাথাকক, খাই জীয়াই থকাটো যেতিয়া মানুহৰ জীৱনৰ প্ৰাথমিক দাবী, শিক্ষাই মানুহক জীৱিকা আহৰণত সহায় কৰিবই লাগিব। কিন্তু এই ক্ষেত্ৰত আমাৰ শিক্ষা ব্যৱস্থা বৰ বেয়াকৈ ব্যৰ্থ হৈছে আৰু ইয়াৰ ফলস্বৰূপে ছাত্ৰ চাকৰিমুখী হৈ পৰিছে। শিক্ষা ব্যৱস্থাই জীৱিকা আহৰণত সহায় নকৰাৰ কাৰণ সমূহৰ ভিতৰত এটা প্ৰধান কাৰণ হল আমাৰ দেশৰ শিক্ষাই মানুহক এটা দিশতহে সহায় কৰে বা উপযুক্ত কৰে, জীৱনৰ অন্যান্য দিশত সহায় নকৰে বা উপযুক্ত নকৰে। জীৱিকা আহৰণত সহায় নকৰাৰ অন্য এটা কাৰণ হল আমাৰ দেশৰ শিক্ষা বাৱস্থাৰ শ্ৰমৰ লগত, ঘামৰ লগত সম্পৰ্ক নোহোৱাটো। সম্পৰ্ক থাকিবই বা কিয়? আমাৰ দেশৰ শিক্ষা-ব্যৱস্থাক যিমানেই সমাজবাদী বুলি ঢাকঢোল বজোৱা নহওক

লাগে আচলতে ই বৰকৈ সমাজবাদৰ কথা নকয়। দুটামান উদাহৰণ দিলেই যথেষ্ট। 'যি মন দি পঢ়ে, সি ডাঙৰ মানুহ হয়', 'দুখীয়া দৰিদ্ৰক পুতৌ কৰিবা' আদি উপদেশেবে আমাৰ পাঠ্যপুথিবোৰ ভাৰাক্ৰান্ত। যি যিমান পঢ়িব সি সিমান ডাঙৰ মানুহ হ'ব। যি পঢ়িব নোৱাৰিব, সি তাৰ দুৰ্দশাৰ বাবে ভাগ্যক ধিয়াব আৰু পঢ়ি ডাঙৰ হোৱাসকলে পঢ়িব নোৱাৰাসকলক দুখীয়া বুলি পুতৌ কৰিব। আজি এশ বছৰৰ আগেয়ে পানীন্দ্ৰনাথ গগৈয়ে ল'ৰা শিক্ষাৰ প্ৰথম ভাগত লিখিছিল —

"সোণাময় ল'ৰাকাল
শিক্ষাৰ সময় ভাল
শিকে যেয়ে মন পাৰি
উঠে সেয়ে ঘোঁৰা গাড়ী
য'তে ত'তে মান পায়
সদায় সুখত খায়"।

এনে আদৰ্শ আমাৰ পাঠ্য পুথিবোৰৰ মাজত আজিও দেখিবলৈ পোৱা যায়। অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ণ আৰু প্ৰকাশন নিগম লিমিটেডৰ আদৰ্শ হস্তলিপিত (প্ৰথমমান শ্ৰেণীৰ বাবে, প্ৰথম প্ৰকাশ ১৯৭৭চন) আছে—'ধান যাৰ মান তাৰ'।

অন্য এটা শিক্ষা-সমস্যা গঢ়ি উঠিছে শিক্ষাৰ মাধ্যমক কেন্দ্ৰ কৰি। এইটো আমাৰ সকলোৰে অৱগত যে আমাৰ শিক্ষা ব্যৱস্থাত আজিও ইংৰাজী ভাষাই বৰপিৰা পাৰি বহি আছে। সাম্ৰাজ্যবাদী ব্ৰিটিছ আমাৰ দেশলৈ আহোঁতে লগত লৈ আহিছিল শোষণৰ বিভিন্ন সাম্ৰাজ্যবাদী অপকৌশল। এই অপকৌশলবোৰৰ যোগেদি এহাতেদি আমাৰ ওপৰত জাপি দিছিল অৰ্থনৈতিক শোষণ, অন্যহাতেদি আমাৰ জাতীয় সত্বাৰ বিনাশ সাধনৰ চেষ্টা চলাইছিল। কোনো কোনোৱে কয় ইংৰাজী ভাষা হল সেই অপকৌশলবোৰৰ অন্যতম। বহুতো কাৰণত ব্ৰিটিছে ভাৰতত ইংৰাজী ভাষাৰ প্ৰচলন ঘটাইছিল। ব্ৰিটিছে ভাবিছিল যে, ইংৰাজী ভাষাৰ প্ৰচলন ঘটালে প্ৰশাসন চলাবলৈ উজু হব; কৰ্ট কছাৰীৰ কাকতি ফুকুতাবোৰ ভাৰতীয় মানুহে বুজি নাপাব; ইংৰাজী ভাষা শিকাৰ ফলস্বৰূপে ভাৰতীয় মানুহে ইংৰাজীক বিদেশী বুলি ভাবিবলৈ এৰিব; ভাৰতীয় মানুহক অনন্তকাললৈ শিক্ষাত পিচপেলাই ৰাখিব পৰা হ'ব। অৱশ্যে এইটো ঠিক, ইংৰাজী ভাষাৰ বিৰুদ্ধে ক'লে বহুতো বুদ্ধিজীৱী দাংখাই উঠিব। তেখেতসকলে জোৰকৈ ক'ব ইংৰাজী ভাষা থাকিব লাগিব। তেখেতসকলৰ যুক্তি হ'ল বিশ্ব-সংস্কৃতিৰ বাবে, বিশ্বসংস্কৃতিৰ সৈতে পৰিচয়ৰ বাবে, পশ্চিমীয়া সাহিত্য-সংস্কৃতিৰ সোৱাদ ল'বৰ বাবে ইংৰাজী ভাষা নহ'লে নহয়। কিন্তু পৃথিৱীত এনে বহু দেশ আছে যিবোৰ দেশৰ মানুহে ইংৰাজী নাজানে বুলি কলেও হয়; অথচ সেইবোৰ উন্নত দেশ। উদাহৰণ স্বৰূপে চীন, জাপান, ৰাছিয়া আদি দেশলৈ আঙুলিয়াব পাৰি। ভাৰতৰো শঙ্কৰদেৱ, কালিদাস আদি পণ্ডিতৰ লিখনিত কালজয়ী সাহিত্যৰ সৃষ্টি হৈছিল; কিন্তু তেওঁলোক ইংৰাজী ভাষাৰ পণ্ডিত নাছিল। আমাৰ কথা হল আমি ইংৰাজী ভাষাৰ ঠাইত মাতৃভাষা বিচাৰো। এইখিনিতেই উল্লেখযোগ্য কোঠাৰী আয়োগকে ধৰি সমস্ত আয়োগে মাতৃভাষাৰ যোগেদি শিক্ষা প্ৰদানৰ ওপৰত গুৰুত্ব দি আহিছে। আনকি ১৯৩৮ চনত অনুষ্ঠিত হৰিফুৰা অধিবেশনত গান্ধীজীয়েও মাতৃভাষাৰ যোগেদি শিক্ষা প্ৰদানৰ দাবী উত্থাপন কৰিছিল। ইংৰাজী ভাষাৰ স্থানত মাতৃভাষা বিচৰাৰ অৰ্থ অৱশ্যে এইটো নহয় যে দেশৰ মেধাবী ছাত্ৰই ঐচ্ছিক ভাষা হিচাপে ইংৰাজী ভাষা অধ্যয়ণ কৰিব নোৱাৰিব বা নালাগিব। আমাৰ কথা হ'ল, সাধাৰণ ছাত্ৰছাত্ৰীৰ ওপৰত জোৰকৈ ইংৰাজী ভাষা জাপি



দিব নালাগে। এনে দাবী বাস্তৱায়িত কৰিবলৈ হ'লে, মাতৃভাষাক সবল বিকল্প ভাষা হিচাপে গঢ়ি তুলিব লাগিব।

সাম্প্ৰতিক কালত পাঠ্যপুথিৰ আসোঁৱাহেও শিক্ষা-সমস্যা জটিল কৰাত সহায় কৰিছে। নিৰ্ধাৰিত সময়ত বা বছৰৰ আৱস্থণীতে কেতিয়াবা পাঠ্যপুথিৰ অভাৱ পৰিলক্ষিত হয়। দেখা যায় কোনো পুথি পাঠ্যপুথি হিচাপে গ্ৰহণ কৰাৰ লগে লগে পুথিখনৰ দাম বাঢ়ি যায়। অৱশ্যে দুই এখন পাঠ্যপুথি কম দামতো নোপোৱা নহয়। অতি দুখৰ কথা, কেতিয়াবা দেখা যায় নতুন শ্ৰেণী আৰম্ভ হোৱাৰ কেইমাহমানৰ পিচতহে কিতাপে ভূমুকি মাৰেহি। এই বিলাক কথাইও ছাত্ৰৰ পঢ়াশুনাত ব্যাঘাট জন্মাই শিক্ষা-সমস্যাক জটিল কৰি তুলিছে।

শিক্ষা-সমস্যা সৃষ্টিত বজাৰৰ নোটবুকৰো অৱদান আছে। অভিজ্ঞ শিক্ষক, অধ্যাপকৰ দ্বাৰা ৰচিত নোটবুক আজি বজাৰত উভৈনদী। নাম উল্লেখ নকৰাকৈ কেৱল উপাধি ধৰি লিখা নোটবুকও বজাৰত অসংখ্য দেখিবলৈ পোৱা যায়। বজাৰৰ নোটবুক আমাৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ কাৰণে কণাৰ লাখুটি। কিন্তু নোটবুক বিলাকৰ প্ৰায় বিলাকেই উপযুক্ত মানদণ্ড বিশিষ্ট নহয়। দেখা যায় কোনো নোটবুক বিশ পৃষ্ঠাৰ, কোনোখন ত্ৰিশ পৃষ্ঠাৰ, কোনোখন আকৌ অতি বেছি চল্লিশ পৃষ্ঠাৰ। এনে নোটবুকে স্কুল কলেজৰ পৰা কিমান মেধা বাহিৰ কৰিব ইয়াত সন্দেহ আছে। নোটবুকে কোনোমতে পৰীক্ষাৰ বৈতৰণী পাৰ হোৱাত সহায় কৰিলেও বিষয় বস্তুৰ ওপৰত গভীৰ জ্ঞান আহৰণত সহায় নকৰে। শেহতীয়াভাৱে অসম কলেজ শিক্ষক সংস্থাই নাম উল্লেখ নকৰাকৈ কেৱল উপাধি ধৰি লিখা বজাৰৰ নোটবুক বন্ধ কৰিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰিছে। এইটো সু-খবৰ।

টিউচন ব্যৱস্থাকো শিক্ষা-সমস্যা জটিল কৰাৰ অন্যতম কাৰণ বুলি নকৈ নোৱাৰি। এইকথা কোৱাৰ বাবে হয়তো বহুতো লোক আমাৰ ওপৰত বিতশ্ৰদ্ধ হ'ব। বাস্তৱক্ষেত্ৰত দেখা যায় টিউচন ব্যৱস্থা কমক চাৰি দিনক দিনে বাঢ়িছেহে। আগতে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি লৈ বিদ্যালয়লৈ যায়, আজি ক্ৰমে ক্ৰমে ছাত্ৰ-ছাত্ৰী পাঠ্যপুথি লৈ টিউচন কৰা মানুহৰ গৃহলৈ যায়। শিক্ষা যেন আজি বিদ্যালয়মুখী হোৱাতকৈ গৃহমুখী হব ধৰিছে। কোনো কোনো শিক্ষকে আকৌ (নিশ্চয় আৰ্থিক কাৰণতে) শিক্ষা প্ৰদানৰ বাবে ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈও যায়। ইয়াতো দেখা যায় বহুতো শিক্ষকে শ্ৰেণীত পঢ়োৱা একেখিনি ছাত্ৰ-ছাত্ৰীকে ঘৰতো টিউচন লৈ পঢ়ায়। এইকথাটোত যে এটা ডাঙৰ প্ৰশ্নবোধক চিন আছে সেইকথাটো তেখেতসকলে বোধহয় চিন্তা নকৰে। আমি ভাৱো শিক্ষকৰ ফালৰ পৰা টিউচনৰ প্ৰধান কাৰণ আৰ্থিক আৰু ছাত্ৰৰ ফালৰ পৰা টিউচনৰ প্ৰধান কাৰণ অধিক নম্বৰ আহৰণ। চাকৰি পাবলৈ অধিক নম্বৰ লাগে, সেইদৰে ডাক্তৰী, ইঞ্জিনিয়াৰিং আদি পঢ়িবলৈও লাগে অধিক নম্বৰ। যি অভিভাৱকৰ টকা আছে, সেই অভিভাৱকেই টকা খৰচ কৰি নিজৰ ল'ৰা-ছোৱালীক অধিক আগুৱাই নিব পাৰিছে আৰু যি অভিভাৱকৰ টকা নাই তেওঁ হতাশাগ্ৰস্ত হৈ দূৰৰ পৰাৰ লাগি চাই থকাহে হৈছে। শেহতীয়াভাৱে চৰকাৰে অৰ্থনৈতিক ক্ষেত্ৰত ব্যক্তিগতখণ্ডৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ লগতে শিক্ষাৰ ব্যক্তিগকৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰা দেখা গৈছে। ইয়াৰ ফলস্বৰূপে ব্যক্তিগত খণ্ডত য'ত ত'ত কাঠফুলা গজাদি অসংখ্য ব্যক্তিগত শিক্ষানুষ্ঠান গঢ়ি উঠা দেখা গৈছে। ইয়েই শিক্ষাক পণ্য দ্ৰব্যলৈ ৰূপান্তৰ কৰিব পাৰে বুলি বহুতে কোৱাকুই কৰা পৰিলক্ষিত হৈছে।

নিবনুৱা সমস্যায়ো শিক্ষা-সমস্যা

অধিক জটিলতৰ হোৱাত ইন্ধন যোগাইছে। দেশত আজি নিবনুৱা সমস্যাই প্ৰলয়ংকাৰী ৰূপ ধাৰণ কৰিছে। বহুতৰ কাৰণে আজি ভৱিষ্যতৰ কোনো নিশ্চয়তা নাই। বিএ, এম এ ডিগ্ৰী লোৱা ল'ৰা ছোৱালীৰ এনে দুৰ্দশা দেখি বুদ্ধিমান আৰু ধনবান অভিভাৱকে তেওঁলোকৰ ল'ৰা ছোৱালীক স ধাৰণ স্কুল-কলেজলৈ নপঠোৱা হৈছে। নিৱনুৱা সমস্যাৰ ৰূপ দেখি ছাত্ৰ-ছাত্ৰী হতাশ হৈ পঢ়াশুনাত অমনোযোগী হ'ব ধৰিছে। ইয়াৰ ফলস্বৰূপে পৰীক্ষাত অকৃতকাৰ্য্যতাৰ হাৰ বাঢ়িছে আৰু শিক্ষাৰ পৰিপন্থী পৰিবেশ এটা গা কৰি উঠিছে। এই কু পৰিবেশ দূৰ কৰিবলৈ হ'লে বা শিক্ষাৰ প্ৰতি ছাত্ৰৰ ধাউতি বঢ়াবলৈ হ'লে প্ৰত্যেক শিক্ষা প্ৰাপ্ত মানুহক জীৱিকাৰ নিৰাপত্তা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

আজিকালি পৰীক্ষাত হোৱা নকলৰ কথাও বৰকৈ শুনা যায়। প্ৰকৃততে ই এটা বাস্তৱ সমস্যা আৰু এই সমস্যাই শিক্ষা-সমস্যাত আঘাত নসনাকৈ থকা নাই। শিক্ষা জগতৰ এই ব্যাধি অন্য সংক্ৰামক ব্যাধিৰ দৰেই। কষ্ট কৰি পঢ়িবলৈ টান পাই কিছুমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত পাছ কৰাৰ এই চমু পথটো বাচি লয়। নকল কৰা বদ অভ্যাসে নকল কৰা ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ কমোৱাই নহয় নৈতিকতাও নিম্নগামী কৰি তুলিছে, সমাজত বিশৃংখলা সৃষ্টিতো অৰিহণা যোগাইছে। নকলৰ যোগেদি পৰীক্ষাত পাছ কৰা ছাত্ৰ-ছাত্ৰীয়ে উচ্চ-চাকৰি বাকৰিৰ বাবে অনুষ্ঠিত কৰা প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতকাৰ্য্য হোৱাটো মৰীচিকা মাথোন।

শিক্ষাৰ বিকাশৰ বাবে উপযুক্ত সামাজিক পৰিবেশৰ দৰকাৰ। বৰ্তমান আমাৰ সামাজিক পৰিবেশ উন্নত মানৰ বুলি নিশ্চয় ক'ব নোৱাৰি। মদ, জুৱা, শোষণ, নিষ্পেষণ, হত্যা, লুণ্ঠন, সংঘৰ্ষ আদিয়ে আমাৰ সামাজিক পৰিবেশ বিষাক্ত কৰি তুলিছে। এনে পৰিবেশত শিক্ষাৰ মানদণ্ড নিম্নগামী নহৈ নোৱাৰে।

বৰ্তমান কালত শিক্ষকৰ সমস্যায়ো শিক্ষা-সমস্যা বৃদ্ধিত কেতিয়াবা কিছু হ'লেও সহায় কৰিছে। শিক্ষকৰ চাকৰি যিমানেই পবিত্ৰ বা শিক্ষকক যিমানে ত্যাগীলোক বুলি কোৱা নহওক লাগে, "ধনেই ধৰ্ম্মৰ মূল" বুলি পৰিগণিত হোৱা সমাজখনত মানুহৰ দৰে জীয়াই থাকিবলৈ শিক্ষককো ধন লাগে। তাহানি গুৰু গৃহত শিক্ষা দিয়া শিক্ষকসকলৰ সৈতে আজিৰ শিক্ষকক কিজানি তুলনা নকৰাই ভাল। ইয়াৰ কাৰণ সেই যুগত কেৱল শিক্ষকসকলেই ত্যাগী নাছিল; সেই যুগৰ সমাজখনতে ত্যাগৰ মহিমা আছিল অপাৰ। গুৰু গৃহত শিক্ষা প্ৰদান কৰা শিক্ষকসকলে সমস্যাৰ সমাধান বিচাৰি আন্দোলন কৰিবলগীয়া হৈছিলনে নাই নাজানো; কিন্তু আজিৰ শিক্ষকে আন্দোলন কৰাটো ৰৌজাল - বৌজাল হৈ পৰিছে। আন্দোলন কৰিবলৈ গৈ কেতিয়াবা হয়তো শিক্ষকে অপ্ৰীতিকৰ ঘটনাৰো সন্মুখীন হ'বলগীয়া হৈছে। যেই হওক কেতিয়াৱা শিক্ষকসকলে কৰা আন্দোলনে ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ কিছু ক্ষতি নকৰাকৈ থকা নাই। ই শিক্ষকসকলৰ কাৰণে নিতান্তই দুখৰ বিষয়। অন্যহাতেদি শিক্ষকসকলে সমস্যাৰ সামাধান বিচাৰি আন্দোলন কৰিব লগীয়া হোৱাটো এটা দুৰ্ভাগ্যজনক কথা।

ওপৰত শিক্ষা-সমস্যাৰ এটি চমু বিশ্লেষণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ। শিক্ষা-সমস্যা সমাধানৰ কাৰণে চিন্তা কৰাৰ সময় সমাগত। শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ দূৰ কৰিব পৰাটো দেশ, জাতি তথা সমাজ আটাইৰে কাৰণেই মঙ্গল।

—○—



# বৰ্তমান যুৱমানসিকতা আৰু তাৰ প্ৰতিকাৰ

দুলাল বৰুৱা
স্নাতক ২য় বাৰ্ষিক

বৰ্তমান সমাজখনৰ এটা স্তৰৰ মাজত এক বিশেষ ধৰণৰ অস্থিৰতাই দেখা দিছে। এই অস্থিৰতা বা খেলিমেলিৰ সৃষ্টি হৈছে মূলতঃ যুৱ মানসিকতাৰ পৰা। ভাৰতবৰ্ষৰ অন্যান্য দেশৰ লগতে অসমতো আজি এচাম যুৱক উশৃংখল হৈ পৰিছে। যুৱকসকলৰ অসামাজিক কাৰ্য্যকলাপবিলাক এনে ধৰণে বৃদ্ধি পাব ধৰিছে, তালৈ লক্ষ্য কৰিলে এনে লাগে যে এটা সময় আহি পৰিব হয়তো ইয়াক প্ৰতিকাৰ কৰাৰ উপায় নাথাকিব। অসমৰ বিভিন্ন ঠাইত আজি দিনক দিনে নানা ধৰণৰ অপ্ৰীতিকৰ ঘটনা, ধ্বংসাত্মক কাৰ্য বৃদ্ধি হব ধৰিছে। যুৱক যুৱতীসকলৰ এই ধৰণৰ অধঃপতনে অসমৰ প্ৰতিজন সচেতন ব্যক্তিকে চিন্তিত কৰি তুলিছে। অতীতত আমাৰ বাবে যিবোৰ ঘটনা অবিশ্বাস যেন লাগিছিল সেই ঘটনাবোৰেই বৰ্তনান আমাৰ সমাজত সংঘটিত হব ধৰিছে। ইয়াৰ ফলত আমাৰ জীৱন ধাৰণৰ মানদণ্ড যথেষ্ট নিম্নগামী হোৱা পৰিলক্ষিত হৈছে।

যুৱকসকলৰ মানসিকতা আৰু নৈতিকতা অধঃ পাতে যোৱাৰ মূলতে কি তাক পৰ্যবেক্ষণ কৰিলেই অনুমান কৰিব পাৰি যে পশ্চিমীয়া সস্তীয়া ৰুচিবোধৰ বিকৃত অনুকৰণৰ বীভৎস প্ৰতিফলনেই আমাৰ যুৱসমাজৰ এই অধঃপতন। পশ্চিমীয়া জীৱনৰ সস্তীয়া দিশটোকে কেৱল আমি আভিজাত্যৰ আদৰ্শ হিচাপে লৈ পাশ্চাত্যৰ কৰ্মভিত্তিক দিশটোক কিন্তু অনুকৰণ নকৰি দূৰলৈ দলিয়াই পেলাইছোঁ। অসমৰ চহৰৰ প্ৰায়ভাগ মধ্যবিত্ত পৰিয়ালতে পাশ্চাত্য সংগীত আৰু পাশ্চাত্য কথা ছবি আভিজাত্যৰ এক বাহন হিচাবে চিহ্নিত হৈ পৰিছে।

যুৱকসকলৰ অসামাজিক কাৰ্যকলাপৰ বাবে কেৱল যুৱকসকলেই জগৰীয়া নহয়। আমাৰ সমাজৰ এচাম যুৱতীৰো ভূমিকা মন কৰিব-লগীয়া। যুৱতীসকলৰ সাজ-পোচাক, চলন ফুৰণ ইত্যাদিতো অশালীনতা দেখা যায়।

বৰ্তমান মদ, ভাং, ড্ৰাগছ আদি ৰাগীয়াল দ্ৰব্যই যুৱসকলক আকৰ্ষিত কৰিছে। পূৰ্বে ড্ৰাগছ আমাৰ যুৱকসকলৰ বাবে অপৰিচিত আছিল। পশ্চিমীয়া হিপ্পীবোৰৰ পৰা ড্ৰাগছ আহি বৰ্তমানে অসমৰ একাংশ চহৰীয়া মধ্যবিত্ত শ্ৰেণীৰ যুৱকক আসক্ত কৰি ক্ৰমান্বয়ে আমাৰ সমাজখনক পংগু কৰি তুলিছে।

আজি-কালি নগৰ-চহৰ, গাঁৱে-ভূঞে, থিয়েটাৰ, চিনেমা হ'ল আদিত জীয়াৰী-বোৱাৰীহঁতক অশ্লীল ভাষাৰে কথা কোৱা দেখা যায়। যৌনতা বা অশ্লীলতাই আমাৰ যুৱসমাজক ভয়ংকৰভাৱে প্ৰলোভিত কৰি মানুহৰ শাৰীৰ পৰা পশুৰ শাৰীলৈ ক্ৰমান্বয়ে অৱনমিত কৰিছে। যাৰ ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত অসমতেই ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে সৰ্বাধিক। এই বিপথগামী যুৱকসকলে নিজৰ ঘৰতো যে জীয়াৰী- বোৱাৰী আছে সেই কথা পাহৰি যায়। আনহাতে যেতিয়া যুৱকসকলৰ আত্মীয় জীয়াৰী-বোৱাৰী আদিক যদি অন্য কোনো যুৱকে অশালীন ব্যৱহাৰ বা অশ্লীল কথা শুনায় তেতিয়া যুৱসকলে হুলস্থুলৰ সৃষ্টি কৰি মাৰপিট আৰম্ভ কৰে। বৰ্তমান এনেবোৰ কুকৰ্ম আমাৰ সমাজত সঘনাই বৃদ্ধি পাব ধৰিছে। এইবোৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ অভিভাৱক তথা সমাজৰ গণ্যমান্য ব্যক্তিসকলে মন দিয়াটো অতি প্ৰয়োজন।

যুৱসমাজ তথা ডেকাচামৰ চৰিত্ৰত বৰ্তমান আটাইতকৈ যিটোৰ অভাৱ দেখা গৈছে সেয়া হৈছে ঐকান্তিকতাবোধ। যাৰবাবে আমাৰ সমাজখনৰ প্ৰগতি ক্ৰমে স্তব্ধ হৈ পৰিছে। প্ৰতি ঠাইৰে, দেশ-বিদেশৰ অনুকৰণীয় বস্তুৰ প্ৰয়োজনীয়তা কোনো সুস্থলোকে নুই কৰিব নোৱাৰে। কিন্তু আংশিক বা বিকৃত অনুকৰণৰ পৰিণাম যে অতি ভয়াৱহ তাকো কোনো সুস্থ মানুহে নুই কৰিব নোৱাৰে। সেয়েহে সম্প্ৰতি যুৱসমাজৰ এনে এক অস্থিৰ পৰিস্থিতিত প্ৰয়োজন হৈ পৰিছে আমাৰ অভিভাৱকসকলৰ গধুৰ সামাজিক দায়িত্ববোধৰ। সাধাৰণতে আমাৰ অভিভাৱকসকলক নিজৰ পৰিয়ালৰ চাৰিসীমাৰ ভিতৰতে সামাজিক দায়িত্বৰ পৰিধি অংকন কৰা দেখা যায়। কিন্তু অভিভাৱকসকলেই যদি এখন ৰিপথগামী সমাজক সংপথলৈ ঘুৰাই অনাত অগ্ৰণী ভূমিকা পালন নকৰে, তেন্তে তেনে সমাজৰ ভৱিষ্যৎ অন্ধকাৰ।

যুৱক যুৱতীসকলৰ কথা কৰলৈ যাওঁতে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ কথাই আহি পৰে। ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ধৰণী স্বৰূপ। কিন্তু ছাত্ৰসমাজত আজি কালি গঠনাত্মক কামৰ পৰিৱৰ্ত্তে ধ্বংসাত্মক কামতহে বেছি মনোনিৱেশ কৰা দেখা যায়। এই উশৃংখল মনৰ ছাত্ৰসমাজে শিক্ষাৰ শৈক্ষিক পৰিবেশ বিনষ্ট কৰিছে। বৰ্তমান শিক্ষকসকলৰ প্ৰতি ছাত্ৰ--ছাত্ৰী সকলে সন্মান কৰাটো দূৰৰে কথা বহুত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুসকলক মানুহ বুলি গণ্যই কৰিব নোখোজে। পৰীক্ষাগৃহত নিৰীক্ষকক অপমান কৰি নকল কৰিব বিচাৰে। যদি পৰীক্ষা নিৰীক্ষকে নকল কাঢ়ি নিয়ে, ৰাটত দল ৰান্ধি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক প্ৰহাৰ কৰা কাহিনীও ৰিৰল নহয়।

আজি কালি গাঁৱে-ভূঞে ভি, ডি, অ, যোগে সস্তীয়া হিন্দী ফিল্ম আৰু ব্লু-ফিল্ম গোপনে চাই থকাৰ ফলত আমাৰ যুৱক যুৱতী তথা ছাত্ৰ-ছাত্ৰীসকল মানসিকভাৱে প্ৰভাৱান্বিত হৈ নানা ধৰণৰ সমাজ বিৰোধী কামত লিপ্ত হৈছে।

বৈষ্ণৱ কবি মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আদিয়ে সামাজিক দায়িত্ববোধ সাহিত্যত ৰূপায়িত কৰিছিল অন্য দৃষ্টিভংগীৰেহে। এই মহাপুৰুষসকলে চিন্তা কৰিছিল যে অসমীয়া জনসাধাৰণক অজ্ঞান আন্ধাৰৰ পৰা মুক্ত কৰিবৰ উপায় হ'ল একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম। সমাজত ধৰ্মৰ নামত হোৱা ভণ্ডামি, অন্যায় অবিচাৰ আদিৰ দৃষ্টিভংগীৰে চোৱা নাছিল. চাইছিল ধৰ্মৰ ডোলেৰে বান্ধিব পৰা দৃষ্টিভংগীৰেহে। সেয়েহে আমাৰ অভিভাৱকসকলে যুৱকসমাজৰ কাৰোবাৰ বিকৃত ৰুচিবোধক উলংগভাৱে আঁকোৱালি লোৱাৰ মানসিকতাক নাশ কৰাৰ চেষ্টা কৰি এখন সুন্দৰ প্ৰগতিশীল সমাজ গঢ়াৰ চেষ্টা কৰিব লাগে।

এখন ফুলনিবাৰীৰ সৌন্দৰ্য এপাহ ফুলেৰে গঢ়ি উঠিব নোৱাৰে। সেই ফুলনিবাৰীৰ সৌন্দৰ্য গঢ়ি উঠিবলৈ হ'লে, সেই ফুলনিবাৰীৰ প্ৰতিজোপা ফুল সুন্দৰভাৱে ফুলি উঠিব লাগিব। সেইদৰে এখন সমাজ সুন্দৰ তথা সুস্থ আৰু সবল হবলৈ হলে সমাজৰ প্ৰতিজন যুৱক তথা ব্যক্তিয়েই সচেতন হব লাগিব। সেয়েহে সমাজৰ পৰা অসমতা দূৰ হৰ লাগিব। ভায়ে ভায়ে বিবাদক বহিষ্কাৰ কৰিব লাগিব। হত্যা, লুণ্ঠন, চুৰ, ডকাইতি আদি দেশৰ পৰা নিৰ্মূল কৰিবলৈ সকলো যুৱক-যুৱতী একতাৰে আগবাঢ়ি আহিব লাগিব। এনে অসৎ প্ৰবৃত্তিবিলাক নিৰ্মূল কৰিব নোৱাৰালৈকে আমি সুস্থ সবল সমাজ আশা কৰিব নোৱাৰো। এখন দেশ প্ৰগতিৰ



পথত আগুৱাই নিয়াত যুৱক-যুৱতীসকলৰ পাৰস্পৰিক সহায়, সৰ্বতোমুখী সহযোগিতা আৰু উমৈহতীয়া স্বাৰ্থ থাকিব লাগিব।

যুৱক-যুৱতীসকলৰ মানসিক অধঃপতনে আমাৰ সমাজৰ পৰিবেশ দূষিত কৰিছে। কণ কণ লৰা-ছোৱালীবিলাক সদাই অনুকৰণ প্ৰিয়। গতিকে তেওঁলোকৰ মগজুত যাতে এনে কু-প্ৰবৃত্তি বিলাকে ঠাই পাব নোৱাৰে তাৰবাবে প্ৰত্যেকজন ব্যক্তি সচেতন হব লাগিব। সেয়েহে সকলোৱে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ আমাৰ উত্তৰপুৰুষ সকলক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিব লাগিব : সচেতন নাগৰিকে নিজকে গুণী, জ্ঞানী, আদৰ্শবান হিচাপে গঢ়ি তুলি নিজৰ উপৰিও দহৰ উপকাৰৰ নিমিত্তে আত্মনিয়োগ কৰিব লাগিব।



**★ৰম্য ৰচনা**

## জেপ লুকুকা..........সোপা ধৰা

তপন বৰগোহাঁই
স্নাতক ২য় বাৰ্ষিক

পকেট মাৰ .... পকেট মাৰ........ঐ কি চাই আছ ধৰ-ধৰ মাৰ-মাৰ। দেখিলেনে বাৰু এই কাণ্ড-জ্ঞান নাইকীয়াটোৰ কাৰবাৰ-খন। মিছাতেই হুলস্থুলখন লগাইছোঁ। কথা নাই বতৰা নাই দিলো নহয় হুলস্থুল লগাই। আপুনি হয়তো ভাবিছে এই জধামূৰ্খই আকৌ কি কৰিবলৈ ওলাইছে। ঠিকেইটো অমুকাই যি কৰলৈ ওলাইছোঁ ঠিকেই কৰলৈ ওলাইছোঁ। হেৰি বোলো আপোনাকে কৈছোঁ। আপুনি দেখিছোঁ একেবাৰে কাণ-মূৰ দাঙি শহাকণীয়া হৈ আছে নহয় জানো ? হোৱাৰ কথাই। বাৰু শুনক তেতিয়াহলে। আপুনি কেতিয়াবা পকেট মাৰ দেখিছেনে ? দেখিছে নিশ্চয়। নহলেওতো আপুনি এই ফেৰা কাম কৰি পাইছে। বেয়া নাপাব আৰু' দেই মই হলে আপোনাক কথা-টোহে সুধিছোঁ। যদি দেখা নাই কৈছোঁ শুনক; কথাষাৰ আপোনাৰ গাত যদি ফলিয়াই তেতিয়া হলে অমুকাৰ দতুৱা দাঁত দুটা ৰক্ষা কৰিব কিন্তু। ধৰক আপুনি চিনেমা চাবলৈ চহৰৰ প্ৰেক্ষাগৃহলৈ গৈছে। গৈ দেখিলে যে টিকট কাউণ্টাৰত মানুহৰ ভিৰ বৰ বেছি। ইফালে পোষ্টাৰত দেখিলে যে নাইনটি ফৰৰ চুপাৰ-হিট চিনেমা "দিলৱালে" নায়কৰ কি ফাইট। আপোনাৰো ভিৰৰ মাজত জাপ মাৰি দিম যেন লাগিছে। জাপ মাৰিবতো নোৱাৰি। উপায় নাই কি কৰিব এতিয়া। ইফালে চকুৰ উচ্ পিচনি। ঠিক আপুনিও সেই ভিৰৰ মাজত সোমাই গ'ল। টিকটৰ বাবে হেতা-ওপৰা কৰি থাকোতে আপুনি কব নোৱাৰাকৈয়ে ছেগ চাই জেপ লুকুকাই আপোনাৰ পিছ পকেটৰ সকলো কেইটি লৈ নাপাত্তা হ'ল। টিকট কাটি ওলাই আপুনি পাণৰ দোকানত পাণ এখন খাওঁ বুলি পকেটত হাত ভৰাই গম পালে যে পকেট উদং। লগে লগে আপোনাৰ তপা মূৰত ঘাম ওলাবলৈ ধৰিলে। দেখিলেনে পকেট মাৰ কি সাংঘাতিক। ইয়াকে কয় বোলে, চুৰৰ চুৰ কৰিবৰ মন গিৰিহঁতৰ শুবৰ মন। আপোনাৰ ছাগৈ ঘৰলৈ আহিবলৈ গাড়ীৰ ভাড়াটোও নাই নহয়নে বাৰু। দেখিলেনে কি নিদাৰুণীয়া পকে-টমাৰ।

আন এদিনৰ কথা। ধৰক আপুনি বজাৰ কৰিবলৈ বাছত গৈ আছে। মানুহো যথেষ্ট হৈছে। বজাৰ পোৱাত বাছৰ পৰা ঠেলা-হেঁচা কৰি নামিবলৈ লওঁতেই আপুনি গম পালে যে আপোনাৰ পিছৰ পকেটত কোনোবাই হাত ভৰাইছে। ঠিক লগে লগে আপুনি হাতখন থাপ মাৰি ধৰিলে। মানে কলো নহয় একেবাৰে সেই তাহানি কালতে সিংহই নিগনি ধৰাৰ দৰে ধৰিলে নহয়। তাৰ পাছত মাৰি দিলে নহয়, ইন্দ্ৰই অসুৰলৈ মৰা বজ্ৰৰ দৰে ঘোচা এটা : লগে লগে পকেটমা-ৰৰ গড়ঁৰ খড়াৰ দদে দাঁত এটা স্মুলকি পৰিল। পিছে কি হব আপোনাৰ হাতৰো চিন বৈ গ'ল একা। আপুনিও কম মুষ্টি যুদ্ধা নহয় দেই। তাৰ পাছত জেপলুককাক বজাৰত সমবেত হোৱা ৰাইজে সবাহৰ কল মিঠৈ ভাগ কৰাৰ দৰে যেয়ে যেনেকৈ পালে চুই গ'ল। দেখি-লেনে বাৰু আপুনি, জেপলুককাই আপোনাক পাই কি পানীত হাঁহ নচৰা অৱস্থা কৰিছিল আৰু আপুনি জেপলুককাক পাই কি অৱস্থা কৰিলে। এইবাৰ আপুনি পকেটমৰাৰ পৰা হোচিয়াৰ হৈ গ'ল। পিছে কি হব, এষাৰ কথা আছে বোলে, "জ্বৰে এৰিলেও কৰ্পটিয়ে



নেৰে" ঠিক আৰু এটা সমস্যা আহিল, সি হ'ল সোপাধৰা। আপুনি হয়তো ভাবিছে এই খণ্ডামূৰ্খৰ নাতিয়েকে আক' কি কৰলৈ ওলাইছে। ঠিকেইটো ভাবিছে আপুনি, অমুকা-ইয়ো ভাবিলোহেঁতেন। সোপাধৰা কি যে বস্তু বুজাত টান হৈছে নহয় জানো ? বুজাই দিছো ৰব।

সৌ সিদিনালৈকে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে চাঞ্চল্যৰ সৃষ্টি কৰা আশ্চৰ্য্যকৰ বস্তুটোৱেই হৈছে সোপাধৰা। পিছে আপুনি সোপাধৰা দেখাই নাই নহয় জানো ? তাৰ চেহেৰা পাতি কেনেকুৱা অমুকাই ভালদৰে বুজাই দিম। পিছে আপোনাৰ চেহেৰাৰ লগত মিলি গলে অমুকাক ক্ষমিব দেই। ধৰক সোপাধৰাৰ চেহেৰা ঠিক আপোনাৰ দৰে মুখখন জোঙা। বেয়া নাপাব আক মই হলে সোপা-ধৰাৰ চেহেৰাৰ কথাহে কৈছোঁ। গাৰ ৰং নিগ্ৰোৰ দৰে ক'লা। বৰ ৰেছি ও' নহয়, কটিয়া বুলি কলে হয়তো আপোনাৰ গাটো পৰিব পাৰে। মুখত কেইডালমান বানপানীয়ে মৰা বাও ধানৰ দৰে সেৰেঙা সেৰেঙকৈ গজা ঠৰঙা ড়াড়ি। পিন্ধনত আপোনাৰ দৰে কাপোৰ কানি। এতিয়া আপোনাক সোপাধৰাৰ সৈতে সাক্ষাৎ কৰাই দিম দেই। দেখিলেনে বাৰু এই জহন্নামে যোৱাটোৰ কাণ্ডৰিলাক। আচল কথা টোৱেই কোৱা হোৱা নাই। মানে সোপাধৰা কি ? সোপাধৰা হৈছে চকু কঢ়া, কলিজা কঢ়া; বুজিছে বৰ সাংঘাতিক বস্তু। এই ধৰক আপুনি হঠাতে দূৰৰ কোনোবা আত্মীয়ৰ ঘৰলৈ যাব লগা হ'ল; নগলেই নহয়। আপুনি আগতে সেই ঠাইলৈ যোৱা নাই। আপুনি ঘৰৰ পৰা সেই ঠাইৰ ঠিকনা লৈ, গাড়ীৰে যাত্ৰা কৰিলে। **যথা** সময়ত আপুনি নিৰ্দ্দিষ্ট ঠাইত গাড়ীৰ পৰা নামিল। কিন্তু কি হব আপুনিটো ঘৰটো চিনি নাপায়। উপায় নাই, ক ৰোবাকটো সুধিব লাগিব অমুকাৰ ঘৰ কোনটো বুলি ? ইফালে সিফালে চাইছে কোনো নাই। ওচৰত কোনো দোকানো নাই। ঠিক আপোনাৰ ভাগ্য ভাল; আহিল নহয় ক্লাচ ফাইভ, চিক্সত পঢ়া ল'ৰাকেইটা মান; আপুনি সিহঁতৰ কাষ চাপি গ'ল। কিন্তু কি হৰ আপুনি মুখ মেলিবলৈ নাপালেই ল'ৰাকেইটাই অচি-নাকি চেহেৰাৰ মানুহ দেখি চিঞৰ-বাখৰ লগাই দিলে সোপাধৰা বুলি। আপুনি কথাৰ উৱা-দিহেই নাপালে। তাৰ পাছত দেখিলে যে মানুহ বিলাকে হাতে হাতে লাঠি লোঠা, টাঙুন যেয়ে যেনেকৈ পাৰে লৈ খেদি আহিল। আপুনি দৌৰিবলৈকে নাপালে, তাৰ পাছত কলো নহয় পিঠিত উত্তম-মধ্যম একেবাৰে কপাহ ধুনাৰ দৰে ধুনিবলৈ ধৰিলে। তাৰ পাছত আপুনি একো কব নোৱাৰে, মূৰ্চ্ছা। জ্ঞান ঘূৰি অহাতহে গম পালে যে আপুনি ৰাজ্যিক চিকিৎসালয়ত ৬ নম্বৰ বিচনাত, কাষত চেলাইনৰ ৰটল ওলমি আছে। দেখিলেনে বাৰু আপুনি কেনেকৈ সোপাধৰাৰ সৈতে সাক্ষাৎ হ'ল। পিছে গাটো বিষ কৰিছে নেকি ? বেয়া নাপাব অলপ দিনলৈ বিষ কৰিবই, যিহেতু পাবলিক মালি-চটো। বাৰু আজিলৈ বিদায়হে। ভৱিষ্যতে সুবিধা পালে ঘোচখোৱা আৰু থাপ্পৰ খোৱাৰ বিষয়ে লিখিম।

# গল্প

## "বেদনা বেদনা হৈ ৰল"

— বিজু বৰঠাকুৰ
স্নাতক ২য় বাৰ্ষিক

ময়ুৰীয়ে সেই নিৰ্দিষ্ট ৰাস্তাটোৰে সদায় বেগাবেগিকৈ অহাযোৱা কৰে, লক্ষ্যস্থান তাই টিউচন কৰিবলৈ যোৱা মানুহঘৰ। সদায় আবেলি তাই খোজেৰে ঘৰৰপৰা দুই কিলোমিটাৰ বাট আহে ল'ৰা পঢ়াবলৈ। ইয়াৰ বাহিৰে তাইৰ যে অন্য পথ নাই। বেচ চোকা ছোৱালী; 'জিয়'লজিত' অনাৰ্চ লৈ তাই বি, এচ, চি পাছ কৰি ঘৰতে আছে। উচ্চ শিক্ষা গ্ৰহণ কৰাৰ ইচ্ছা তাইৰ নথকা নহয়। ইচ্ছা থাকিলেও নোৱাৰিলে। উচ্চ শিক্ষাৰ বাবে বহুত টকা পইচা লাগিব। তাইৰ দৰে দুখীয়া পৰিয়ালৰ ছোৱালীয়ে উচ্চ শিক্ষা লোৱাৰ কথা কল্পনাও কৰিব নোৱাৰে। সেয়ে তাই সকলো ইচ্ছাক বিসৰ্জন দিব লগা হ'ল। অন্যহাতেদি দেউতাকৰো বহুত অসুবিধা তাইক পঢ়াবলৈ। দিন হাজিৰা কৰি দেউতাকে তাইক এইকণ পঢ়োৱাই বহুত বুলি ভাবিছে। বাকী দুটা ল'ৰা ছোৱালীক স্কুলৰ পঢ়া খৰচ যোগাব নালাগে বাবেহে তাইক পঢ়াব পাৰিলে। বাকী দুটাক পঢ়াব লগা হোৱাহেঁতেন দেউতাকে তাইক মেট্ৰিক পাছ কৰাৰ পাছত আৰু পঢ়াব নোৱাৰিলেহেঁতেন। দেউতাকে তাইক পঢ়াই মানুহ হিচাপে গঢ়ি তুলিবলৈকে বহুত কষ্ট কৰিলে। তেজক পানী কৰি, আনৰ ঘৰত কাম কৰি ভাতমুঠি যোগাৰ কৰাতুৰেই ডাঙৰ কাম তাৰ উপৰিও ময়ুৰীক পঢ়াব লাগে। মাকেও লোকৰ ঘৰত বাহীবন কৰাৰ পৰা কাপোৰ-কানি ধোৱা, ঘৰ সৰা, আদি বহুত কাম কৰিব লাগে। ভৱিষ্যতৰ ৰঙীন কল্পনা কৰি হাঁহি মুখে মাকে আহি ময়ুৰীক বুজায়— "ময়ুৰ তই ভাল দৰে পঢ়, একো চিন্তা নকৰিবি। পঢ়ি-শুনি তই ভাল চাকৰি কৰিবি, তেতিয়া আমি লোকৰ ঘৰত কাম কৰিব নালাগে নহয়। সজ পথত চলিবি, তইঁতৰ উন্নতি হব।" মাকৰ কথাবোৰ একান্ত মনেৰে ময়ুৰীয়ে শুনি যায়।

দিনৰ পাছত দিন পাৰ হ'ল, মাহৰ পাছত বছৰ হ'ল। কিন্তু কতো ময়ুৰীৰ চাকৰি নহ'ল। বহুত ঘূৰিলে। নেতা, পাতিনেতা, মন্ত্ৰী, বিধায়ক সকলোকে খাতিলে, কিন্তু একো ফল নধৰিল। দেউতাকে হাজিৰা কৰি যোগাৰ কৰা টকাৰে গাড়ীৰ ভাৰাদি তাইৰ বেজাৰ লাগে। কপালৰ ঘাম মাটিত পেলাই কষ্টেৰে গোটোৱা দেউতাকৰ টকা কেইটাৰ অপব্যৱহাৰ কৰিবলৈকে তাই যেন জন্ম ললে। মন্ত্ৰীসকলক লগ কৰিবলৈও যদি নেতাসকলক চাহ খাবলৈ কিবা এটা, তামোল খাবলৈ কিবা এটা দিব লগা হয়, তাতোতকৈ তাইঁতোন লোকৰ ঘৰত কাম কৰিয়েই মাক-দেউতাকৰ কষ্ট অলপ হলেও লাঘৱ কৰিব পাৰে। মাক দেউতাকৰ এৰাব নোৱাৰা অনুৰোধত তাই শেষবাৰৰ বাবে মন্ত্ৰী অহাৰ গম পায়, শিৱসাগৰৰ অতিথি শালালৈ বুলি যাত্ৰা কৰিলে। গাড়ীত যাওঁতে তাই এজন নেতাৰ পৰা গম পালে টকা নহ'লে কাম নহ'ব। মন্ত্ৰীক লগ কৰিব পাৰিলেও চাকৰি পোৱাৰ আশা নাই। ডাঙৰ মানুহবিলাকে একো কাম নোৱাৰো বুলি নকয়। হব বুলিয়েই সকলোকে আশ্বাস দিয়ে। নেতাজনে ইয়াকো কলে- "অকল উপযুক্ত হলেই নহব, চাকৰিৰ বাবে উপযুক্ত টকাৰও প্ৰয়োজন।" যাৰ টকা আছে সিয়ে চাকৰি পাব। নেতাজনৰ কথা কেইষাৰে ময়ুৰীৰ অন্তৰত বৰ বেয়াকৈ আঁচ বহুৱাইছিল।



তাই কিং কৰ্তব্য বিমূঢ় হৈ মৌন হৈ পৰিল। তাই যেন এটা শিলৰ মূৰ্ত্তিহে। এনেতে গাড়ীখন যথা স্থানত ৰৈ গ'ল। গাড়ীৰ পৰা সকলো যাত্ৰী নামিবলৈ ধৰিলে, তাইৰ কাষৰ চিতত বহি অহা যাত্ৰীজনো নামিল। তাই তাতে বহি থাকিল। সেই সময়তে ময়ুৰীহঁতৰ ঘৰৰ ওচৰৰ চিনাকি মানুহ এজনে গাড়ীত পাহৰি এৰি থৈ যোৱা কাগজ পত্ৰবোৰ নিবলৈ আহিল। ময়ুৰীক গাড়ীত বহি থকা দেখি ময়ুৰী, ময়ুৰী বুলি মাতি দিয়াতহে তাই সম্বিত ঘূৰাই পালে। লাজতে ৰঙা-কলা পৰি তাই লৰালৰিকৈ গাড়ীৰ পৰা নামি লক্ষ্যস্থানৰ ফালে খৰধৰকৈ আগবাঢ়িল। কিছুদূৰ আগবঢ়াৰ পাছত তাই অলপ আঁতৰত জনতাৰ সমাগম দেখা পাই তাই বুজিলে, তাই লক্ষ্যস্থান পালেহি। জনতাৰ মাজে মাজে ঠেলা-ঠেলি কৰি তাই আগবাঢ়িল স্থানীয় বিধায়কজনক লগ কৰিবলৈ। তাই জানে চাকৰিৰ বজাৰ সঙ্কটাপন্ন। সকলোকেই চাকৰিয়েই লাগে। ইমানবোৰ মানুহ, চাকৰিতকৈ প্ৰাৰ্থীৰ সংখ্যাই বহুত বেছি। বহুত দূৰ-দূৰণিৰ পৰা মানুহ আহিছে, সকলোৱেই মন্ত্ৰীক লগ ধৰাতো সম্ভৱ নহব। কথাবোৰ ভাবি ভাবি তাই গৈ মন্ত্ৰীক যিটো ৰোমত মানুহবিলাকে লগ কৰিছে সেই ৰোমটোৰ কাষ চাপিল।

সময়বোৰ অবিৰতভাৱে পাৰ হৈ গৈ আছে। দিনৰ শেষত লাহে লাহে সন্ধ্যা নামিছে। তথাপিতো তাই ধৈৰ্য্যৰে ৰৈ আছে একে ঠাইতে। বহুতে তাত থকা নেতা পাতিনেতাসকলক খাতনি ধৰিছে, মন্ত্ৰীৰ ওচৰলৈ লৈ যাবলৈ। ময়ুৰীয়ে কিন্তু কাকো এষাৰো কোৱা নাই, মৌন হৈ ৰৈ আছে একে ঠাইতে। তাইৰ আৰু ধৈৰ্য্যৰে থিয় হৈ থকাৰ মুড্ নাইকীয়া হৈ গৈছে। ময়ুৰীয়ে কাৰো কথা শুনাৰ ইচ্ছা নকৰি খোলা দৰ্জাৰ পৰ্দা দাঙি সোমাই গ'ল ৰোমটোলৈ। মন্ত্ৰীৰ টেবুলৰ ওচৰ পোৱাৰ আগতেই এজন "জেণ্টুলমেনে" তাইক বাধা দিলে। তাই মানুহজনৰ মুখলৈ সংমিশ্ৰিত ভাৱত চোৱাত মানুহজনে হাঁহি হাঁহি কলে; "ভদ্ৰতা চিনি নোপোৱা নহয় ?" মানুহজনৰ মুখৰপৰা মদৰ দুৰ্গন্ধ আহি তাইৰ গালে মুখে লাগিল। ময়ুৰীয়ে কোনো প্ৰতিবাদ নকৰি ওলাই আহিল অভিমান ভৰা এখন মুখ লৈ। ৰাতি ন বজাত তাই আহি ঘৰ পালেহি। তাইৰ নিজৰে অপৰাধী যেন লাগিল মাক দেউতাকৰ আগত ওলাবলৈ। ঘৰৰ সকলোৱেই তাই অহালৈকে আগ্ৰহেৰে বাট চাই আছিল। ময়ুৰীয়ে মাক-দেউতাকৰ আগত চাকৰি বিচাৰি গৈ পোৱা অভিজ্ঞতাৰ কথা বিবৰি কলে। তাই প্ৰতিজ্ঞা কৰি কলে, পুনৰ আৰু তাই চাকৰি বিচাৰি ঘূৰি নুফুৰে। আনৰ ঘৰত কাম কৰাই ভাল, পাৰে যদি দুই চাৰিটা টিউচন কৰিব। মাক-দেউতাকে ময়ুৰীৰ কথা শুনি খুউব দুখ পালে। তাইক লৈ যিমানখিনি আশা কৰিছিল, সকলো মিছা হ'ল। তেওঁলোকৰ আশাৰ ফুলৰ কলিটো যেন অকালতে লেৰেলি গল। ময়ুৰীয়ে এতিয়া ঘৰে ঘৰে টিউচন কৰি যি টকা পায়, তাৰেই ভায়েক আৰু ভনীয়েকজনীক পঢ়াৰ খৰচ যোগাইছে। দেউতাকে হাজিৰা কৰি পোৱা টকাৰে কোনো ৰকমে ঘৰখন চলাই আছে। মাকেতো আজি অলপ দিনৰ পৰা কাম বন কৰিব নোৱাৰা হৈ আহিছে। কষ্ট কৰি কৰি মানুহজনী অকালতেই বুঢ়ী হ'ল। বেমাৰেও বাৰুকৈ চেপিলে। টকা থকা হ'লে ময়ুৰীয়ে মাকক এবাৰ ভাল ডাক্তৰক দেখুৱালেহেঁতেন। তাই ভাবিলে বহুত ভাবিলে, তাইৰ ভাবৰ অন্ত নাই। এইমাহৰ টকাৰে ভায়েক মলয়ক লাগতীয়াল কিতাপ দুখনমান কিনি দিব, পাৰিলে ভনীয়েক ৰীণাৰ বাবে এটা চুৰেটাৰ কিনিব। ময়ুৰীয়ে

টিউচন কৰি পায় তিনিশ টকা, তাৰে যে তাই কি নকৰে। তিনিশ টকাক লৈয়ে তাই যে কিমান কল্পনা কৰে, তাৰ হিচাব নাই। তাইৰ ভাববোৰ হেৰায় গ'ল।

ময়ুৰীৰ মাকৰ বৰ টান অসুখ হ'ল। বিচনাৰ পৰা উঠিব নোৱাৰাৰ অৱস্থা। তাই উপায়হীন হৈ পৰিল। কি কৰিব তাই? ময়ুৰীয়ে ভায়েকক কলে, "মলয় তই ডাক্তৰৰ ওচৰলৈ যা। মাৰ অৱস্থা বৰ বেয়া। মই বীণাক টিউচন কৰা মানুহ কেইঘৰলৈ যাবলৈ কওঁ। লৰালৰিকৈ ময়ুৰীয়ে, বীণাৰ হাতত এখন চিঠি দি পঠাই দিলে উৎপল গগৈৰ ঘৰলৈ। গগৈলৈ অনুৰোধ কৰি লিখি দিলে চিঠি-খন। টিউচন কৰাৰ বাবে এইমাহৰ পাবলগা টকা কেইটা মাকৰ অসুখৰ কাৰণে আগতীয়াকৈ দিয়ে যেন। পাৰিলে কেইটকামান বেছিকৈ দিবলৈও অনুৰোধ জনালো। বায়েকৰ পৰা চিঠিখন লৈ ভনীয়েক বীণাই খৰ-খৰকৈ আগ-বাঢ়িল উৎপল গগৈৰ ঘৰৰ অভিমুখে। সেই সময়ত গগৈ ঘৰতে আছিল। বীণাই গৈ তেওঁক চিঠিখন দিয়াৰ লগে লগে খঙত জ্বলি পকি উঠিলে আৰু ক'লে যে "মাহৰ পূৰ হোৱাই নাই, টকা বিচাৰি চিঠি লিখিলেই। নিদিম বুলি ভয় কৰিলে নেকি বায়েৰে। যা বায়েৰক কবি এই মাহ পূৰ হবলৈ ছয় দিন বাকী আছে, সেই কেইটা দিন পূৰ কৰি পাবলগীয়া টকা লৈ যাবহি।" বেজাৰ মনেৰে বীণা ঘৰলৈ আহিল। ইফালে মলয়ে ডাক্তৰ আনিলে, ডাক্তৰক দিবলৈ সিহঁতৰ ঘৰত এটাও টকা নাই। ডাক্তৰে মাকক পৰীক্ষা কৰি ক'লে "বেমাৰৰ লক্ষণ বৰ ভাল নহয় চিৰিয়াচ হবলগীয়া একো নাই। যিমান পাৰো চেষ্টা কৰি চাম। আমি ডাক্তৰবোৰে চেষ্টাহে কৰিব পাৰো, বাকী ভগৱানৰ ওপৰত বিশ্বাস ৰাখক।"

ময়ুৰীয়ে ডাক্তৰক উদ্দেশ্য কৰি কলে "আপুনি অহাৰ বাবে কিবা এটা আগবঢ়াবলৈ আমাৰ হাতত এটা টকাও নাই। কালিলৈ মলয়ে দি আহিব। বেয়া নাপাব।" ডাক্তৰে কলে,-"তোমা-লোকৰ পৰা ফিজ লবলৈ মোৰ দয়া মমতা একো নাই বুলি ভাবিছা নহয়? মোক দিব লগা টকাৰে মাৰ বাবে দৰৱ কিনিবা। মই আহি থাকিম। তোমালোকে চিন্তা নকৰিবা।" তপত চকুলোৰে দুচকু প্লাবিত কৰি ময়ুৰী মাকৰ ওচৰৰ পৰা বাহিৰ'ল ওলাই আহি ডাক্তৰ যোৱাৰ ফালে একেথিৰে চাই ৰল।

দিন বাগৰি যায় কালৰ সোঁতত। কিন্তু কি হব? বিধাতাৰ নিৰ্দেশক্ৰমে ঘূৰি থাকে পৃথিৱীৰ গতি। ইয়াৰ ব্যতিক্ৰম ঘটাবপৰা শক্তি মানৱৰূপী জীৱনৰ কোনো কালেই নহব, ই ঠিক। হঠাৎ ময়ুৰীহঁতৰ মাকৰ বৰ টান হ'ল। মলয়ে ডাক্তৰ আনিবলৈ গল। কিন্তু আহি পোৱা নাই। বিচনাত দৰৱৰ অভাৱত মৃত্যুৰ ক্ষণ গণিব লাগিছে মাকে। দেউতাকৰো উপায় নাই। টকা-পইচা নোহোৱা মানুহৰ জীৱনৰো কোনো মূল্য নাই।

মলয়ে ডাক্তৰক লৈ চোতাল পাই-ছেহি ইফালে ভিতৰত কন্দাকটা লাগিল। মলয় দৌৰি ভিতৰত সোমাল। ডাক্তৰৰ বুজিবলৈ বাকী নাথাকিল। কি কৰিব ঠিক কৰিব নোৱাৰি ডাক্তৰ বৰুৱা ভিতৰলৈ সোমাই গ'ল আৰু বিবেক বুদ্ধিৰে কলে,—"ময়ুৰী, মলয় তোমালোকে অলপ ধৈৰ্য্য ধৰাই জ্ঞানীলোকৰ কাম হব।" ডাক্তৰ বৰুৱাৰ সহজ-সৰল ভাৱৰ কথাৰে ময়ুৰীৰ দেউতাকৰ অন্তৰত খুন্দা মাৰি ধৰে, ঠিক অশান্ত সাগৰৰ ঢৌৱে পাৰত খুন্দি-ওৱাৰ দৰে।

মাকৰ মৃত্যুৱে সিহঁতৰ ঘৰখনলৈ অন্ধ-কাৰ কঢ়িয়াই আনিলে। মাকৰ মৃত্যুৰ এমাহৰ পাছতেই এদিন ৰাতি মলয়ে ঘৰৰ কোনেও নজনাকৈ কৰবালৈ গুচি গল। ঘৰৰ সকলো-ৰেই চিন্তাত পৰিল। বৃদ্ধ দেউতাকে তাক বিচাৰি কিমান দূৰ পাৰে গ'ল। ইজন-সিজনক সুধিলে, কিন্তু কতো মলয়ৰ খবৰ নাপালে। মলয়ৰ একো খা খবৰ নাপায় দেউতাক বলিয়া হৈ পৰিল। ঘৰখনত অশান্তিৰ সীমা নাই-কীয়া হ'ল। ময়ুৰী আৰু বীণা উপায়হীন হ'ল। কি কৰিব, কি নকৰিব একো ঠিক কৰিব নোৱাৰিলে। এদিন দেউতাকে ডাক্তৰ বৰুৱাক ময়ুৰীহঁতক চকু-কাণ দিবলৈ কৈ, কাৰো বাধা নামানি ওলাই গ'ল মলয়ক বিচাৰি। পুনৰ আৰু নাহিল। কলৈ গ'ল কি হ'ল কোনেও নাজানিলে। মলয় আৰু দেউতাকৰ অন্তৰ্দ্ধানৰ পাছত বুকুত একুৰা জ্বলা জুই লৈ ময়ুৰী আৰু বীণাই জীৱনৰ অৱহে-লিত দিনবিলাক পাৰ কৰিছে। পৃথিৱীৰ মায়া-মোহ এৰি সিহঁতেও যেন দেউতাকহঁতৰ পথ-কেই লব। পুনৰ ভাৱ হয়, মলয়ক লৈ দেউ-তাক ওভতি আহিলে সিহঁতক নাপালে কি অৱস্থা হব বাৰু? প্ৰতিটো ৰাতিয়েই সিহঁতে উজাগৰে কান্দি কান্দিয়ে অতিবাহিত কৰে। সিহঁত দুজনীৰ চকুত টোপনি নাই, পেটত ভোক নাই, পৃথিৱীৰ মুক্ত বতাহ খায়হে যেন সিহঁতে জীয়াই আছে। কান্দি কান্দি সিহঁতৰ চকুত পানী যেন শেষ হব ধৰিছে। জীৱনৰ ঘাট প্ৰতি ঘাতে সিহঁতক থকা সৰকা কৰি তুলিছে।

ময়ুৰীয়ে আগতে ভগৱানক খুউব বিশ্বাস কৰিছিল। ভগৱানৰ নামত সদায় পুৱা গধূলী চাকি জ্বলাই প্ৰাৰ্থনা কৰিছিল। আজি কালি তাইৰ ভগৱানৰ ওপৰত অলপো আস্থা নাই-কীয়া হ'ল। পৃথিৱীলৈ অহাৰ পৰাই দুখৰ বোজা কঢ়িয়াই আছে। কিন্তু আজিও অন্ত নোহোৱাত তাই আজি কালি বৰ চেন্টিমে-ন্টেল হৈ পৰিছে। সৃষ্টিকৰ্তাৰ ওপৰত খং অভিমানেৰে ভৰি থকাত পুনৰ উচ্চস্বৰে কৈ উঠিল, "ভগৱান, আমাৰ নিচিনা দুখীয়া ছাল-ছিগা ভিকহুৰ বাবে সুখ কোনো দিনেই নাই, আছে মাথোন এৰিষ্টক্ৰেট শ্ৰেণীৰ বাবেহে।' বায়েকৰ কথা শুনি টোপনীত লালকাল দি থকা বীণাই একেজাপে বিচনাত উঠি বহিল। দুয়োজনীয়ে পুনৰ কান্দিবলৈ ধৰিলে। এনেতে চোতালত জোতাৰ শব্দশুনি দুয়োজনীয়ে নীৰৱ হৈ কাণ পাতিলে। লগে লগে দুৱাৰত টক্ টক্ শব্দ শুনিলে। মনতে ভাবিলে কোন হব পাৰে, ইমান ৰাতি তাতে ডিচেম্বৰ মাহৰ হাড় কঁপোৱা জাৰ। ৰাতি এঘাৰ বজাত কোননো আহিব পাৰে। হয়তো সিতহঁৰ মনৰ ভ্ৰান্ত ধাৰণা। সিহঁতক চিন্তা-জগতৰ পৰা আঁতৰাই আনিলে দুৱাৰত হোৱা পুনৰ টক্ টক্ শব্দই। এইবাৰ সিহঁত নিশ্চিত হ'ল যে দুৱাৰত সঁচাকৈ কোনোবাই নক্ কৰিছে। কিন্তু কোন হব পাৰে ইমান ৰাতি? আৰু কিবা প্ৰয়োজনত আহিলেও দুৱাৰত নক নকৰি তাঁহাঁক নাম ধৰি মাতিব। যেয়েই নহওঁক দুৱাৰ খুলিবলৈ বুলি ময়ুৰীয়ে হাতত জ্বলি থকা চাকিটো লৈ দুৱাৰ খুলিলে। চাকিৰ ক্ষীণ পোহৰত ভায়েকৰ চিনাকি মুখ-খন জিলিকি উঠিল। ইমান দিনৰ পাছত ভায়েকক দেখি ময়ুৰীয়ে চিঞৰি চিঞৰি কান্দি-বলৈ ধৰিলে। ভাতৃত্ববোধৰ আকুল মৰমে তাইক ব্যাকুল কৰিলে। মলয়ে বায়েকৰ ভৰিত ধৰি সেৱা জনাই কলে,-- "বাইদেউ, তই মোক ক্ষমা কৰ, নিজৰ জন্ম দিয়া আইক পূজিবলৈ নোৱাৰিলো, সেয়ে হাজাৰ জনী আইক পূজিবলৈ বুলি আইৰ মৃত্যুৰ দিনাই মৃত দেহ চুই প্ৰতিজ্ঞা কৰিলো, সেয়ে মই তহঁ-তক নজনাই ওলাই গলো আৰু অৱশেষত মই

মোৰ দেউতাকো হেৰুৱালোঁ। বাইদেউ, আলিতে লগৰ দুজনমান ৰৈ আছে; মই পুনৰ যাব লাগে । বেছি পলম নকৰো । বৰ ভোক লাগিছে, কিবা আছে যদি দে ।" ভায়েকৰ কথা শুনি ময়ুৰী ব্যথিত হ'ল । সহানুভূতি-সিক্ত কোমল কণ্ঠেৰে কলে,- "তই তেন্তে সচাঁই গুচি যাবি । যা, নিস্বাৰ্থভাৱে মুক্ত কণ্ঠে অন্যায়ৰ প্ৰতিবাদ কৰিবি । নিজৰ পাপ্য দাবী কৰাতো দেশৰ সুনাগৰিকৰ পবিত্ৰ কৰ্তব্য। বুকুত হাজাৰ সাহস লৈ আগবাঢ়ি যা, মহৎ লক্ষ্য আগত লৈ দুৰ্গম কণ্টকাপূৰ্ণ পথেৰে । স্বদেশপ্ৰেম বন্দু-কৰ গুলিৰে কেতিয়াও ৰুদ্ধ কৰিব নোৱাৰে। যিদিনাই বিজয়ৰ গৌৰব আনিব পাৰিবি সেই দিনাই পুনৰ নিজৰ ঘৰলৈ ঘূৰি আহিবি ।"





# চুটি গল্প

## "ভঙা ডেউকাৰ কঁপনি"

— বিকাশ গগৈ
উঃ মাঃ ২য় বাৰ্ষিক

বিহু আহিছে; ঘৰখনৰ সকলোৰে আনন্দ । মা, দেউতা, ভাইটি-ভন্টি সকলোৰে আনন্দ । ভাইটি-ভন্টিৰ আনন্দ বিহু উপলক্ষে নতুন চোলা-পেণ্ট, জোতা-মোজা পাব । দেউ-তাৰ আনন্দ যে অন্ততঃ কেইদিন মানৰ বাবে অফিচৰ কামৰ পৰা আঁতৰি থাকিব পাৰিব। মায়ে বিহুৰ কাৰণে পিঠা-পনা পোৱাত ব্যস্ত । বিহুৰ কাৰণে জলপান পিঠা আদি বনাওতে কিমান যে আনন্দ । ঘৰখনৰ সকলোৰে মুখত কেৱল আনন্দৰহে চিন । কিন্তু মোৰ উদাৰ চিন্তাক্লিষ্ট মনটো দেখি মায়ে কৈছিল— "চুমী তোৰ কিনো হ'ল অ, মনটো মাৰি আছ যে। তোক বিহুত একো নালাগে নেকি ? আগে-য়েচোন তোৰহে সবাতকৈ উৎসাহটো বেছি । কি কি লাগে ক, মই দেউতাৰক কম ।"

মায়ে হয়তো ভাবিছিল, মই দেউতাৰ আগত কবলৈ লাজ কৰিছোঁ। কিন্তু মই একো নামাতি মাথো আঁতৰি গলো, মাৰ কাষৰ পৰা । কিয় জানো অতদিনে ভাল পাই অহা মা-জনীক আজি মোৰ ভাল নালাগিছিল ।

বৰ্ণালী, বৰ্ণালী বৰুৱা । আজি মোৰ বৰকৈ মনত পৰিছে বৰ্ণালীলৈ । তাই আছিল মোৰ অন্তৰঙ্গ বান্ধৱী । শ্ৰেণীটোৰ ভিতৰত শান্ত প্ৰকৃতিৰ আৰু আটাইতকৈ চোকা আছিল তাই । খেল-ধেমালিতো পাৰ্গত আছিল । সেয়েহে তাইক মই ভাল পাইছিলো; তদুপৰি তাইৰ আছিল সুন্দৰ স্বাস্থ্য । সকলোৰে লগত মিলিব পৰা গুণটোৰ বাবে তাই সকলোৰে প্ৰিয়পাত্ৰ হব পাৰিছিল । মোৰ দেউতা এজন অভিজাত লোক । মই গাড়ীৰে অহা-যোৱা কৰো স্কুললৈ । নিজা গাড়ী আছে । কিন্তু বৰ্ণালীহঁতৰ অৱস্থা কেনে মই জনা নাছিলোঁ। মাথো দেখিছিলোঁ। সদায় একেজোৰ সাধাৰণ মেখেলা-চাদৰ পিন্ধি স্কুললৈ আহে । কিন্তু সেই বিষয়ে মই বৰকৈ চিন্তা কৰা নাছিলোঁ। কিয়নো অভাৱ বোলা বস্তুটোৰ লগত মোৰ পৰিচয় নাছিলেই বুলি কব পাৰি । মই বিলা-সিতাত নিজকে উটুৱাই দি খুব ভাল পাই-ছিলোঁ। মা-দেউতাহঁতেও মোৰ এই কাৰ্য্যত বাধা দিয়া নাছিল । বৰঞ্চ সহায় কৰিছিল বুলি কলেও বঢ়াই কোৱা নহয় ।

বিহু আহিছিল যোৱাবাৰো । আনন্দত মোৰ মনত খলকনি উঠিছিল । ভাৱিছিলো নতুন ডিজাইনৰ দামী কাপোৰ অলপ লব লাগিব। অলপমানে কিমান লম সঠিককৈ কোৱাটো কঠিন । যি কি নহওক আভিজাত্যৰ গৌৰৱৰ বাবেই হওঁক বা আন কাৰণেই হওঁক মই বৰ্ণালীক সুধিছিলোঁ।——.

"বৰ্ণালী তই বিহুত কি কি লবি কচোন ? মই হ'লে (কি কৈছিলো মনত নাই) লব লাগিব ।" দেখিলো বৰ্ণালীৰ মুখখন বিষাদেৰে পৰিপূৰ্ণ হৈ পৰিছে । তাই কৈছিল

—"চুমী, তই হয়তো আমাৰ ঘৰৰ অৱ-স্থাৰ কথা নাজান । সেয়ে এইবোৰ কথা সুধিছ । জান চুমী, আজি মোৰ ইচ্ছা থাকি-লেও এসাজ ভাল কাপোৰ লব নোৱাৰো। কিয়নো আমি অতি দৰিদ্ৰ । দেউতা এজন সাধাৰণ হাজিৰা কৰা লোক । কামলৈ ওলায় নগলে লঘোণে থাকিব লগা হয় । গতিকে বিলাসিতাৰ বাবে টকা ক'ত পাওঁ ?" ক্ষন্তেক ৰৈ বৰ্ণালীয়ে পুনৰ ক'লে--

মোৰ এজনী ভন্টি আৰু এটা ভাইটি আছে। দেউতা যেতিয়া গধূলি কামৰ পৰা আহে তেতিয়া সিহঁতে নতুন চোলা-পেন্ট, জোতা-মোজা আদিৰ আশাত দুৱাৰমুখত বৈ থাকে। দেউতাৰ উকা হাত দুখনলৈ চাই সিহঁতে প্ৰত্যেক দিনাই সোধে, "দেউতা চোলা পেন্ট." দেউতাই মাথো কয়- "এই আজি সময়কে নাপালো অ' কাইলৈ আনিম যা"। কিন্তু সদায়েবা কিমান দিন মিছা মাতিব। মা দেউতাৰ শুকান মুখ, ভাইটি-ভন্টিৰ বেদনাৰে ভৰা মুখ কেইখন দেখি মোৰ মৰি যাবৰ মন যায় চুমী। কিন্তু কৰিম কি! আজি এমাহ ধৰি দেউতাৰ অসুখ। কালিৰ পৰা দেউতাৰ অসুখ বেছি হৈছে। সাংঘাটিক জ্বৰ।" মই সুধিলো "ডাক্তৰ নানা কিয় ?"

"খাবলৈকে নাই, ডাক্তৰ আনিবলৈ টকা ক'ত পাম ?" চুমীৰ মাত থোকাথুকি হৈ পৰিছিল। নিজকে বৰ দোষী দোষী যেন লাগিল। ভাবিলো দেউতাক কম, বৰ্ণালীহঁতক অলপ টকা দি সহায় কৰিবলৈ। আকৌ ভাবিলো, এটা ভেকাহিৰ বাহিৰে ভাল প্ৰত্যুত্তৰ দেউতাৰ পৰা পাম জানো! এৰা ধনী মানুহবোৰ এনেকুৱাই।

কেইবাদিনো বৰ্ণালী স্কুললৈ নহা দেখি সিহঁতৰ ওচৰৰে মুনমীক সুধিছিলোঁ। তাইৰ পৰা জানিব পাৰিলো যে কেইদিন মানৰ আগেয়ে বৰ্ণালীৰ বাপেকৰ মৃত্যু হ'ল। এদিন কেইজনীমান ছোৱালীৰসৈতে সিহঁতৰ ঘৰলৈ গৈছিলোঁ। দেখিলোঁ এটা সৰু ঘৰত সিহঁত বাস কৰে। তাকো বৰষুণৰ পানী ছালত পৰাৰ আগতেই কিজানি ঘৰৰ ভিতৰত পৰে। ঘৰটো এফালে হাওলি আছে। দুডাল বাঁহেৰে ঠেকা দি কোনোমতে ঘৰটো নভগাকৈ ৰখাই থৈছে। বৰ্ণালীৰ স্বাস্থ্য একেবাৰে বেয়া হ'ল। তেলৰ অভাৱত চুলি জপৰা হৈ আছে। গাত ফটা সাধাৰণ কাপোৰ। অৱস্থা দেখি বেয়া লাগিছিল। তাই কৈছিল ঘৰৰ অৱস্থাৰ কথা।

দেউতাৰ মৃত্যুৰ পাছত আমি নিৰুপায়ত পৰিলোঁ। উপায়ান্তৰ হৈ মায়ে মাগিবলৈ ধৰিলে। মইও ঘৰতে থাকি লোকৰ তাঁত-সুত বৈ বেচি যি পাৰো দুই এপইচা উপাৰ্জন কৰি ঘৰখন চলাবলৈ ধৰিলোঁ। এনেকৈয়ে দিনবোৰ গৈ আছে। কি বুলি সান্তনা দিম আমি ভাবিব পৰা নাছিলোঁ! গুচি আহিছিলোঁ, যিমান পাৰো সিমান সোনকালে। সিহঁতৰ ঘৰলৈ যোৱাৰ খবৰ শুনি দেউতাই গৰজি কৈছিল।

"কি দৰকাৰ আছিল তই তালৈ যোৱাৰ।" মই মনে মনে আছিলোঁ। ভাবিছিলোঁ বৰ্ণালীৰ কথা। বৰ্ণালীহঁতৰ ঘৰখনৰ কথা।

"চুমী টাউনলৈ যাওঁ ব'ল।" মাৰ মাতত চমক খাই দেখিলো মা সাজি কাচি ওলাই আহিছে।

"কিয় ?"

"কিয় বিহুৰ কাৰণে একো কাপোৰ কানি নলৱ নেকি ?"

"মই একো নলওঁ।" উচাট মাৰি আঁতৰি গৈছিলোঁ মাৰ কাষৰ পৰা। মা অবাক হৈ বৈ মোলৈ চাইছিল। হয়তো মায়ে ভাৱিছিল ইমান দিনে বিলাসিতাত ভাহি ফুৰা ছোৱালীজনীৰ হঠাতে আজি কি হ'ল ? মাৰ কাষৰ পৰা আঁতৰি আহি ফুলৰ বাগিছা পালোহি। আকৌ মনত পৰিল বৰ্ণালীহঁতৰ ঘৰলৈ। যেন ঘটনাটো এই মাত্ৰহে ঘটিছে।

আজি বৰ্ণালীৰ মাক আমাৰ ঘৰলৈ মাগিবলৈ আহিছিল। মই বৰ্ণালীৰ কথা



# মান-মৰ্য্যদা

--প্ৰীতি বৰবৰুৱা
স্নাতক ২য় বাৰ্ষিক

ৰীতাৰ আজি কান্দি কান্দি হেপাহ পলোৱা নাই। যাক আজি তিনি বছৰে স্বামী বুলি, জীৱনৰ আৰাধ্য পুৰুষ বুলি বিশ্বাস কৰি আহিছিল; তেওঁ কোন সতে আজি অফিচৰ এক সামান্য প্ৰমোচনৰ আশাত নিজৰ পত্নীৰ মৰ্যাদা এনেদৰে বিসৰ্জন দিবলৈ সাজু হব পাৰিলে। ৰীতাই ভবা নাছিল যে পতি-পত্নীৰ সম্পৰ্ক ইমান সামান্য, ইমান মূল্যহীন। ঠিক এনেক্ষণতে ক্ষিপ্ৰ পদক্ষেপেৰে চন্দ্ৰ ভিতৰলৈ সোমাই আহিল। সি দেখিলে, ৰীতাই বিচনাত শুই শুই উচুপি আছে। সকলো জানিও নজনাৰ দৰে চন্দ্ৰই ৰীতাক কোমল মাতেৰে সুধিলে-"ৰীতা, কি হল ? এজনী সৰু ছোৱালীৰ দৰে উচুপিচা যে ?' স্বামীৰ আত্মীয়তাৰ প্ৰতি কোনো ধৰণৰ সহাৰি নজনাই ৰীতাই মাথো ৰূঢ় দৃষ্টিৰে চন্দ্ৰলৈ চাই সুধিলে--"ইমান ৰাতিলৈকে আপুনি ক'ত আছিল আৰু কলৈ গৈছিল ?" বিয়াৰ দিনাৰ পৰা আজিলৈকে তাই চন্দ্ৰৰ সন্মুখত এনেদৰে, এনে সুৰত কথা কোৱা নাই। কিন্তু আজি নকলে নহয়। তাইৰ নাৰীত্বক যিয়েই অৱমাননা কৰিব, তাকেই তাই ক্ষমা কৰিব নোৱাৰিব। স্বামী যদি হয় তেওঁকো।

"মই সুধিছো, আপুনি কলৈ গৈছিল আৰু কিয় গৈছিল ?" চন্দ্ৰৰ চকুলৈ ৰীতাই স্থিৰভাৱে চাই দৃঢ়তাৰে সুধিলে।

"অলপ কাম আছিল, তোমাক কিয় ?" কথাষাৰ কৈয়েই চন্দ্ৰই আঁতৰি যোৱাৰ চেষ্টা কৰিছিল আৰু চন্দ্ৰই এই কথা ভাবি আত্মসন্তোষ্টি লাভ কৰিছিল যে তাইৰ তেনে এটা প্ৰশ্নৰ এইটোৱেই হৈছে একমাত্ৰ আৰু প্ৰকৃত উত্তৰ। কিন্তু ৰীতাই দুয়োখন হাতেৰে কোঠাটোৰ দৰ্জাখন বন্ধ কৰি দিলে। চন্দ্ৰই পৰম বিস্ময়েৰে দেখিলে, ৰীতাৰ কপালত বিন্দু বিন্দু ঘামৰ টোপাল বিৰিঙি উঠিছে আৰু তাইৰ হাত দুখন এক অসহনীয়-অবৰ্ণনীয় যন্ত্ৰণাত কঁপিব ধৰিছে। বৈবাহিক জীৱনৰ এই তিনিটা বছৰত সি তাইক এনে অদ্ভুত বিব্ৰত অৱস্থাত কেতিয়াও দেখা নাই আৰু ইয়াৰ একমাত্ৰ কাৰণটো কি হব পাৰে বুলি ভাবোতেই তাই চন্দ্ৰক পুনৰ ক'লে—"মই আপোনাৰ পৰিবাৰ, নিজৰ পৰিবাৰৰ সন্মান ৰক্ষা কৰাটো আপোনাৰ কৰ্তব্য হয় নে নহয় ?"

"কিয় নহয়, তোমাৰ আজি হৈছে কি ?"

"তেনেহলে মোক কব লাগিব আপুনি কলৈ গৈছিল, আৰু ইমান ৰাতিলৈকে আপোনাৰ কি কাম আছিল ?"

"তোমাৰ আজি ইমান প্ৰশ্ন কিয় ৰীতা ? মই ইমান ৰাতিলৈকে যতেই নাথাকো বা যি কামেই নাথাকক তাৰ লগত তোমাৰ সন্মানৰ কি সম্পৰ্ক আছে ?" চন্দ্ৰ কিছু অস্বাভাৱিক হ'ল।

"সম্পৰ্ক নিশ্চয় আছে, সেই কাৰণেই সুধিছোঁ; কওকছোন, কি কাম আছিল ?' ৰীতাই কিছু গহীন ভাৱেই কথা কেইটা কলে। চন্দ্ৰই বুজিলে যে মিছা কথা বাদ দি সচাঁ কথা নকলে ৰীতাই কিবা এটা ডাঙৰ কাণ্ড কৰিব। গতিকে চন্দ্ৰই সহজ ভাৱেই কলে--"ৰীতা, তুমি ইমান উত্তেজিত হোৱাৰ একো কাৰণেই মই দেখা নাই। ইমান ৰাতিলৈকে মোৰ একো কাম নাছিল, এনেই অলপ ফুৰিলোঁ।" চন্দ্ৰৰ কথাবোৰে ৰীতাক সহজ কৰিব নোৱাৰিলে। গতিকে ৰীতাই এইবাৰ টান সুৰতেই কথা ক'লে-

"আপুনি অন্ততঃ মোক কৈ যোৱাটো উচিত আছিল। যিহেতু মই আপোনাৰ বিবা-

হিতা স্ত্ৰী। ইয়াৰ উপৰিও আপুনি আপোনাৰ পৰিবাৰক এৰি থৈ গৈছে এজন পুৰুষৰ লগত যিজনক আগতে মই দেখা নাই, চিনি নাপাওঁ।”

“ৰীতা, এইটো কোনো ডাঙৰ কথা নহয়। তুমি এগৰাকী শিক্ষিতা নাৰী। কেনেকুৱা কথাৰে কাক কেনেকৈ আকৰ্ষণ কৰিব লাগে তুমি জানা। গতিকে মই তোমালোক দুজনে ভালদৰে কথা পাতিব পৰাকৈ এটা সুবিধা দি ওলাই গৈছিলোঁ।”

“এজন অচিনাকি মানুহৰ লগত মোক এনেদৰে কথা পাতিবলৈ সুবিধা দিয়াৰ আপোনাৰ উদ্দেশ্য ?” “উদ্দেশ্য, মিষ্টাৰ মানিক গগৈয়ে তিৰোতাৰ লগত কথা পাতি ভাল পায় আৰু তিৰোতাৰ পৰা বহুত কিবা কিবি পাবলৈ ইচ্ছা কৰে। যিটো তোমাৰ পৰাও পাব বুলি মই ভাবিছিলোঁ।”

যিজনী ৰীতাই কোনোবাই ডাঙৰকৈ কথা পাতিলে ভয় কৰে, সেইজনী ৰীতাৰ মাত ডাঙৰহে আহিছিল।

“মিষ্টাৰ মানিক গগৈয়ে যদি মোক তেনে অৱস্থাত অপমান কৰে, তেন্তে আপোনাৰ কি একো——”

ৰীতাই এইবাৰ আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে। বিছনাত তাই তললৈ মূৰ কৰি পৰি গ'ল।

চন্দ্ৰৰ মতে, ৰীতাই সামান্য কথা এটাকে ডাঙৰ কৰি তুলিছে। আজিৰ এনে জটিল সংসাৰখনত পুৰুষৰ সমানে যাবলৈ ওলোৱা নাৰী ইমান দুৰ্বল হলে কেনেকৈ হব ?

চন্দ্ৰ এইবাৰ ৰীতাৰ কাষতে বিছনাখনত বহিল। কিন্তু তাই স্বামীৰ সেই লেৰেলা সান্নিধ্যৰ প্ৰতি সহাৰি জনোৱাৰ একো আৱশ্যক নেদেখিলে। তাই তাৰ কথা শুনিবলৈ এতিয়া যে একেবাৰে সাজু নহয়, এই কথা চন্দ্ৰই জানে। কিন্তু যিখিনি নকলে নহয়, সেইখিনি ৰীতাৰ ফালে চায়ে সি কৈছিলঃ “মিষ্টাৰ মানিক গগৈ এজন ভদ্ৰলোক, তেওঁৰ লগত বহি দুআষাৰ কথা আৰু খন্তেক আমোদ কৰিবলৈ পোৱাটো আমাৰ ঘৰৰ দৰে পৰিবাৰৰ বাবে ভাগ্যৰ কথা। তাতে তুমি এগৰাকী শিক্ষিতা নাৰী। অন্ততঃ তুমি মোৰ চাকৰিৰ প্ৰমোচনৰ কথাটো চিন্তা কৰিয়েই তেখেতক অলপ ভাল ব্যৱহাৰ কৰিব লাগিছিল। মোৰ প্ৰমোচনৰ কথাটো তুমি যিমান সহজভাৱে লৈছা, সিমান সহজ নহয়। প্ৰমোচন বহুত বছৰৰ পাছত এবাৰহে মাত্ৰ আহে তাৰ বাবে অফিচৰ মুখ্য, মিষ্টাৰ গগৈক এষাৰ ভাল কথা তুমি মোৰ পত্নী হৈ কিয় শুনাব নোৱাৰিলা, তেওঁৰ লগত কিছু সময়ৰ বাবে কিয় বহি থাকিব নোৱাৰিলা ? এটা টকা বৃদ্ধিৰ বাবে আমি কিমান কি কৰিব লগা হয়, তুমি ঘৰত বহি কি বুজিব পাৰিবা ?”

চন্দ্ৰৰ প্ৰত্যেকটো কথাই ৰীতাই শুনি গৈছিল আৰু প্ৰত্যেকটো শব্দই যেন তাইৰ হৃদয়ত মৰ্মান্তিক আঘাত সানিছিল। জোৰেৰে জাপ খাই যোৱা দৰ্জাখনৰ শব্দত তাই অনুমান কৰিলে কিমান বেগেৰে চন্দ্ৰ ঘৰৰ পৰা ওলাই গৈছে।

তাই থিয় হ'ল। কান্দোন আৰু উচুপনিৰ স্থান অধিকাৰ কৰিলে এইবাৰ দৃঢ়তা আৰু প্ৰত্যয়ে। চন্দ্ৰৰ প্ৰত্যেকটো কথা তাইৰ ভগ্ন হৃদয়ত বাৰে বাৰে ধ্বনিত আৰু প্ৰতিধ্বনিত হ'ল, মুহূৰ্তে মুহূৰ্তে তাইৰ হৃদয় হ'ল ক্ৰোধ আৰু অভিমানেৰে পৰিপূৰ্ণ। স্বামী হিচাবে চন্দ্ৰৰ পৰিচয় এটা সন্ধিয়াৰ মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে তাইৰ চকুত ধৰা পৰি গ'ল। তাৰ পৰিচয়ে তাইক পংগু কৰি পেলাব যেন। তাই কোনো দিনেই ভবা নাছিল সি ইমান



দুৰ্বল পদাৰ্থৰে নিৰ্মিত, ভবা নাছিল অফিচৰ এটা প্ৰমোচনৰ বাবে নিজৰ পত্নীৰ ব্যক্তিত্ব, আটাইতকৈ ডাঙৰ কথা, নিজ পত্নীৰ নাৰীত্ব বিসৰ্জন দিবলৈও সি সাজু। আজি এনে কৰুণ পৰিস্থিতিৰ সন্মুখীন হব লাগিব, এই কথা ৰীতাই কোনোদিনেই ভবা নাছিল। কিন্তু সেইটোৱেই বাস্তৱত আজি সত্য হৈ ৰ'ল। চন্দ্ৰ আৰু ৰীতাৰ মাজত কোনো বিভেদ নাই বুলিয়েই তাই ভাবিছিল। কেৱল ভবাই নহয় চন্দ্ৰ আৰু তাইৰ মাজৰ সম্পৰ্ক মধুৰ কৰি ৰাখিবলৈও তাই মনে-প্ৰাণে, দিনে ৰাতিয়ে, মুহূৰ্তে মুহূৰ্তে যত্ন কৰি আহিছে। চন্দ্ৰই যিটো তাইক দিব নোৱাৰে সেইটো তাই কেতিয়াও বিচৰা নাই, যিটো সাজেৰে সি তাইক সজাব পৰা নাই, সেই সাজৰ কথা তাই কেতিয়াও তাক কোৱা নাই। এনে এটা দিনৰ কথা চন্দ্ৰই কব নোৱাৰে, যিটো দিনত তাই তাৰ মনত কিবা প্ৰকাৰে আঘাত দিয়াৰ চেষ্টা কৰিছে. আনকি তাই এষাৰ টান কথাও কোৱা নাছিল। ৰীতা এইবাৰ উচুপি উঠিল, তোমাৰ লগত সহজ সৰল ভাৱে জীৱন অতিবাহিত কৰিম বুলি ভাবিছিলোঁ, কিন্তু মোৰ দুৰ্বল মনৰ সুযোগ লৈ তুমি মোক আজি গ্লানিৰ চৰম মুহূৰ্তলৈ লৈ গলা, নিজৰ আদৰৰ পত্নীক আনৰ আনন্দৰ অস্ত্ৰ হিচাবে দাঙি ধৰিলা।

ৰীতাই ওচৰৰ কোঠাটোত সোমাই জোৰেৰে কোঠাটোৰ দুৱাৰখন বন্ধ কৰি মৰ্মে মৰ্মে উপলব্ধি কৰিলে যে এখন ঘৰৰ স্বামী আৰু পত্নীৰ হৃদয়ৰ মিলনৰ দুৱাৰখনো এনেকৈয়ে আজি বন্ধ হৈ গ'ল।

প্ৰাণস্পৰ্শী বেদনাৰে শ্ৰান্ত-ক্লান্তভাৱে সমগ্ৰ ৰাতি নিদ্ৰাহীনভাৱে অতিবাহিত কৰি ৰাতিপুৱাৰ আগে আগে ৰীতা বাহিৰলৈ ওলাই আহিল। ওপৰলৈ চাই দেখিলে সুনিৰ্মল আকাশত মহিমামণ্ডিতভাৱে অজস্ৰ তৰা জ্বলি আছে। পৃথিৱীত সংঘটিত হোৱা অজস্ৰ কাৰুণ্যৰ বিশ্বাসঘাটকতাৰ, হৃদয়হীনতাৰ জ্বলন্ত সাক্ষী যেন এই তাৰকাৰাশি।

ৰীতাই এনে সুদীৰ্ঘ নিশ্বাস গ্ৰহণ কৰিলে, যি নিশ্বাসৰ লগে লগে হৃদয়ৰ প্ৰত্যয় আৰু সততাৰ স্তৰ সৰল হৈ উঠিল। তাই এইবাৰ ভিতৰলৈ সোমাই গৈ বিছনাত পৰা মাত্ৰকে টোপনিত চকু মুদখাই আহিল।

ৰাতিপুৱা তাই যোৱা তিনিটা বছৰৰ দৰেই নিজহাতে চন্দ্ৰক চাহ-জলপান আগবঢ়াই দিলে। সি মূৰ তুলি তাইৰ চকুলৈ চালে। কিন্তু কথা কোৱাৰ কাৰণ আৰু অনুপ্ৰেৰণা দুয়োটাই বিচাৰি নাপালে।

দুপৰীয়া ভাতৰ টেবুলত বহি চন্দ্ৰই ৰীতাক সুধিলে, “মোক তুমি মিছাতেই অপৰাধী কৰিছা।”

মুখৰ আৰু ভাবৰ অভিব্যক্তিৰ কোনো পৰিবৰ্তন নকৰাকৈ ৰীতাই উত্তৰ দিলে, “মই কোনো দিন মুখ খুলি কোনো কথাৰে আপোনাক প্ৰতিবাদ কৰা নাছিলো আৰু অন্য তিৰোতাৰ দৰে চিঞৰ বাখৰ কৰি আপোনাৰ লগত দন্দ কৰা নাছিলো। গতিকে আপুনি ভাবিছিল মোৰ কোনো নিজস্বতা বা ব্যক্তিত্ব নাই। আপুনি নিশ্চয় জানে তিৰোতা সৰল হলেই যে হৃদয় নাইকীয়া হব. এই কথা ভবাটো স্বামীৰ বাবে এক ডাঙৰ অপৰাধ।”

“ৰীতা, তুমি জানা মই এতিয়াও জীয়াই আছোঁ তোমাৰ স্বামী হিচাবে।”

“মইয়ো জীয়াই আছোঁ. কিন্তু জীয়াই থকা নাই ভালপোৱাৰ মৰ্য্যদা।”

চন্দ্ৰই দেখিলে এইজনী আগদিনা ৰাতি তাৰ সন্মুখত বজ্ৰ কণ্ঠেৰে কথা কোৱা সেই একেজনী ৰীতাই। ইয়াৰ পিছত আৰু কথা কোৱাৰ সাহস তাৰ নহল।

উপৰীয়া ৰীতাই ভাবিলে, কি হব মিছাতে হৃদয়ত দুৰ্ভাগ্য আৰু ভাঙনৰ জুই দপ দপকৈ জ্বলাই লৈ বাহিৰত সতীৰ অভিনয় কৰি । পত্নীত্বৰ যোগ্য মৰ্য্যাদা কোনে দিব ? অফিচৰ প্ৰমোচনতকৈ নিজ পত্নীৰ প্ৰেম আৰু মৰ্য্যদা যে মহত্তৰ তাকেই বা উপলব্ধি কৰিবলৈ এইখন ঘৰত আছে কোন ? তাই অনুভৱ কৰিলে যোৱা তিনিটা বছৰে তাইৰ নিজৰ বুলি ভবা এই ঘৰ প্ৰকৃততে তাইৰ আপোন ঘৰ নহয়, ই এটা মাত্ৰ অতিথিশালা । এই অতিথিশালাত তাই অনিমন্ত্ৰিত ; কথাবোৰ ভাবি ভাবি তাই শেষ সিদ্ধান্তত উপনীত হ'ল যে এই ঘৰৰ পৰা তাই ওলাই যাব । এইখন ঘৰত সন্তানহীনা নাৰীৰ কোনো প্ৰয়োজন নাই । কিন্তু তাই নগল, কিবা এক অদৃশ্য আকৰ্ষণত তাই এই ঘৰ ত্যাগ কৰিব নোৱাৰিলে ।

সময়বোৰ যেন বৰ সোনকালে আগবাঢ়িছে । এক সপ্তাহ পাৰ হৈ গ'ল । খবৰটো চন্দ্ৰই ৰীতাক দিলে যে তেওঁলোকৰ অফিচৰ মুখ্য, মিষ্টাৰ মানিক গগৈক অপমান কৰাৰ বাবে তাৰ চাকৰিৰ প্ৰমোচন নহল । খবৰটো দিয়াৰ সময়ত চন্দ্ৰৰ মুখত বিষাদৰ ছাঁ ঘনীভূত হৈ উঠিছিল । তাৰ এনে অৱস্থা দেখি ৰীতা অবাক হৈ পৰিছিল । কাৰণ যি চন্দ্ৰই অকস্মাতে কাকো নোকোৱাকৈ ঘৰৰ পৰা ওলাই গৈ মাজৰাতিলৈকে মিষ্টাৰ মানিক গগৈৰ লগত তাইক এৰি থৈ গৈ দুখ পোৱা নাছিল সেই দুখ যেন আজি প্ৰমোচন নোপোৱাৰ বাতৰি পোৱাৰ বাবে সি হৃদয়ৰে অনুভৱ কৰিলে । তাৰমানে তাই ভাবিবলৈ বাধ্য হ ল যে অন্য পুৰুষৰ হাতত নিজ পত্নীৰ অপমানৰ কথাটো কোনো কথাই নহয়. আচল কথা হ ল তাৰ প্ৰমোচন । ইমান স্বাৰ্থপৰ এই পুৰুষ জাতি । তাই কিছুসময় চন্দ্ৰলৈ চাই অনুমান কৰিব পাৰিলে যে, সেই দিনা সন্ধিয়া ৰীতাৰ ব্যৱহাৰত সন্তুষ্ট হৈ যোৱাহেঁতেন মিষ্টাৰ গগৈয়ে এনে ধৰণৰ নিৰ্ম্মম কাম কেতিয়াও নকৰিলেহেঁতেন । ৰীতাই ভাবিবলৈ বাধ্য হ'ল যে, এটা টকা উপাৰ্জন কৰাটো সচাঁকৈয়ে কষ্টকৰ নেকি ? এটা টকা উপাৰ্জন কৰিবৰ বাবে নিজৰ যোগ্যতাতকৈ আৰু বহুত কিবাকিবিৰ প্ৰয়োজন নেকি ? নিজৰ পত্নীৰ প্ৰেমৰ গ্লানি নোহোৱাকৈ টকা উপাৰ্জন কৰাটো আৰু অফিচত প্ৰমোচন পোৱাটো কোনোদিনেই সম্ভৱ নহয় নেকি ? তাইৰ মন আৰু হৃদয় অধিকতৰ দৃঢ় হ'ল । নিজৰ যোগ্যতাৰে কাৰো কাষত আত্মসমৰ্পন নকৰাকৈও টকা উপাৰ্জন কৰিব পাৰে বুলি তাইৰ বিশ্বাস ।

ৰীতা শেষ সিদ্ধান্তত উপনীত হ'ল । আৰু এদিন ৰাতিপুৱা তাই চাহৰ টেবুলত বহি কেৱল জনোৱাৰ খাতিৰতে চন্দ্ৰক কলে যে, "ঘৰত থাকি আমনি লাগিছে । গতিকে মই এটা চাকৰি কৰিম বুলি ভাবিছোঁ ।"

"কিন্তু মোৰ সন্মান ?"

"চাকৰিৰ লগত আপোনাৰ সন্মানৰ কি সম্পৰ্ক আছে ?' এইবাৰ চন্দ্ৰই স্পষ্টভাৱে কলে, "তুমি অফিচত আনৰ লগত বহি চাকৰি কৰিলে মোৰ সন্মান নষ্ট নহব ?"

ৰীতাৰ এটা বিকৃত হাঁহি মাৰিবৰ মন গৈছিল ; কিন্তু জোৰকৈ সেই হাঁহি তাই নামাৰিলে । ইমান বছৰে তাই উপলব্ধি কৰা নাছিল যে, তাইৰ অৰ্জিত শিক্ষা তাইৰ জীৱনৰ বাবে ইমান মূল্যবান, ইমান প্ৰয়োজনীয় ।

পিছদিনাই এমপ্লয়মেণ্ট এক্সচেঞ্জত ৰীতা হাজিৰ হলগৈ । নিজহাতেৰে দৰ্খাস্ত কৰিলে । দুমাহ মানৰ পিছত পৰীক্ষাৰ বাবে সাজু হ'ল । এদিন পৰীক্ষাৰ খবৰ ওলাল । তাই চাকৰি পালে । আৰু এদিন স্বামীক ভাত পানীৰ যোগান ধৰি নিজেও খাই বৈ অফিচলৈ ওলাই গ'ল ।



ৰীতাই চাকৰি কৰিছে ; সকলোৰে অতি সোনকালে গম পালে । মাক আৰু ভায়েক আহিল তাইক চাবলৈ, তাইৰ খবৰ লবলৈ । মাক আৰু ভায়েকক পতিয়ন নিয়াবলৈ তাই এটা শেঁতা হাঁহি মাৰি ক'লে, "ঘৰত অকলে থাকি বৰ আমনি লাগে মা, এনেকৈ থাকিলে মই তোমাতকৈ সোনকালে বুঢ়ী হৈ যাম ।"

ৰীতাৰ পংগু হৃদয়ৰ কথা মাকে বুজি পালে । অনুভৱ কৰিলে সন্তানহীনা কন্যাৰ মনৰ অশান্তি । কিন্তু তাইৰ সেই শেঁতা হাঁহিটোৰ অন্তৰালত কি এক কৰুণ অধ্যায় নিৰ্লিপ্তভাৱে শুই আছে, তাক হলে মাতৃৰ অন্তৰে বুজি নাপালে ।

ৰীতাই বৰ একাগ্ৰতাৰে অফিচত কাম কৰিবলৈ আৰম্ভ কৰিলে । তাই ধৰি ললে ধন আৰু কামেই স্বৰ্গ । মাত্ৰ এটা বছৰ । ৰীতাৰ বাবে কিন্তু এইটো এটা মাহ !

অফিচৰ পৰা আহি ৰীতা ভাতৰ টেবুলত বহিল । ঠিক এনে সময়তে পিয়নজনে এখন চিঠি দি গ'ল চন্দ্ৰৰ হাতত । চিঠিখন খুলি চন্দ্ৰই এবাৰ পঢ়িলে । তাত লিখা আছিল: ৰীতাৰ অফিচৰ কামত অতীৱ সন্তুষ্টহৈ তাইক প্ৰমোচন দিয়াৰ খবৰ । লগতে তিনিটা ইনক্ৰিমেণ্ট ।

এটা ক্ষীণ আৰু বিদ্বেষৰ হাঁহিৰে চন্দ্ৰই চিঠিখন টেবুলৰ ওপৰত থৈ দিলে । চিঠিখনৰ কথাখিনি যে তাৰবাবে একো নহয় তাকে সি নিজৰ মনক বুজাব খুজিছিল । কিন্তু নোৱাৰিলে । সি নিজৰ কথাবোৰ ভাবিব ধৰিলে ।

---

**"যিজনে সুবিধা পালেই পৰনিন্দা, পৰচৰ্চ্চাত মতলীয়া হয়, সেইজন লোক বাস্তৱিকতে, ফেটি সাপতকৈ কোনো গুনে কম নহয় ।"**

**—উপনিষদ ।**

**"নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটো যিমান ।"**

**বেঞ্জামিন ফ্ৰেঙ্কলিন ।**

## সমাজ সংগঠনত ছাত্ৰৰ ভূমিকা

ৰেবকান্ত দত্ত
স্নাতক তৃতীয় বাৰ্ষিক

ছাত্ৰ সমাজ দেশ আৰু জাতিৰ এটা প্ৰধান শক্তি। বৰ্ত্তমানৰ ছাত্ৰ সমাজে অতীতৰ কেৱল বিদ্যালয়ৰ চাৰিবেৰৰ মাজতে আৱদ্ধ নেথাকি দেশ আৰু সমাজৰ বিভিন্ন উন্নয়নমূলক কামত আত্মনিয়োগ কৰা দেখা যায়।

ছাত্ৰসকলে সমাজ সংগঠনৰ ক্ষেত্ৰত বিভিন্নকাৰ্যসূচী হাতত লোৱাৰ উদাহৰণ উল্লেখ কৰিব পাৰি। প্ৰতিজন ছাত্ৰই সমাজসেৱা আৰু সমাজসংগঠনৰ কাৰণে হাতত লোৱা প্ৰধানতম কাৰ্যপদ্ধতি হ'ল—খেল-ধেমালি, ব্যায়াম, সমাজ সেৱা, সাংস্কৃতিক অনুষ্ঠান, পত্ৰা, শিক্ষামূলক ভ্ৰমণ, হাতৰ কাম, গৃহবিজ্ঞান ইত্যাদি।

সকলো ছাত্ৰই সকলোধৰণৰ কাম বা কাৰ্য সম্পাদন কৰিব নোৱাৰে। গতিকে ছাত্ৰই নিজৰ ৰুচি-অভিৰুচি, প্ৰকৃতি আৰু সামৰ্থ্যৰ প্ৰতি লক্ষ্য ৰাখিহে সমাজ সংগঠনৰ কাৰ্যসূচীত নিজকে জড়িত কৰি ৰাখে।

চিন্তাবিদসকলে কব বিচাৰে যে, এটা জীৱন দৰ্শন বা আদৰ্শইহে মানুহক সমাজ সেৱাত প্ৰবৃত্ত কৰে। সকলো ছাত্ৰ যে সমাজ সংগঠনৰ কাৰ্যসূচীৰ প্ৰতি আগ্ৰহী সেইটো ন-দিক'ব নোৱাৰি। বিশেষকৈ ছাত্ৰৰ সামাজিক কামত মনোনিবেশ কৰাৰ এটা বয়স আছে। ১৬ বছৰৰ পৰা ২১ বছৰৰ ভিতৰত প্ৰায় ছাত্ৰই, সামাজিক কামৰ প্ৰতি আগ্ৰহী। সেই সময়ত ছাত্ৰ আবেগপ্ৰৱণ হয় সেই সময়তেই ছাত্ৰই পৰোপকাৰিতা আৰু ত্যাগৰ প্ৰতি আকৃষ্ট হয়। উক্ত বয়সতেই যদি ছাত্ৰৰ মনটো সামাজিক দিশৰ পিনে আকৃষ্ট কৰি তুলিব পৰা যায়; তেন্তে অতি সহজতেই সমাজৰ উন্নতি সাধন হ'ব।

এখন সমাজত দুখ-দাৰিদ্ৰ, বেমাৰ-আজাৰ, মাৰি-মৰক আদি বহুতো প্ৰাকৃতিক দুৰ্যোগে দেখা দিয়ে। এনেধৰণৰ কষ্ট, ক্লিষ্ট, পীড়িত মানৱৰ প্ৰতি যুগে যুগে সেৱা আৰু সহানুভূতি আগবঢ়াব পাৰে সচেতন ছাত্ৰসমাজে। এনেদৰে ছাত্ৰসমাজে সামাজিক কাম-কাজৰ লগত জড়িত হৈ সামাজ সংগঠনত এক মুখ্য ভূমিকা আগবঢ়ায়।

সমাজ সংগঠনত ছাত্ৰই লোৱা কাৰ্যসূচী বহুমুখী আৰু শিক্ষামূলক হ'ব লাগে। বিশেষকৈ সমাজসেৱা কাৰ্যত ছাত্ৰৰ মাজৰে এজন অভিজ্ঞ ছাত্ৰৰ দ্বাৰাই পৰিচালিত হ'ব লাগে। সৰ্বপ্ৰথমে সমাজ সংগঠনৰ ক্ষেত্ৰত শিক্ষা অনুষ্ঠানতেই ছাত্ৰই মুখ্য পদক্ষেপ হাতত লব লাগে। শিক্ষা অনুষ্ঠানৰ দ্বাৰাই সমাজৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষিত কৰি তোলা হয় আৰু সাধাৰণ জ্ঞানৰ প্ৰতি কম-বেছি পৰিমাণে হ'লেও আগ্ৰহী কৰি তোলে। শিক্ষানুষ্ঠান সুনিষ্ঠাৰে পৰিচালিত হবলৈ ছাত্ৰই বহুতো কৰ্তব্য কৰিব লগীয়া হয়। শিক্ষানুষ্ঠানৰ চৌহদটোৰ আৰু পাঠদানৰ কক্ষবোৰ যাতে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে তাৰ বাবে ছাত্ৰ সকলে গুৰুত্ব দিব লাগে। শিক্ষানুষ্ঠানৰ চৌহদত যাতে গছ-গছনি পৰিপূৰ্ণ আৰু ফলে-ফুলে সুশোভিত হৈ থাকে, তাৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰিব লাগে।

সমাজসেৱা কেৱল শিক্ষানুষ্ঠানতেই সীমিত হৈ থাকিব নালাগে। সামাজিক কৰ্মৰ ক্ষেত্ৰত ছাত্ৰই সমাজৰ পৰিৱেশৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। এখন সমাজৰ আভ্যন্তৰীণ আৰু বাহ্যিক এই দুয়োটা পৰিৱেশৰ ওপৰতেই ছাত্ৰই গুৰুত্ব দিয়া উচিত।



দেশৰ, দহৰ তথা সমাজৰ কল্যাণৰ নিমিত্তে ছাত্ৰসকলে কৰিব পৰা অলেখ কাম বা কৰ্তব্য আছে। বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগৰ বেলিকা ত্ৰানকাৰ্য্য, মাদক দ্ৰব্য নিবাৰণ কাৰ্য্য আদি ভালেমান কাৰ্যত ছাত্ৰসকলে উঠি-পৰি লগা দেখা যায়। ছাত্ৰসকলে সমাজ সংগঠনৰ কাৰণে গ্ৰাম্য উন্নয়ন আঁচনি কাৰ্য্যকৰীকৰণ, সামাজিক শিক্ষা, বয়স্কলোকৰ শিক্ষা, প্ৰাথমিক চিকিৎসা আৰু স্বাস্থ্য ৰক্ষা, চাফাই আদি কামত অংশ গ্ৰহণ কৰা দেখা যায়।

প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ছাত্ৰসকলে দলবদ্ধভাৱে সংঘবদ্ধ হৈ গাঁৱে-ভূঞে, নগৰে চহৰে গৈ বিভিন্ন দান বৰঙণি সংগ্ৰহ কৰি বিপদগ্ৰস্ত সকলক খাদ্য আৰু কাপোৰ কানিৰে সহায় আগবঢ়োৱা দেখা যায়। সমাজৰ বাবে ছাত্ৰৰ এইটো এটা মহৎ কৰ্তব্য। ভোকত এমুঠি আহাৰ, পিয়াহত এটোপা পানী, জাৰত এখনি বস্ত্ৰ দি সহায় কৰিব পৰাটো ছাত্ৰৰ এটা মহৎ কৰ্তব্যই নহয়; মহৎ ধৰ্মও।

সমাজৰ সংগঠনমূলক বহু কাৰ্যতো ছাত্ৰই প্ৰধান পথ প্ৰদৰ্শক যাতায়ত স্বৰূপ হৈ পৰে। গাওঁ বিলাকৰ যাতায়াত ব্যৱস্থাটো বৰকৈ উন্নত নহয়। মানুহ স্বাস্থ্য ৰক্ষাৰ নীতি নিয়মৰ প্ৰতি আগ্ৰহশীল নহয়, চিন্তাও নাই। বৰ্তমান কালতো পিছৰপৰা সমাজত শিক্ষাৰ প্ৰতি ধাউতি নথকা দেখা যায়। তেনে অৱস্থাত ছাত্ৰসকলৰ পালন কৰিব লগীয়া বহু দায়িত্ব আহি পৰে। তেনে সমাজক যিকোনো প্ৰকাৰে ছাত্ৰসকলেই শিক্ষামুখী কৰি তুলিব লাগে।

সমাজ সংগঠনৰ ক্ষেত্ৰত ছাত্ৰসমাজৰ সামাজিক শিক্ষাৰ ভূমিকা উল্লেখ কৰিব পাৰি। ছাত্ৰসকলে কিতাপ পত্ৰ সংগ্ৰহ কৰি গাঁৱে গাঁৱে কম খৰচতে পুথি ভঁৰাল প্ৰতিষ্ঠা কৰিব পাৰে। পুথিভঁৰাল হ'ল গঞা ৰাইজৰ একমাত্ৰ জ্ঞানবিকাশৰ কেন্দ্ৰ। সেয়ে পুথিভঁৰাল প্ৰতিষ্ঠা কৰি গঞা ৰাইজৰ জ্ঞান বিকাশৰ ক্ষেত্ৰত ছাত্ৰসমাজে যথেষ্ট বৰঙণি যোগায়।

সমাজ সংগঠনৰ খাতিৰত ছাত্ৰসমাজে সমাজ সংস্কাৰৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। বিশেষকৈ সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা দেখা যায়। শিক্ষিত ছাত্ৰসমাজে প্ৰচলিত অবৈজ্ঞানিক পুৰণিকলীয়া ৰীতি-নীতি প্ৰত্যাখ্যান কৰি আধুনিক নীতি প্ৰবৰ্তন কৰাৰ ওপৰত গুৰুত্ব দিয়ে। পুৰণি এলান্ধুকলীয়া কিছুমান ৰীতি-নীতি দূৰ কৰাটো ছাত্ৰৰ কৰ্তব্য।

বিহু, তিথি, পূজা-পাৰ্বণ, উৎসৱ আদিত সহযোগিতা কৰি ৰাইজৰ মাজত নতুন আদৰ্শ দাঙি ধৰিব পাৰে একমাত্ৰ ছাত্ৰ সমাজে। একতাৰ, সংহতিৰ আদৰ্শ দাঙি ধৰিব পাৰে ছাত্ৰসমাজে। বৰ্ত্তমান পৃথিৱীত গঢ় লৈ উঠিছে সমবায়ৰ যুগ। বিদ্যালয়সমূহত সমবায় শিক্ষা দিয়া হৈছে। খেতি-বাতি, বেহা-বেপাৰ আদিৰ ক্ষেত্ৰত ছাত্ৰসকলে সমবায়ৰ ভূমিকাৰ বিষয়ে মানুহক বুজাই দি সমাজত কেনেধৰণে উন্নতি সাধন কৰিব পাৰে তাৰ আদৰ্শ ছাত্ৰসকলে দেখুৱাব পাৰে।

ছাত্ৰ শক্তি হ'ল একত্ৰিত শক্তি। সাধাৰণ মানুহৰ শক্তিতকৈ ছাত্ৰৰ শক্তিৰ প্ৰাধান্য বেছি। ছাত্ৰৰ হাতত প্ৰৱল উৎসাহ, উদ্দীপনা আৰু প্ৰৱল সাহস আছে। সেয়ে ছাত্ৰই সমাজৰ প্ৰতিখোজতে দ্ৰুত গতিত আগবাঢ়িব পাৰে।

ছাত্ৰৰ চুচকুত আছে তীব্ৰ, উজ্জ্বল দৃষ্টি আৰু বুকুত দিগন্ত প্ৰসাৰী কল্পনাৰ ৰঙীন ছবি। লক্ষ্য সাধনত ছাত্ৰৰ প্ৰবল আগ্ৰহ আছে। জানিবলৈ ব্যগ্ৰ, চাবলৈ উদগ্ৰীৱ উৎকণ্ঠা, জ্ঞান লাভৰ তৃষ্ণা অনুসন্ধিৎসু চাৰনি ছাত্ৰৰ মাজত প্ৰৱাহমান। ছাত্ৰসকল সমাজৰ সদাজাগ্ৰত প্ৰহৰী। সমাজত যদি অন্যায়, অবিচাৰ, অসত্যতাই দেখা দিয়ে, তেন্তে ছাত্ৰসকলে জ্বালামুখীৰ দৰে উদগ্ৰ হয়; তাৰ প্ৰতিকাৰ বিচাৰি ছাত্ৰসকলে অতিশয় অস্থিৰ আৰু উত্তেজিত হয়।

আজি-কালি ছাত্ৰসকলক সংঘবদ্ধভাৱে আৰু প্ৰণালীবদ্ধভাৱে সমাজ সেৱাৰ কাৰ্যসূচীত ভাগ লবৰ বাবে সুযোগ দিব পৰা ভালেমান ৰাষ্ট্ৰীয় সংগঠন আছে। সেই ৰাষ্ট্ৰীয় সংগঠন বিলাকৰ ভিতৰত হৈছে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, স্কাউট আৰু গাইড, ৰাষ্ট্ৰীয় সেৱা আঁচনি এন এচ, এচ) আৰু নেহৰু যুৱক কেন্দ্ৰ। এই অনুষ্ঠানবিলাকে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰা দেখা যায়।

দেশৰ ভৱিষ্যত ছাত্ৰ সমাজে ছাত্ৰ অৱস্থাতে নিজকে ভৱিষ্যতৰ বাবে সু-নাগৰিক ৰূপে গঢ়ি তোলাটো নিতান্ত বাঞ্চনীয়।

---

"আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।"

— ছক্ৰেটিছ।

"নিজকে কেতিয়াও ভয় নকৰিবা; জীৱন যাপন প্ৰক্ৰিয়াত নিজৰ ব্যক্তিত্বক সম্পূৰ্ণ ৰূপে বিকশিত কৰি তুলিবা; কিন্তু তাকে কৰিবা আনৰ মঙ্গলৰ কাৰণে।" —হেমাৰশ্বল্ড

সংগ্ৰাহক

—ভবেশ গগৈ



(ৰস ৰচনা)

# লিখিব নোৱাৰিয় নেকি?

—ৰাতুল খনিকৰ

স্নাতক দ্বিতীয় বাৰ্ষিক

মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদকে দিলেহি নহয় জাননী এপাত মাৰি। মই অধমে পঢ়ি পেলালো বাপেকে। পঢ়ি গম পালো মহাবিদ্যালয়ৰ এই বছৰৰ আলোচনী প্ৰকাশ কৰিবলৈ লৈছে। আলোচনীৰ বাবে কবিতা, গল্প, ৰস ৰচনা, আত্মজীৱনী, প্ৰবন্ধ ...... ইত্যাদি ইত্যাদি লাগে। মানে কি কব, কৈছো নহয় আপোনাৰ বজাৰ কৰিবলৈ লিখি নিয়া ওপৰলৈ মুখ কৰি থকা টিক টিকিয়া ৰঙা জলকীয়াৰ পৰা মনে মনে বহি থকা সেই পিয়াঁজটোলৈকে লিখা তালিকা খনেই আৰু! কিমান চকু ফুৰাব এই অধমে যিপাতহে জাননী মাৰি দিলেহি তলৰ পৰা ওপৰলৈ চাওঁতে বাপেকে এই অধমৰ চকু মাৰ্বল গুটি ঘূৰাৰ দৰে ঘূৰিবলৈ ধৰিলে। আঁতৰি আহিলো অভাগাই। কি হ'ব চকুৰ পৰা পানী উলাবলৈ ধৰিলে; একেবাৰে দিহিং নৈৰ দৰে। দিহিং নৈৰ পানী বন্ধ কৰিবলৈ হাতখনে চেষ্টা কৰি থাকোতে বন্ধু এজনে আহি কলেহি নহয় "ঐ তই ৰস ৰচনা এটা লিখিবি"। কি হব উপায় নাই। চকুৰে "চিনেমা"ৰ বিলকে বিল দেখিছো, তাতে আকৌ কৈছেহি ৰস ৰচনা এটা লিখিবলৈ। অৱশেষত যেনিবা চকু কেইটা ভাল হলগৈ তেও তেৰাৰ কৃপাত দেই। চকুকেইটা ভাল হবলৈ আধা ঘণ্টা ২৯ মিনিট ৬০ চেকেণ্ড লাগি গ'ল। মহাবিদ্যালয়ত আৰু বৈ নাথাকিলো। চাইকেলখনত উঠি-লৈ মাৰি দিলো নহয় পেদেল পাট কিমান যাৱ যা বুলি। পিছে কি হব ঘৰ পাওঁতে ৫৯ মিনিট ৬০ চেকেণ্ড লাগি গল। পালোহি আৰু যেনে তেনে। চকুকেইটা আৰু মুখখন ধুওঁ বুলি গলো দমকলটোৰ ওচৰলৈ। দমকলটোৰ ওচৰ পাওঁতে লগাল নহয় বুঢ়ী আইতাই মাত; বাপুকন 'টিউৱেল'টোৰ এচাই পৰি আছে, এচাই পৰি আছে।" এই অধমে ততকে ধৰিব পৰা নাছিলো। অ' কথাৰ গুৰি ক'ৰবাত। পিছতহে গম পালো এচাই নহয় "ওৱাচাৰ" খনহে পৰি আছে। কি হব এই অভাগাৰ ভাগ্যত। চাওঁকচোন মহাবিদ্যালয়ত জাননী পাট চাওঁতে যি কাণ্ড কাৰখানা হ'ল, ঘৰতো এইবিলাক হ'ব লাগেনে? নহ'ব নহ'ব এই অধমৰ একো নহ'ব। বুঢ়ীয়ে কেকো জেকোকৈ ভিতৰৰ পৰা পানী এঘটি আনি দিলেহি; তাকে স্তুকুতাকে মুকুতা কৰি ধুলো আৰু যেনে-তেনে।

এইবাৰ এটা কলম লৈ মোৰ এই হেলেক-ধেলেক কৰি থকা টেবুলৰ ওচৰত বহিলো। মনলৈ আহিল নহয় কথাটো, মানে ৰস ৰচনা লিখা। ভাবিলো ৰস ৰচনাকে এটা লিখো বুলি। বহীখন আনি লিখিবলৈ ঠিক কৰি ললো। অ' ৰস ৰচনা বুলিলে মই আকৌ ভাবিছিলো কিবা ৰসাল ফলৰ বিষয়ে লিখা ৰচনা বুলি। পিছতহে বুজি পালো, ই মই ভবামতে নহয়। কি বিলাক যে মই ভাবো আৰু দিয়কচোন। এইয়া দেখিলেনে কিবা এটা লিখাৰ মানসেৰে কলম ডাল তুলি ললো; ই, কেইটামান শব্দ লিখাৰ লগে লগে গল নহয় "কাৰেণ্টটো" একেবাৰে ল'ৰাই ছোৱালীক চকু টিপ মৰাৰ দৰে। চকুৰে একেবাৰে জিলমিল দেখি গলো

নহয় বাপেকে । বুঢ়ী আইতাক কলো চাকি এটা দিবলৈ । আইতাই কলে— "কাচতেল" নাই । চাকি নজ্বলে । উপায় নাই, বুঢ়ী আইতাই কেৰাচিন তেল বুলি নকৈ আকৌ কলে নহয় "কাচতেল" বুলি । কি হব অলপ পাছত 'কাৰেন্টটো' আহিল । আহিলেও কি হব এই অভাগাৰ ভাগ্যত কিবা এটা লিখাৰ ভাগ্য নাই যেন পাইছো । অহুকানে পহু-কানে কোৱা শুনিছো কিবা এটা লিখিবলৈ বা জীৱনত উন্নতি কৰিবলৈ প্ৰেৰণা লাগে। তাহানি ডান্টেকো কোনোবা ছোৱালীয়ে লিখ-নিৰ বাবে প্ৰেৰণা দিছিল । এহ ছোৱালী জনীৰ নামটো পাহৰিলো দেখোন; মনতে নাই । এই অধমে কিমাননো ছোৱালীৰ নাম মগজত ভৰাই থবহে; পাৰিলে আপোনাসবে মনত পেলাই লব ।

পিছে মোকনো কোনে প্ৰেৰণা দিব । নাই নহব কোনেও নিদিয়ে । ছোৱালী নালাগে সেই কাৰেণ্টটোলৈকে মন কৰকচোন । ইমান আমন জীমনকৈ হেলেক-ধেলেক কৰি থকা টেবুলখনত বহীখন থৈ কলমডালে কেইটমান শব্দ লিখাৰ লগে লগে গ'ল 'কাৰেন্টটো ।' এই অধমে কলো নহয় আপোনাক চকুটিপ মাৰি কাৰেন্টটোৱে নাকত ধৰি চাকত ঘূৰাই বুজিছে । ভাত খাবৰ হব তেতিয়াই মাৰিব নহয় চকু টিপ আকৌ মনোযোগে কিতাপ পঢ়িব, তেতিয়াই মাৰব নহয় চকুৰ টিপ । টিপেই টিপ কিমান মাৰে হিচাপ নাই । গ'ল নহয় কাৰেন্টটো । আজি আৰু ৰস-ৰচনা লিখা নহব যেন পাইছো ।

কাৰেন্টটো অহাৰ লগে লগে লিখিবলৈ বহিলো । পিছে কি হব মনে মনে লিখি থাকোতে পালেহি নহয় এটা হাঁহি হাঁহি । চিঠি লিখিছো বুলি নিলে নহয় বহীখন টানি, পঢ়ি চালে নহয় । সি কৈ উঠিল ৰস বচনা! থ থ ৰস ৰচনা লিখিবলৈ । সাহিত্যিক হব নালাগে থ । সি যি বক্তৃতা দিবলৈ ধৰিলে; এই অধমৰ মূৰ একেবাৰে চকৰি ঘূৰাৰ দৰে ঘূৰিবলৈ ধৰিলে । কি হব; ৰস-ৰচনা লিখি-বলৈ ললো লগালেহি নহয় থেলিমেলি ।

এহ নহব আৰু নহব । মোৰ এই জীৱ-নত ৰস-ৰচনা লিখা নহব । চাওঁকছোন সিখি-বলৈ মোৰ কিমান হেপাহ কিমান আশা, তথাপিও নোৱাৰো । মানে ডাকৰ বচনত কয় নহয়- "ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি," ঠিক মোৰ দষা একেই হৈছে । প্ৰতিটো পদক্ষেপতে বাধা । মানে মোৰ কি কৰো কি নকৰো লাগি গ'ল । লগে লগে ৰস ৰচনা লিখাৰ কথা পাহৰিবলৈ চেষ্টা কৰি-লো । বেয়া নাপাব । আপোনালোকৰ মনৰ আশা এই অধমৰো অধমে পূৰণ কৰিব নো-ৱাৰিলো । এই অধমক তেৰা সবে নিজগুণে ক্ষমা কৰে যেন ; পাছে পৰে ডান্টেৰ নিচিনাকৈ কোনেবোই যদি প্ৰেৰণা দিয়ে লিখিবলৈ চেষ্টা কৰিম । আহিছোঁ আজিলৈ সেৱাহে মাগিছোঁ।





(চুটি গল্প)

# উপলব্ধি

—বন্দনা কাকতি
উঃ মাঃ ২য় বৰ্ষ

মালাই টিউচনটো কৰি আহি ঘৰ সোমা-ওতে সন্ধ্যা লাগিছিল । মাকে চাকি এটা লৈ পদুলিলৈ ওলাই আহিছিল । হাত মুখ ধুই ভাতকেইটা খায়ে তাই বিছনাত শুই পৰিছিল । মালাই সিহঁতৰ গাঁৱৰ পৰা ২ মাইল আঁতৰৰ দিগন্ত ঠিকাদাৰৰ জীয়েকক টিউচন কৰিবলৈ সদায় দিনৰ ১ বজাত ওলাই যায় আৰু ঘূৰি আহোতে কেতিয়াবা গধূলি হয় । টিউচন কৰি যিকেইটা টকা পায় সেইকেইটা ভায়েক ভনীয়েক দুটাক পঢ়া খৰছ দিবলৈও কম হয় ।

দেউতাকে তাইক বৰ কষ্টেৰে কলেজত পঢ়াইছিল । তাই কতো এবাৰো ফেইল নকৰাকৈ বি এ, টো অনাৰ্চ সহ পাছ কৰিছিল । তাইৰ আৰু পঢ়াৰ ইচ্ছা আছিল যদিও ঘৰৰ অৱস্থাই চাই তাই এটা চাকৰি কৰাৰ কথাহে ভাবিলে । মাক দেউতাকে আশা কৰিছিল তাই পঢ়ি-শুনি চাকৰি বাকৰি কিবা এটা পাব আৰু বুঢ়া বয়সত অন্ততঃ কিছু সুখৰ মুখ দেখিবলৈ পাব ।

কিন্তু আজি মালাক হতাশাই মনটো অধিক দুৰ্বল কৰি তুলিছে । কাৰণ আজি ৪/৫ বছৰে টলৌ-টলৌকৈ ঘূৰি কতো এটা চাকৰি পোৱাৰ সৌভাগ্য নঘটিল । কত ইণ্টা-ৰভিউ দিলে, কিমান অফিচে অফিচে ঘূৰিলে, বহুত অফিচাৰক লগ ধৰিলে, কিন্তু ফল নধৰিল ; তাই ভাগৰি পৰিল ইণ্টাৰভিউ দি । মালাই ভাবে তাইৰ দৰে দুখীয়া নিচলাবোৰৰ কাৰণে চাকৰিটো এক প্ৰকাৰ বিলাসৰ সামগ্ৰীৰ নিচিনা হৈ পৰিছে । এতিয়ালৈকে যিমান ইণ্টাৰভিউ দিলে, প্ৰত্যেকবাৰে তাইৰ ইণ্টাৰভিউ ভালেই হৈছিল । তাই প্ৰতিটো প্ৰশ্নৰ যথাযথ উত্তৰ দি গৈছিল । কিন্তু চাকৰি নোপোৱাৰ আচল কেৰোণটোনো ক'ত তাকেহে তাই বুজি নাপায় । চাকৰি বিচাৰি ঘূৰি ফুৰি তাই ভাগৰি পৰিল । চাকৰিৰ আশা এৰি তাই টিউচন কৰিবলৈ লাগিল । নহলে দেউতাকে বুঢ়া-বয়সত কষ্ট কৰি হাজিৰা কৰি সিহঁতক কিমান পিন্ধাব খোৱাব ! মাক দেউতাকৰ তাইৰ ওপৰত বৰ আশা কাৰণ তাই ঘৰখনৰ ডাঙৰ ছোৱালী । তাই ভায়েক ভনীয়েক দুটাক ভাল মানুহ কৰাৰ সপোন দেখে । কিন্তু তাই আজি সংস্থাপনহীন । চাকৰিৰ নামত কিবা এটা পালেই কৰিবলৈ তাই প্ৰস্তুত । কিন্তু তাই দুৰ্ভগীয়া, এটা সাধাৰণ চাকৰিও আজিলৈকে নহলগৈ ।

মালাই তাইৰ জীৱনটো দুখৰ মাজেৰে পাৰ কৰি দিছে । তাইৰ জীৱনত এনে কিছু-মান ঘটনা ঘটি গ'ল, যিবোৰ নেকী তাই পাহৰিবলৈ চেষ্টা কৰিলেও বাৰে বাৰে মনত আঘাট দিয়েহি । আজিও মানস পটত ভাহি উঠিছে বহুত কথা, বহুত মধুৰ স্মৃতিৰ টুকুৰা। কিন্তু সেইবোৰে মালাৰ মন কোমলাব পৰা নাই । নোৱাৰেও, বৰং তাইৰ মন আগতকৈ আৰু কঠোৰহে কৰিব । কৰিবই লাগিব, তাই যিমানেই ভাবিছে, সিমানেই তাইৰ অন্তৰাত্মাই হাঁহাকাৰ কৰি উঠিছে । কান্দি কান্দি মালা ভাগৰি পৰিছে । কেৱল কান্দিয়েই জানো কষ্ট লাঘৱ কৰিব পাৰি ?

তেজপুৰ চহৰৰ মৃনাল বৰুৱাৰ লগত তাই এদিন চিনাকি হৈছিল, সিহঁতৰ গাঁৱৰ অতুল মাষ্টৰৰ জীয়েকৰ বিয়াত । মৃনাল অতুল মাষ্টৰৰ ভাগিন । চিনাকি হোৱাৰ পিছৰে পৰা

মৃনাল প্ৰায় মালাহঁতৰ ঘৰলৈ আহিছিল । লাহে লাহে সিহঁতৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল । সময় পাৰহোৱাৰ লগে লগে সিহঁতৰ মাজৰ সম্পৰ্ক আৰু গভীৰ হৈ আহিছিল । ইজনে সিজনক বুজি পাইছিল, মৰম কৰিছিল । সি প্ৰতিশ্ৰুতি দিছিল, তাইক নিজৰ কৰি লোৱাৰ । মালাৰ মাক-দেউতাকক সি তাইক বিয়া কৰোৱাৰ কথা কৈছিল । মাক-দেউতাকে তাৰ কথাত কৈছিল "তুমি বোপা ধনী ঘৰৰ ল'ৰা; তোমালোকৰ লগত আমাৰ জোৰ ক'ত মিলিব ?' সি কৈছিল –"মৰমে জানো ধনী দুখীয়া, জাতি অজাতি চিনি পায় ? এইবোৰ কথা আপোনালোকে অলপো চিন্তা নকৰিব ।" কিন্তু ...... ? সেই মৃনালেই তাইক এদিন প্ৰতাৰণা কৰি আঁতৰি গৈছিল । যোৱা মাহত সিহঁতৰ গাঁৱৰে দিগন্ত মহাজনৰ জীয়েক বন্তীৰ লগত তাৰ বিয়া হৈ গ'ল; সিহঁতৰ ঘৰৰ আগেদি দৰা আহিছিল আৰু গৈছিল । ৰাস্তা গাড়ীৰে নধৰা হৈ গৈছিল । সেইবোৰ দেখি মালাৰ ধৈৰ্য্য ধৰাৰ শক্তি শেষ হৈ পৰিছিল । গোটেই পৃথিৱীখন তাই অন্ধকাৰ দেখিছিল । তাই যেন একো দেখা নাই, বুজা নাই । জীৱনৰ বাটত তাই দেখিছে শূন্যতা । শূন্যতাই যেন তাইক স্তব্ধ কৰি ৰাখিছে । তাই বিছনাত পৰি হুক হুকাই কান্দিছিল । কিহৰ পৰা কি হ'ল তাই বুজিবই নোৱাৰিলে । মৃনালৰ ইমান গভীৰ মৰমবোৰৰ মাজতো যে এক বিষাক্ত সাপ শুই আছে তাই ভবাই নাছিল । মৃনালৰ ভালপোৱা স্নেহ তেন্তে কৃত্ৰিম ক্ষন্তেকীয়া ।

মালাই যি ভাবিছিল সকলো বৃথা হ'ল, তাইৰ সপোন ভাগিল । এতিয়া তাই বুজিব পাৰিছে, উপলব্ধি কৰিছে । এদিন মৃনালে তাইক কৈছিল — "তুমি দুখীয়া বুলি নিজকে হেয় জ্ঞান কৰি নাথাকিবা, মই ধনী হলেও এই পৃথিৱীৰে মানুহ আৰু চাবা, মই তোমাক এদিন মোৰ কৰি লমেই ।" তেন্তে সেইবোৰ আছিল মৃনালৰ মন ভুলোৱা কথাৰ ফুলজাৰি। তাইক মাক দেউতাকে বহুত বুজালে । কৃত্ৰিম পৃথিৱীৰ সকলো কৃত্ৰিম । দেউতাকে তাইক কৈছিল--"যুগে যুগে ধনীয়ে দুখীয়াক হেয় জ্ঞান কৰি আহিছে, মানুহ চিনি পোৱা জটিল আই ।"

এদিন মৃনাল আৰু মালাৰ ইমান গভীৰ সম্পৰ্ক দেখি তাইৰ লগৰ জীতাই কৈছিল- "জানা মালা, সি হৈছে ধনী ঘৰৰ ল'ৰা, তাতে আকৌ ভাল চাকৰিও কৰে তোমাৰ দৰে এজনীক যে সি নিজৰ কৰি লব মই বিশ্বাস কৰিবলৈ অলপ টান পাইছোঁ । এনেদৰে কোৱাৰ বাবে তুমি বেয়া নাপাবা । তোমাক মই নিজৰ বান্ধৱী বুলি ভাবিহে এই কথা কৈছোঁ ।" তেন্তে -- জীতাই মৃনালৰ ভিতৰৰ মানুহটোকে বুজিছিল নেকি ? জীতাইও জীৱনৰ বাটত এনেকুৱা কাৰ্যত উজুটি খাইছে নেকি ? নহলে তাই তেনেকৈ কিয় ভাবিছিল ? মালাই আজি মৰমৰ মৰ্য্যদা বুজি পালে । মালাই মৃনালক ভাল পাইছিল, মৰম কৰিছিল আৰু বিশ্বাস কৰিছিল । কিন্তু সি তাইক বিশ্বাস-ঘাটকতা কৰিলে । তাই এই কথা কেতিয়াও ভবা নাছিল । তাইৰ মৰমক মৃনালে ভৰিৰে গছকি নিঃশেষ কৰিলে । তেন্তে তাই............ ?? মালাই ভাবিলে জীৱনত আৰু কোনো দিনেই নিজৰ পৰা ওপৰলৈ নুঠে । তাই সে ইদিনা গভীৰভাৱে উপলব্ধি কৰিলে সিহঁতৰ দৰে দৰিদ্ৰ অৱস্থাৰ মানুহ মৃনালহঁতৰ অৱস্থাৰ লগত কেতিয়াও খাপ খাব নোৱাৰে । মালাই জীৱনত প্ৰথম উপলব্ধি কৰিলে আৰু প্ৰথম শিক্ষা পালে; মানুহৰ অন্তৰ কিমান নিষ্ঠুৰ



হব পাৰে । তাই মৃনালক ভাল পাইছিল, সেইবাবে আজি তাই উপলব্ধি কৰিছে আৰু পাৰে মানে কান্দিছে । তাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে নিজৰ ভুল ।

লাহে লাহে এইবোৰ কথা পাহৰি যাবলৈ তাই চেষ্টা কৰিছিল । তাই বুজিব পাৰিছিল এই সংসাৰত মানুহৰ মৰম দুদিনীয়া । নিজৰ মাক-দেউতাকৰ বাহিৰে আৰু কোনো নাই । মাক-দেউতাকৰ মৰমৰ বাবেহে তাই জীয়াই আছে আৰু থাকিবই লাগিব । তাই নিজৰ ভায়েক ভনীয়েক দুটাক মানুহ কৰি তুলিবই লাগিব । তাৰ কাৰণে তাই সকলো কৰিবলৈ প্ৰস্তুত । সিহঁতৰ নিচিনা সমাজৰ অৱহেলিত মানুহবোৰে নিজেই নিজৰ পথ ৰাচি লব লাগিব । তাই ঠিক কৰিলে যে তাই আৰু চাকৰি বিচাৰি ঘূৰি নুফুৰে, গাঁৱতে এখন স্কুল খুলি সিহঁতৰ দৰে সৰ্বহাৰা শ্ৰেণীৰ কণ কণ মইনাহঁতক জ্ঞান দিব আৰু এটা নতুন জীৱন আৰম্ভ কৰিব ।

---()---

"সাহিত্য সদায় জীৱন আৰু সমাজৰ লগত জড়িত থাকে । ই জীৱন আৰু সমাজক নকল নকৰে, কেৱল ইয়াৰ উদ্দেশ্যৰ ফালে ধাৰমান হয় ।"

অস্কাৰ ৱাইল্ড

সংগ্ৰাহক

ৰিজু বৰঠাকুৰ

"প্ৰকৃতপক্ষে সংস্কৃতি হৈছে সামাজিক প্ৰকাশ । সেইবুলি সংস্কৃতি সভ্যতা নহয় । সংস্কৃতি সভ্যতাৰ পটভূমিত গঢ়ি উঠে যদিও উচ্চ পৰ্য্যায়ৰ সংস্কৃতিবিহীন সভ্যতাৰ উদাহৰণো বুৰঞ্জীত বিৰল নহয় । সভ্যতাৰ অৰ্থ হৈছে সংস্কৃতিয়ে নিৰলে পোখা মেলিব পৰা সুশৃংখল সমাজ ।"

হেম বৰুৱা

সংগ্ৰাহক

দেবানন্দ বৰুৱা

# প্ৰবন্ধ

## ইংৰাজ কবি "পাৰ্চী বিচী শ্যেলী"

—জুলি দত্ত
স্নাতক ১ম বাৰ্ষিক

পাৰ্চী বিচী শ্যেলীৰ জন্ম হয় ১৭৯২ চনত ইংলণ্ডৰ চাচেক্স ফিল্ড প্ৰেছত । তেওঁ দেখিবলৈ অত্যন্ত সুন্দৰ আছিল । দীঘল জোপোহা চুলি, ডাঙৰ ধুনীয়া নীলা চকু আৰু কল্পনাৰ দেৱদূতৰ দৰে সুন্দৰ মুখৰ অধিকাৰী আছিল শ্যেলী । তেওঁ কোনো নীতি নিয়মত চলা কথা ভাল নাপাইছিল । তেওঁৰ মন আছিল সদায়েই অশান্ত । কিন্তু অশান্ত হলেও শ্যেলীৰ অন্তৰ আছিল ফুলৰ দৰেই কোমল ।

শ্যেলীৰ সৰুৰেপৰাই বিদ্ৰোহী ভাবধাৰা প্ৰকাশ পাইছিল । তেওঁ একো অনাচাৰ, অবিচাৰ সহ্য নকৰিছিল । শিষ্টাচাৰৰ বিষয়ে সৰুৰেপৰা বেচি সচেতন হোৱাৰ বাবে অভদ্ৰ আচৰণৰ পৰা হাত সাৰিবলৈ তেওঁ সততে লগৰীয়াৰ পৰা আঁতৰি ফুৰিছিল । যেতিয়া তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ত পঢ়ি আছিল তেতিয়া তেওঁৰ বিদ্ৰোহী ভাবধাৰা বেছিকৈ পোখালে । বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাত তেওঁ 'হিউম পঢ়ি 'ডা নেছেচিটি অব এথীজিম' অৰ্থাৎ নাস্তিকতাবাদৰ প্ৰয়োজনৰ বিষয়ে লিখিলে । অক্সফৰ্ডত হুলস্থুল লাগিল । তেতিয়াই বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই শ্যেলীক বিশ্ববিদ্যালয়ৰপৰা বহিষ্কাৰ কৰিছিল । জ্ঞান লাভৰ প্ৰতি তেওঁৰ আছিল প্ৰবল ধাউতি । সেইহে তেওঁ ছাত্ৰজীৱনত পাঠ্যপুথিতকৈ বাহিৰা কিতাপ অত্যধিক পঢ়িছিল ।

কল্পনাপ্ৰৱণ শ্যেলীয়ে এদিনাখন ভনীয়েকৰ বৰ্ডিংস্কুললৈ যাওঁতে ১৬ বছৰীয়া হেৰিয়েট ৱেষ্টব্ৰুকক লগ পায় । এই লগপোৱাই গতি কৰিলে ভালপোৱালৈ । হঠাৎ এদিন শ্যেলীয়ে হেৰিয়েটক এডিনবাৰ্গ লৈ লৈ গৈ বিয়া কৰালে । শ্যেলীৰ বয়স তেতিয়া মাত্ৰ ১৯ বছৰ । তেওঁলোকৰ সংসাৰখন সুখেৰেই পাৰ হৈছিল । হেৰিয়েটৰ দুটি সন্তানৰ মাতৃ হ'ল । কিন্তু আচৰিতভাৱেই তেওঁলোকৰ জীৱনলৈ এজাক কালধুমুহা আহিল আৰু সেই কালধুমুহাই তেওঁলোকৰ সুখী সংসাৰখনলৈ এটা অশান্তিৰ বোজা কঢ়িয়াই আনিলে । ১৮১৪ চনত শ্যেলী আৰু হেৰিয়েটৰ বিবাহ বিচ্ছেদ হ'ল ।

এইবাৰ শ্যেলীয়ে লগ পায় দাৰ্শনিক ও উপন্যাসিক গড উইনক । তেওঁ গড উইনৰ সাম্য মৈত্ৰী আৰু নৈৰাজ্যবাদৰ ভাবধাৰাত মুগ্ধ হৈছিল । ইয়াৰ উপৰিও তেওঁ বেছিকৈ মুগ্ধ হৈছিল গড উইনৰ জীয়ৰী মেৰী গড উইনৰ প্ৰতি । এইদৰেই শ্যেলী আৰু মেৰী গড উইনৰ সম্বন্ধ গভীৰভাৱে গঢ়ি উঠাত এদিন দুয়ো চুইজাৰলেণ্ডলৈ গুছি গল আৰু তাতে তেওঁলোক বিবাহ পাশত আবদ্ধ হ'ল । ইফালে হেৰিয়েট ৱেষ্টব্ৰুকে এই কথা গম পায় আত্মহত্যা কৰিলে । ৰোমত তেওঁ চাৰিটা বছৰ থকাৰ পাছত লগ পালে লণ্ডন এৰি যোৱা বায়ৰণক । ৱড ছৱৰ্থৰ ওপৰত বায়ৰণৰ প্ৰভাৱ পৰাৰদৰে শ্যেলীৰ ওপৰতো ফৰাছী বিপ্লৱে প্ৰভাৱ পেলাইছিল । শ্যেলীয়ে মানুহৰ মুক্তিৰ বাবে বিপ্লৱৰ জয়গান গাওঁতে দেখা পাইছিল সমাজত অন্যায়, অবিচাৰ, অনাচাৰ, ধৰ্মৰ নামত অন্ধৰ গোড়ামি ইত্যাদিবিলাক । তেওঁৰ কাব্যিক চিন্তাধাৰাৰ মাজেদি প্ৰকাশ পাইছিল মানৱৰ মংগল কামনা । শ্যেলিৰ লিখনিত



প্ৰকাশ পালে—"ডা ৰিভল্ট অব ইছলাম," "প্ৰমিথিয়াচ আনবাউণ্ড," "কুইন মেব," "অ'ড টু-লিবাৰ্টি," "অ'ড-টু-নেপোলচ," ইত্যাদি কবিতাত তেওঁ প্ৰতিবাদৰ সুৰ দি শুনাইছিল ।

তেওঁৰ "কুইন মেব"-ত আদৰ্শবাদৰ অনুপ্ৰেৰণা যোগাইছিল সমগ্ৰ মানৱজাতিলৈ । তেওঁ ১৮ বছৰ বয়সতে "কুইন মেব" লিখিবলৈ আৰম্ভ কৰি প্ৰায় ২ বছৰৰ ভিতৰত সমাপ্ত কৰিছিল । "কুইন মেব"-ত প্ৰকাশ পোৱা মতে 'মেব' এগৰাকী পৰীৰাণী । তেওঁ এজনী কুমাৰী ছোৱালীক টোপনী গৈ থকা অৱস্থাত সপোনত আত্মাক সৌৰ জগতৰ বহিৰ্ভূত মহাকাশলৈ স্বৰ্গীয় ৰথত লৈ গৈ পৰীৰাণীয়ে কুমাৰী ছোৱালীজনীক পৃথিৱীৰ দুখৰ কাহিনী ক'লে যে—"মানুহে পৃথিৱীত নানান কষ্ট ভোগে, দুখ পায় ইয়াৰ কাৰণ হ'ল মানুহৰ স্বাৰ্থপৰতা । প্ৰত্যেকজন মানুহেই মানুহক সুখী কৰিবলৈ শিকিব লাগে । চোৰাচোনবাক অতীজত পৃথিৱীত কিমান যুদ্ধ-বিগ্ৰহ কিমান সংঘৰ্ষ হৈছিল । অতীত কীৰ্তিৰ ক'ত ধ্বংসাৱশেষ আছে । মানুহৰ প্ৰভুত্ব স্পৃহা শেষ হওঁক, নতুন যুগ আহক ।"

কবি স্বৰূপে শ্যেলীৰ প্ৰকৃত পৰিচয় পোৱা যায় গীতিকবি ৰূপত । সমালোচক সকলে তেওঁকেই সৰ্বশ্ৰেষ্ঠ গীতিকবি হিচাপে অভিহিত কৰিছে । চুইনবাৰ্ণে শ্যেলীক গীতিকবি বুলি বৰ্ণনা কৰি কৈছিল,—"গায়কসকলৰ ভিতৰত তেওঁ আছিল অপ্ৰতিদ্বন্দী আৰু শ্ৰেষ্ঠ গায়কদেৱতা ।" শ্যেলীৰ গীতি কবিতা স্বতঃস্ফূৰ্ত্ত আৰু সংগীতিকালয় প্ৰধান । অধ্যাপক এলটয়ে কৈছিল,—"শ্যেলীৰ প্ৰতিভা প্ৰকাশ পাইছিল গীতিকবি হিচাপে, ইংৰাজী কবিতাত যিসকল গীতিকবি হিচাপে খ্যাতি থকা কবি আছে সেইসকলৰ ভিতৰত শ্যেলীও অন্যতম । যদি তেওঁৰ গীতি কবিতাৰ আৱেগ, অনুভূতি অগীতি কবিতাতো গভীৰভাৱে সোমাই পৰিছে তেনেহলে সেইবিলাক ছবি প্ৰধান কবিতা, মহাকাব্য নাইবা নাটকেই হওঁক ।" শ্যেলীৰ গীতিকবিতা বিলাক সাধাৰণতে বিষাদপূৰ্ণ আৰু আত্মজীৱনৰ কথাৰে সমৃদ্ধ । এই গীতি কবিতাৰ মাজত তেওঁৰ নিজা জীৱনৰ মৃত্যু দৰ্শনো অন্তৰ্নিহিত হৈ আছে । শ্যেলীৰ গভীৰ মনোভাৱৰ মাজত মানৱজাতিৰ কল্যাণকৰণ ও ভৱিষ্যতৰ আশা নিহিত হৈ আছে । শ্যেলীৰ গীতিকবিতা আলোচনা কৰি এছ. এ ছাইমণ্ডছে কৈছিল,—"তেওঁৰ সমসাময়িক সৰ্বশ্ৰেষ্ঠ কবি কোনো ইমান কাব্যিক প্ৰতিভাৰ নাছিল । তেওঁ আছিল আমাৰ যুগৰ আটাইতকৈ মহৎ কবি ।" শ্যেলীৰ গীতি কবিতাবিলাকৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হ'ল,— স্কাইলাৰ্ক, 'অ'ড-টু-বেষ্ট উইণ্ড,' 'ডা চেনজিটিভ প্লেণ্ট,' আৰু 'লেমেণ্ট' । শ্যেলীৰ অন্যতম চৰিত্ৰকাৰ "আন্দ্ৰে মৰোৱাই" তেওঁক পোহৰৰ দূত বুলি অভিহিত কৰিছিল । মনোভাৱৰ তন্ময়তাত তেওঁৰ মন হয় গগন বিহাৰী । তাত যেন বাস্তৱৰ কোনো সত্তা নাই । মাটিত খোজ নিদি যেনিবা শূন্যতেই উৰি ফুৰিছে । শ্যেলীৰ সম্পৰ্কে প্ৰকাশিত এই ভাৱধাৰা নিহিত হৈছে "স্কাইলাৰ্ক"—ত । ঘন ঘনকৈ ডেউকাকোবাই চকুৰে নেদেখা আকাশৰ কোনোখিনিত স্কাইলাৰ্ক পখীটিয়ে গান গায় । দিনত সূৰ্য্যৰ পোহৰত আকাশৰ তৰা নেদেখাৰদৰে স্কাইলাৰ্ক পখীটি কবিয়ে দেখা নাই; কিন্তু মধুৰ সংগীত দূৰণীৰ পৰাই শুনিছে ।

বেদনাক্লিষ্ট মনৰ কবিয়ে তেওঁ নিজৰ প্ৰাণৰসৈতে পছোৱা বতাহৰ প্ৰাণ একাকাৰ কৰিব বিচাৰিছে । তেওঁ বতাহক অনুৰোধ

কৰিছে যাতে তেওঁৰ মনৰ মৃত ভাৱবোৰ শুকান পাতৰদৰেই আঁতৰাই পেলাই পৃথিৱীত পুনৰ নতুন জীৱনৰ সঞ্চাৰ কৰে। পৃথিৱীত শুই থকা মানৱ জাতিৰ মাজলৈ তেওঁৰ মুখেদি জাগৰণ বাণী সঞ্চাৰিত হওঁক, এয়ে তেওঁৰ আশা। তেওঁ অনুভৱ কৰে শীত আহিলে বসন্তলৈ বেছিদিন নাথাকে। কম্পটন ৰিকেটে কৈছিল,–"ব্যক্তিগত ভাৱধাৰাৰ পৰা কবিতাটি সাৰ্বজনীনতাৰ ফাললৈ আগবাঢ়িছে। পুৰণি পৃথিৱী নিশ্চয় এদিন সলনি হ'ব। জৰ্জৰিত মানৱজাতিৰ বাবে সতেজ, মধুৰ প্ৰতিশ্ৰুতিৰে পৰিপূৰ্ণ হৈ বসন্তকালৰ লগে লগে এখন নতুন পৃথিৱীৰ আগমণ ঘটিব।

শ্যেলীয়ে বিশ্বাস কৰিছিল প্ৰেমৰ উদ্দীপনা প্ৰকৃতিৰ সকলোৰে মাজত বিভক্ত আৰু নিঃশেষ নোহোৱাকৈ থাকে। তেওঁ 'হিম-টু এচিয়া'ৰ আৰম্ভণিতে এই বিশ্বাসকে প্ৰকাশ কৰিব খুজিছে। প্ৰকৃতিৰ মাজত কেনেদৰে মিলনৰভাৱ প্ৰকাশ পাইছে তাক উল্লেখ কৰিছে "লাভ ফিল ছফি" কবিতাটোত। শ্যেলীৰ এই বিশ্বাসৰ ভাৱ আহিছে প্লেটোৰপৰা। প্লেটোৱেও বিশ্বাস কৰিছে প্ৰেমেই বিশ্বব্ৰহ্মাণ্ডৰ আত্মাস্বৰূপ। শ্যেলীয়ে প্ৰকৃতিৰ মাজত প্ৰেম আৰু সহানুভূতিকহে বিচাৰি পাইছিল।

শ্যেলীয়ে জীৱনৰ প্ৰথমাৱস্থাত যিবোৰ প্ৰকৃতিবিষয়ক কবিতা লিখিছিল সেইবিলাকত তেওঁ দেখুৱাবলৈ চেষ্টা কৰিছে প্ৰেমৰ ক্ষেত্ৰত মানুহৰ যি স্বাৰ্থপৰতা আছে, যি কাৰ্পণ্যভাৱ আছে প্ৰকৃতিৰ সেয়া নাই। প্ৰকৃতি উদাৰ, এই উদাৰ প্ৰকৃতিয়ে মানুহক মানুহৰদৰে প্ৰতাৰণা-প্ৰৱঞ্চনা নকৰে; সহানুভূতিহে দিয়ে। শ্যেলীয়ে দাৰ্শনিক চিন্তাধাৰা প্ৰকাশ কৰিছে — বৈচিত্ৰ্যৰ মাজত অসীম সৰ্ব্বব্যাপ্ত শক্তি চিৰবিদ্যমান।

শ্যেলীয়ে বিশ্বাস কৰে যে অনন্ত আত্মা অমৰণ, অভগণ। কিন্তু পাৰ্থিব বস্তু ক্ষণস্থায়ী। জীৱনটো হ'ল নানান ৰঙৰ গম্বুজৰ ভিতৰত থকা চাকি। গম্বুজ ভাঙি দিলে চাকিৰ পোহৰ বিলীন হৈ যায়। কৰিতা সৃষ্টিৰ ক্ষমতাৰ ক্ষেত্ৰত শ্যেলীয়ে প্লেটোৰ ভাবধাৰা গ্ৰহণ কৰিছে। প্লেটোৱে কৈছিল — কবিতা সৃষ্টি হয় অন্তঃদৃষ্টি আৰু প্ৰেৰণাৰ দ্বাৰা শ্যেলীয়ে "ডিফেন্স অৱ পয়েট্ৰি"-ত কবিতাৰ সংজ্ঞা এইদৰে দিছে,কবিতা হ'ল আটাইতকৈ সুখীমনৰ উৎকৃষ্ট আৰু আনন্দময় মুহূৰ্ত্তৰ নথিপত্ৰ।

শ্যেলীৰ মতে মানুহক সৎ কৰিবলৈ গৈ কবি হিচাপে উপদেশ দিয়া উচিত নহয়। কিন্তু তেওঁ বিশ্বাস কৰিছিল যে কবিতাই মানুহৰ নৈতিক উন্নতি সাধন কৰে। তেওঁৰ মতে কবিতা স্বৰ্গীয় জ্ঞানৰ কেন্দ্ৰ আৰু পৰিধিও। কবিতাৰ সহযোগী হ'ল আনন্দ। তেওঁৰমতে--মহৎ কবিতা হ'ল আনন্দ আৰু জ্ঞানৰ চিৰন্তন ৰূপত পাৰ ওপচা নিজৰা।

মুঠৰ ওপৰত কবলৈ গ'লে, ইংৰাজী সাহিত্যত শ্যেলীয়ে এক পাহৰিব নোৱাৰা অৱদান আগবঢ়াই ইংৰাজী সাহিত্যক চহকী কৰি থৈ গ'ল। তাৰোপৰি তেওঁৰ সৃষ্টিক সমালোচনাৰে থকা-সৰকা কৰা সমালোচকৰো অভাৱ হোৱা নাছিল। মেথিউ আৰ্ণল্ডে শ্যেলীক সুন্দৰ দেৱদূত বুলি কৈ আৰু কৈছিল তেওঁ এজন নিস্ফল দেৱদূত। তেওঁৰ উজ্জ্বল পাখি শূণ্যতে হেলাৰঙে কোবাইছে। কুইলাৰ কাউচে কিন্তু তাৰ প্ৰতিবাদ কৰি কৈছিল — 'নিস্ফল' শব্দটো শ্যেলীৰ ক্ষেত্ৰত মিছাই ব্যৱহাৰ কৰা হৈছে। তেওঁৰ মতে আৰ্ণল্ডৰ দৃষ্টিভংগী সলনি কৰি এইদৰে কব পাৰি — "শ্যেলী এজন কাব্যিক দেৱদূত যি নৈতিক উচ্চতালৈ উজ্জ্বল পাখিৰে উৰা মাৰিছে।" নৈতিকতাৰ উচ্চতালৈ উজ্জ্বল পাখিৰে উৰামৰা কাব্যিক দেৱদূত যাৰ কাব্যৰ ধাৰা চিৰনতুন। প্ৰতিভা যাৰ অদ্বিতীয়, কাব্যৰ বিষয়বস্তু যাৰ চিৰসেউজীয়া। সেই শ্যেলী ত্ৰিশ বছৰ বয়সত সচাঁই দেৱদূত হৈ গ'ল।

অতি দুখৰ বিষয়, ১৮২২ চনৰ গ্ৰীষ্মকালত লেহাট আৰু তেওঁৰ পৰিবাৰক আদৰিবলৈ তেওঁ গৈছিল পিছালৈ। এখন সৰু নাৱত লেফৰিৰপৰা উভতি আহোঁতে বন্ধুবৰ্গৰ চকুৰ আগতে এচাতি কালধুমুহাই তেওঁৰ নাওখন বুৰাই পেলালে, লগে লগে সলিল সমাধি ঘটিল তেওঁৰ জীৱনৰো। কিছুদিনৰ পিছত যেতিয়া সাগৰৰ ঢৌৱে আনি পাৰত তুলিলেহি তেতিয়া সেই সাগৰৰ পাৰতে লেহাট, বায়ৰণ আদিৰ উপস্থিতিত দাহ কৰা হ'ল। তেওঁৰ কলিজাখন জুইৰ মাজৰপৰা আনি এবছৰৰ আগত মৃত্যু হোৱা কীটছৰ সমাধিভূমিৰ কাষতে কবৰ দিয়া হ'ল। কবৰৰ কাষতে পাহাৰত লিখা হ'ল — "Car-Coridium" — অৰ্থাৎ "পৃথিৱীৰ সৰ্ব্বশ্ৰেষ্ঠ হৃদয়।"

( সহায় লৈ )

—O—

অমৃত বাণী :

"মইকেৱল এটা কথাকে জানো আৰু সেইটো হল মই একোকে নাজানো।"

—ছক্ৰেটিছ

সংগ্ৰহ
জয় প্ৰকাশ শৰ্ম্মা

"অন্ধকাৰ যিমানেই গভীৰ নহওঁক; বিপদ-আপদ, ষাধা-বিঘিনি যিমানেই প্ৰৱল নহওঁক কৰ্ম্মক্ষেত্ৰত তুমি কেতিয়াও ভীত নহবা, বিষন্ন চিত্ত নহবা। সকলো সন্দেহ পৰিহাৰ কৰিবা। কোনো কামেই অসাধ্য নহয়।"

—ঋষি অৰবিন্দ

"শিক্ষকসকল জীৱনদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃমাতৃয়ে সন্তান জন্মহে দিয়ে; জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপন কৰে।"

—এৰিষ্টটল

## (গল্প) ভঙা কাঠিৰ বেদনা

—যাদৱ বৰুৱা
স্নাতক ৩য় বাৰ্ষিক

হেমন্তীয়া পুৱাৰ কোমল আৰু মিঠা আমেজ থকা ৰ'দ লৈ হিতেশ্বৰে চোতালতে বহি ঢৰা সাজিবলৈ লাগিল । গাত এড়ী চাদৰখন আৰু মূৰত গামোচা এখনেৰে কাণ দুখন বান্ধি ঠাণ্ডা খেদাবলৈ ব্যৱস্থা কৰিছে । ওচৰতে পিতলৰ চুৰটৰ টেমাটো । তাৰ ওচৰতে আধা জ্বলি নুমাই থকা এডোখৰ কাঠখৰি ।

এনেতে পুৰণা বগাধাৰী এখন পিন্ধি গাত মলিয়ন হব ধৰা এড়ীচাদৰ এখন লৈ মনেশ্বৰ আহিল । ভৰি প্ৰায় ছিগি যাবলৈ লোৱা, নীলা ওলোৱা চেণ্ডেলযোৰ । শিতাত মনেশ্বৰৰ ওঁঠ দুটা শেঁতা পৰি যোৱা ; উশাহ-নিশাহত মুখৰ পৰা ধোঁৱা ওলাই বতাহৰ লগত মিলি গৈছে । মূৰত হিতেশ্বৰৰ দৰেই গামোচাৰ পাগ । মনেশ্বৰে ভৰিৰ চেণ্ডেলত লাগি থকা বোকাবোৰ জেওৰাখনৰ পথালি কামিত চুচি এৰুৱাই লৈ, পাছত হিতেশ্বৰৰ কাষলৈ আহি সুধিলে—

ঃ কি বনাওঁ বুলি ভাবিছা হে ?

ঃ এই ঢৰা নাইহে, তাকে বোলো দুখনমান সাজো । সময়কে নেপাওঁ; বহুত দিনতে কাঠি কৰা আছিল । ঐ-ল'ৰাহঁত ; মনাই অ' এই পীৰা এখন লৈ আনচোন ।—পাছৰ কথাখিনি ভিতৰলৈ চাই চিঞৰিলে । সৰু সাত বছৰীয়া মইনা নামৰ নাতিয়েকে জুইশালৰ পৰা উঠি প্ৰায় দৌৰি অহাদি আহি পীৰা এখন আনি ঠেকেচি থোৱাৰ দৰে থৈ ভিতৰলৈ দৌৰিলে ।

ঃ বহাহে ৰ'দতে, আজি বৰ ঠাণ্ডা ।—মনেশ্বৰক উদ্দেশি কলে । মনেশ্বৰ বহিল । হিতেশ্বৰে ধপাতৰ টেমাটো মনেশ্বৰলৈ আগবঢ়াই দিলে আৰু কলে—

ঃ ইয়াকে এটা বনোৱা ।—মনেশ্বৰে টেমাটো খুলি, তাৰপৰা ধপাত উলিয়াই পেপৰখনত জিভাৰে থু লগাই কলে -

ঃ বুজিছা ককাই, ওভলা গছ দেখি আটায়ে বাগী কুঠাৰ মাৰে ; মোৰ অৱস্থাটো বেয়া দেখি আটায়ে মোক চেপি ধৰে ।

হিতেশ্বৰে বুজিছে, মনেশ্বৰে কি কথা উলিয়াইছে । নিৰ্বিকাৰ মনে হিতেশ্বৰে কাঠি বৈ কথা শুনি আছে । মনেশ্বৰে বনোৱা চুৰতটো জ্বলাবলৈ জুই বিচাৰিলে । হিতেশ্বৰে পুনৰ মইনাক চিঞৰিব লগীয়া হ'ল । ভিতৰৰ পৰা জুই এডোখৰ আনিবলৈ ।

আঙঠা থকা চোমখৰি এডোখৰ মইনাই আনি দিলে । ৰ'দত খৰিডোখৰ জ্বলানো নজ্বলা ধৰিব নোৱাৰি মনেশ্বৰে ফুৱাই দিলে । দুটামান ফিৰিঙতিৰ লগতে আঙঠাত লাগি থকা ছাইবোৰ উৰি উৰি বতাহত উপঙি ফুৰিল ; চুৰতটো জ্বলাই মনেশ্বৰে এমোকোৱা ধোঁৱা উলিয়াই কলে—

ঃ বলীনহঁতৰ বুঢ়া মৰোতে চুৱা নাভাঙোতেই বলীনৰ ঘৈণীয়েকৰ ছোৱালী এজনী জন্ম হ'ল । সিহঁতৰ দুটা চুৱা । সেই চুৱা নৌভাঙোতেই সিহঁতে শুদ্ধি পাতিব পাৰে । মোৰ ল'ৰাটো জন্ম হোৱাৰ কাৰণে ৰাইজক এসাজ খোৱাওঁতেই মোৰ অপৰাধ । এঘৰীয়া কৰিব লাগে । মোৰ ল'ৰাটো জন্ম হওঁতে, একো শুদ্ধি-ফুদ্দি পাতিব নোৱাৰিলোঁ । সেই কাৰণে ৰাইজক সিদিনা ডাঙৰ মাছটো পাই এসাজ খোৱালো তাতে মোৰ কি দোষ ? সিহঁতৰ ঘৰতে মানুহ মৰিছে: সিহঁতৰ ঘৰতে ছোৱালীৰ জন্ম হৈছে, সিহঁতৰ চুৱা নহৈ মোৰ চুৱা হব ? মহীধৰ মাষ্টৰও সিহঁতৰ



ফলীয়া । সিনো মাষ্টৰ হেন মানুহটোৱে কাৰ দোষ নাজানে নে ? চব টকাৰ তলতীয়া ককাই, চব টকাৰ তলতীয়া ।

মনেশ্বৰৰ মাতটো শেষলৈ খৰকৈ ওলাল । হিতেশ্বৰে নিৰ্বিকাৰ মনে ঢৰা বৈয়ে আছে ।

ঃ হেৰ, আমুকা নপঢ়া মানুহটোৰ কাণত শাস্ত্ৰ শ্লোক মাতিলে কি হ'ব ; বুজিও নাপাওঁ ।

মনেশ্বৰে পুনৰ কলে । এনেতে দুবাতি ফিকা চাহ আনি হিতেশ্বৰৰ বোৱাৰীয়েকে দুয়োকে দি গলহি । চাহৰ পৰা ৰেচমী সূঁতাৰ দৰে ধোঁৱা বৰলৈ ধৰিলে । হিতেশ্বৰে নিৰ্বিকাৰ মনে মনেশ্বৰৰ কথাকে পাগুলিছে । মনেশ্বৰ মানুহটো দুখীয়া, বছৰ যুৱাই খাবলৈ নাটে । এই দুখীয়া সবল মানুহটোৰ ওপৰত বলীনহঁতৰ এটা পোহনীয়া খং আছে । যিকোনো বিপদ আপদত বলীনহঁতে মনেশ্বৰক দুই চাৰি-টকা দিছিল । মনেশ্বৰেও একো নুবুজি তাকে গ্ৰহণ কৰিছিল । কিন্তু যেতিয়া বলীনহঁতে মনেশ্বৰৰ মাটিত হালবালেগৈ, তেতিয়াহে মনেশ্বৰে আচল কথাটো বুজি পালে । বলীনহঁতৰ সহায়বোৰ যে প্ৰকৃত সহায় নহয়, অভিসন্ধি জানি ৰাইজ চপালে । ৰাইজে মনেশ্বৰক সহায় কৰিব নোৱাৰিলে । গতিকে, মনেশ্বৰে আদালতৰ কাষ চাপিল । কেচত যেনিবা উকিলটো অলপ দয়ালু মানুহ বাবে কম পইচাতে মনেশ্বৰ জিকিল । বলীনহঁতৰ তেতিয়াৰ পৰাই মনেশ্বৰৰ ওপৰত খং । যিকোনো পৰিস্থিতিত তাক ঠেকত পেলোৱা সিহঁতৰ উদ্দেশ্য ।

দিনবোৰ যোৱাৰ পাছত মনেশ্বৰে পুৰণি কথাবোৰ পাহৰি বলীনহঁতৰ লগত পুনৰ মিলি পৰিল । সিহঁতৰ কথাতে সি শঙ্কৰী সংঘত সোমাল । এতিয়া সিহঁতৰ কথামতে তাক অকলশৰীয়া কৰিব বিচাৰিছে ।

ঃ বুইছা ককাই, মই এটা কথাহে ভাবিছোঁ । সিহঁতে যদি মোক এৰে; আমি ন-ঘৰ মানে বেলেগে থাম । মোৰফলীয়া শৰৎ, ডিম্বেশ্বৰহঁত, ন-ঘৰ মান আছে ।

মনেশ্বৰৰ কথাত হিতেশ্বৰে তালৈ ঘপকৈ মূৰ তুলি চাওঁতে হাতত লাগি ঢৰাখনৰ কাঠি এটা ভাগিল । সেইভাল চাই হিতেশ্বৰে চেহ, বুলি উচ্চাৰণ কৰিলে ।

# অসমীয়া জাতি গঢ়োতা হিচাবে চাওলুং চুকাফা

—বৰ্ণালী হাজৰিকা
স্নাতক তৃতীয় বৰ্ষ

অসমত আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা চুকাফাই এদিন নিজ পিতৃ ৰাজ্য ত্যাগ কৰি, অভেদ্য পৰ্বত, পাহাৰ অতিক্ৰম কৰি দুৰ্গম হাবি জংঘল কাটি বাট উলিয়াই আহি সৌমাৰ পীঠত ভৰি দিছিল ; বহু আশা আৰু আকাঙ্ক্ষা বুকুত বান্ধি । তেওঁৰ ইচ্ছা আছিল, সকলো জাতি-উপ-জাতিক প্ৰীতিৰ এনাজৰীৰে বান্ধি ধৰ্ম-কৰ্মৰ বৈষম্যৰ উৰ্দ্ধত এখন সমৃদ্ধিশালী দেশ গঠন কৰা ।

চাওলুং চুকাফাৰ আদি পুৰুষসকলে অসমৰ উত্তৰ পূৱ ব্ৰহ্মদেশৰ অন্তৰ্গত "ইৰাৱতী নদীৰ" উপত্যকাত "মুংৰিমুংৰাম" নামে ঠাইত দেশ শাসন কৰিছিল । ১২০০ খ্ৰীঃত এই ৰাজ্যত "ফ্যু-তাংফা" নামে এজন তাই বংশীয় ৰজাই দেশৰ শাসন ভাৰ গ্ৰহণ কৰিছিল । তেওঁৰেই তৃতীয় অৰ্থাৎ ছুমলীয়া পুত্ৰ আছিল "চাওলুং চুকাফা" । চুকাফাৰ মাকৰ নাম আছিল "নাং মুং ৱকখাম", মুংৰিমুংৰানৰ চুবুৰীয়া ৰাজ্য মাওলুঙৰ ৰজা "তাইপাঙৰ" জীয়েক । ১১৯১ খ্ৰীঃত মাউলুঙৰ ৰাজপ্ৰাসাদতে চুকাফাৰ জন্ম হয় । ৰজা "তাইপাঙৰ" পুত্ৰ "মাপেউপুঙৰ" বহুত বয়সলৈকে সতি-সন্ততি নথকাৰ বাবে চুকাফাকেই তুলনীয়া পো হিচাবে গ্ৰহণ কৰাৰ কথা আইতাকে ভাৱিছিল। কিন্তু যেতিয়া নিচায়েক "পামেউমুঙৰ" এটি পুত্ৰ জন্ম হ'ল তেতিয়া এনায়েক (আইতাক) আৰু পুথাৰেকৰ এই কল্পনা ভাগি গ'ল আৰু চুকাফাই মাওলুঙৰ ৰজা হোৱাৰ কথা পৰিত্যাগ কৰি পিতৃ ৰাজ্যলৈ গুছি গ'ল । ৰজা ফ্যুতাংফাৰ, চুকাফাৰ বাহিৰেও আৰু দুজন পুত্ৰ আছিল । সবাতোকৈ ডাঙৰজনৰ নাম আছিল "চুজাতফা" আৰু মাজুজনৰ নাম আছিল "চুখামফা" । ফ্যু-তাংফাই তিনিও ভাই-ককাইৰ মাজত ৰাজ্যলৈ বিবাদ হোৱাৰ আশংকা কৰি মৃত্যুৰ আগতেই নিজৰ ৰাজ্য মুংৰাম তিনি-ভাগত ভাগ কৰি বৰপুত্ৰক দিলে, "তাইপ" বা চিপ ৰাজ্য, মাজুপুত্ৰক দিলে "তাইপঙ" বা "মঙ্গলৰাজ্য" আৰু সৰু পুতেক চুকাফাক দিলে "মুঙ-চুণ-ক্লিং" বা "ফেও-লাও" ৰাজ্য । চুকাফাই এই ৰাজ্য প্ৰায় ১৬ বছৰ অতি দক্ষতাৰে শাসন কৰাৰ পাছত তেওঁৰ ভাগ্যৰ চকৰি অন্যফালে গতি কৰিলে । নিচায়েকৰ পুতেক মাউলুঙৰ ৰজা "চুখানফাই" চুকাফাৰ শত্ৰুৰেকৰ ৰাজ্য "জুনলুঙৰ" খ্ৰীমাক লৈ যুদ্ধ আৰম্ভ কৰে । এই যুদ্ধত সহায় কৰিবৰ বাবে "চুখানফাই" সম্বন্ধীয় ভায়েক "চুকাফাক" আহ্বান জনায় । চুকাফা বিমোৰত পৰিল । শান্তিপ্ৰিয় চুকাফাই ককায়েকক সহায় কৰিবলৈ অমান্তি হয় । ইয়াৰ ফলত চুখানফাই অপমানবোধ কৰি নিজ ৰাজ্যৰ সীমাৰ কথাৰ তল পেলাই চুকাফাক এসেকা দিবৰ বাবে ৰাজ্য আক্ৰমন কৰে । তেতিয়া চুকাফাই নিজৰ ককাই-ভাইৰ লগত কাজিয়া কৰি মহাভাৰতৰ কুৰু-পাণ্ডৱৰ যুদ্ধৰ পুনৰাবৃত্তি কৰি অশান্তি সৃষ্টি কৰাতকৈ ৰাজ্য এৰি গুছি যোৱাই শ্ৰেষ্ঠ বুলি ভাৱি "থাও-মুং-ক্লিং- লুন-মুং বুঢ়াগোহাঁই" "থাও-মুং-কান-ভান বৰগোহাঁই," আঠজন বিষয়া, এক হাজাৰ আশীজন খাটি বন্দুৱা, তিনিশ ঘোঁৰা বন্দুৱা," দুটা হাতী, বহুত সংখ্যক পালি-পহুৱীয়া লগত লৈ ১২২৮ খ্ৰীঃৰ যোল আঘোণৰ দিনা পাটকাই পৰ্বত পাৰ হৈ সৌমাৰত ভৰি দিলেহি । সেই দিনাৰ পৰাই অসমীয়া জাতি



আৰু অসম দেশ গঠন হোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল ।

চাওলুং চুকাফা সৌমাৰত সোমোৱাৰ সময়ত এই খণ্ডত বৰাহী, মৰাণ, চুতীয়া, কছাৰীসকলে সৰু সৰু ৰাজ্য পাতি শাসন কৰি আছিল । শান্তিপ্ৰিয়, সহানুভূতিশীল, সহজে সমস্যা উপলব্ধি কৰি কৰায়ত্ত কৰিব পৰা চুকাফাই ভালকৈ উপলব্ধি কৰিছিল যে মৰম-চেনেহ আৰু বৈবাহিক সমন্ধেৰে বান্ধ খাব পাৰিলেহে স্থানীয়লোক অৰ্থাৎ ৰজা-প্ৰজা সকলোকে বশ কৰিব পাৰিব আৰু স্বাধীন ৰাজ্য এখন স্থাপন কৰিবৰ বাবে সহজ হ'ব । সেইবাবেই চুকাফাই প্ৰথমে মৰাণৰ ৰজা বদৌচাৰ লগত মিত্ৰতা স্থাপন কৰি আৰু যোগ্যতাৰ মূল্য বুজি বহুতকে বাৰীচোৱা, হাতীমূৰীয়া, জৰাধৰা আদি বিষয় বাবৰ সহায়ত সন্মান প্ৰদৰ্শন কৰি সংজে তেওঁৰ তলতীয়া কৰিলে । এইদৰেই বৰাহী সম্প্ৰদায়ৰ পৰা চাংমাই, কুকুৰাচোৰা, বেজ আদি বিষয়বাবেৰে ৰজা থাকুমফাৰ লগত মিত্ৰতা কৰিলে আৰু চাবিগৰাকী কুৱৰীক বিয়া কৰাই এই মিত্ৰতাক অধিক দৃঢ়তৰ কৰি তুলিলে । এইদৰেই বাকী সৰু সৰু ৰাজ্যসমূহৰ লোক সকলকো উপযুক্ত মৰ্যদা দি "মিতিৰ লাগে মৰোতে, মিতিৰ লাগে তৰোঁতে" এই বাণীৰ সহায়ত সকলো লোককে এক কৰি অতি সহজে অসম দেশ প্ৰতিষ্ঠা কৰিলে । পৰবৰ্তী স্বৰ্গদেউসকলে চাওলুং চুকাফাৰ আদৰ্শকে সাৱোগত কৰি চুবুৰীয়া পাহাৰ-ভৈয়াম সকলোৰে মনত এক ভাতৃত্ববোধ জাগ্ৰত কৰি চাৰিওটা পীঠ একেলগ কৰি এখন সমৃদ্ধিশালী সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল ।

চাওলুং চুকাফা এজন কেৱল সুদক্ষ শাসক আৰু ৰাজ্য প্ৰতিষ্ঠাপকেই নাছিল; তেওঁ এজন সাহিত্য আৰু সংস্কৃতিৰ সাধক আৰু ভাৰতৰ (অসমৰ) বুৰঞ্জী সাহিত্যৰ পথ প্ৰদৰ্শক । স্বৰ্গদেউ চুকাফাই সৌমাৰ খণ্ডত প্ৰৱেশ কৰাৰ আগতেই লগত অহা পণ্ডিতক নিৰ্দ্দেশ দিছিল "যেতিয়া যি কথা হয়, যি মৰে, যাক পাওঁ, সকলো কথা পণ্ডিতে লিখি ৰাখিব ।" সেইবাবেই আহোমসকল অহাৰ পাছৰ পৰাহে লেঠাৰি নিছিগাকৈ অসমৰ বুৰঞ্জী পাবলৈ আছে, তদুপৰি বুৰঞ্জী লিখাৰ পৰম্পৰা সম্প্ৰসাৰিত হ'ল ভাৰতৰ বিভিন্ন দেশ সমূহলৈকো ।

চাওলুং চুকাফাই সমন্বয়ৰ আদৰ্শৰে বৃহৎ অসমীয়া জাতিৰ যি বৰভেটি বান্ধি থৈ গ'ল; তাৰ বাবে আজি অসমীয়া জাতিয়ে গৌৰৱ কৰিব পাৰে ।

—0—

## আলোচনী সম্পাদনা সমিতিৰ বিষয়ববীয়াসকল —



বহি (সোঁফালৰ পৰা) শ্ৰীযুত দিগন্ত গগৈ (শিক্ষক সদস্য) শ্ৰীযুত আলোক গোহাঁই (তত্বাৱধায়ক, ইংৰাজী বিভাগ) শ্ৰীযুত লোহিত শইকীয়া (সভাপতি) শ্ৰীযুত উদ্বৱদৰ নেওগ (ভাৰপ্ৰাপ্ত অধ্যক্ষ) শ্ৰীযুতা ভদ্ৰাৱতী গগৈ (তত্বাৱধায়িকা, অসমীয়া বিভাগ)

থিয়হৈ (সোঁফালৰ পৰা) শ্ৰীতপন বৰগোহাঁই (সম্পাদক, আলোচনী বিভাগ) শ্ৰীদুলাল বৰুৱা (সদস্য) শ্ৰীজয়ন্ত বৰুৱা (সদস্য) শ্ৰীমতী বিজু বৰঠাকুৰ (সদস্যা)

## ১৯৯৩-৯৪ চনৰ ছাত্ৰ-একতা সভা



বহি ( বাওঁফালৰ পৰা ) শ্ৰীযুক্তা ভদ্ৰাৱতী গগৈ ( উপদেষ্টা, আলোচনী বিভাগ ) শ্ৰীযুত লোহিত শইকীয়া (সভাপতি) শ্ৰীযুত ভম্বৰুধৰ নেওগ ( অধ্যক্ষ ) শ্ৰীযুত দিগন্ত গগৈ (উপদেষ্টা, সাংস্কৃতিক বিভাগ) শ্ৰীযুক্তা অঞ্জলী গগৈ ( উপদেষ্টা, ছাত্ৰী জিৰণি চ ৰা ) শ্ৰীযুত আলোক গোহাঁই (উপদেষ্টা, আলোচনী বিভাগ )

ঠিয়হৈ (বাওঁফালৰ পৰা) শ্ৰীতপন বৰগোহাঁই ( সম্পাদক, তৰ্ক, সাহিত্য আৰু আলোচনী বিভাগ ) শ্ৰীবিনোদ কোঁৱৰ (সহঃ সাধাৰণ সম্পাদক) শ্ৰীজয়ন্ত বৰুৱা (সাধাৰণ সম্পাদক) শ্ৰীকেশৱ গগৈ ( উপ-সভাপতি ) শ্ৰীজিয়াউৰ ৰহমান ( সম্পাদক, সাংস্কৃতিক বিভাগ) শ্ৰীজিতুল শইকীয়া (সম্পাদক, ছাত্ৰ জিৰণি চৰা) শ্ৰীখগেন হাজৰিকা ( সম্পাদক, গুৰু খেল বিভাগ )

## আহ্বান

ভুলাল বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক

আইৰ বুকুৰ আন্ধাৰ আঁতৰাই
সিঁচি দিওঁ আহা পোহৰৰ বীজ ।
শক্তি আমাৰ অসীম
জ্ঞানৰ তীক্ষ্ণ বাণ লৈ
সত্যৰ পথেৰে আগুৱাই গৈ
আমি তিমিৰ নাশিম ।
আহাঁ আগুৱাই
ৰণক্ষেত্ৰত কৰোঁ মৃত্যু পণ
আইৰ মুখ উজ্জ্বলাবলৈ
সবে মিলি কৰোঁ আলিঙ্গণ ।০।



## মোক এখন হৃদয় লাগে

চাহেদা বেগম
স্নাতক দ্বিতীয় বাৰ্ষিক

মোক এখন হৃদয় লাগে
বিশাল, বিস্তীৰ্ণ আৰু নিৰ্মল
মোক এখন হৃদয় লাগে
যিয়ে দিব পাৰে দুখ যন্ত্ৰনাৰ বিপৰীতে
এআকাশ বিমল আনন্দ
মোক লাগে এখন অপৰাজেয় হৃদয়
প্ৰেম আৰু কৰুণাৰে আবৃত ।০।

## —ঃ এটি স্তবক ঃ--

ৰিজু বৰঠাকুৰ
স্নাতক প্ৰথম বাৰ্ষিক

বহুদিন এনেকৈয়ে পাৰ হ'ল
নিশ্বাসত মাথোঁ দুখৰ হুমুনিয়াঁহ
কলিজাৰ ৰঙা তেজত
দগ্‌মগাই উঠিল
নিহত যৌৱনৰ উদীপ্ত সাহ।

—০—

## শৰৎ

বিজু ৰবঠাকুৰ
স্নাতক দ্বিতীয় বাৰ্ষিক



শাৰদীয় স্নিগ্ধ ৰাতি
তুমি আহিলেই স্বাগতম
জনাই শুভ্ৰ শেৱালিয়ে
গুণ গুণ সুবাস বিলাই
তুমি আহিলেই
মোৰ শৈশৱ, মোৰ যৌৱন
সজীৱ হৈ উঠে
শেৱালিৰ নীৰৱতা ভাঙি ।০।



## আৰ্ত্তনাদ

ৰূপজ্যোতি চাংমাই
স্নাতক তৃতীয় বাৰ্ষিক

জীৱনৰ গভীৰ প্ৰান্তত
থিয় হৈ শুনিছোঁ আৰ্ত্তনাদ
কেৱল অনাহাৰ, অনিদ্ৰাত
ছট্‌ফটাই মৰা
নতুবা
জীৱনৰ ছাইদানিত জীৱন গঢ়া
এজাক শিশুৰ··········
জীৱন মাজুলীত ছাঁ-লৈ শুনিছোঁ
যৌৱনৰ আৰ্ত্তনাদ··········
হাতত মৰণাস্ত্ৰ লৈ প্ৰতিশ্ৰুতিবদ্ধ
জীৱন গঢ়াৰএদল ডেকাৰ
জীৱনৰ আবেলিত উভতি চাইছোঁ
আঃ জীয়াই থকা কি যন্ত্ৰণা !
শূন্যতো নিনাদিত হয়
কেৱল ক্লীৱ আৰ্ত্তনাদ ঃ



## অভিশপ্ত ধৰিত্ৰী

জয়ন্ত লাহন
স্নাতক ২য় বৰ্ষ

সুন্দৰ এই ধৰিত্ৰী মোৰ
সুনীল আকাশৰ মিঠা চুম্বন
সৰা শেৱালি বুটলি
মোৰ সতে তুমি;
তাঁহি আহিল ৰঙীন স্বপ্ন
নিয়ঁৰৰ টোপালৰ চিকমিকনিত ।
ভোমোৰাৰ গুঞ্জনত বাজি উঠিল
ভগা হৃদয়ৰ বীণ খনি ।
এটি ধ্বনিত কঁপি ৰ'ল,
অনাহুত উদভ্ৰান্ত হেঁপাহ;
সুন্দৰ সচায়ে সুন্দৰ তুমি
ক্লান্তিত জাগ্ৰত প্ৰেৰণা
বাঙলী ওঠৰ মিচিকিয়া হাঁহিত,
সুদূৰ সৃষ্টি চেতনা ।
বসন্তৰ মিঠা চুম্বনে অঁকা
সৰ্বাংগ সৌন্দৰ্য্যময়, শোভা ।
যতনাই ৰখাৰ মুকুতা মালাৰ
পুষ্পাৰ্ঘ্য দিম বেদিত তোমাৰ
কিন্তু; শিৰ্‌ শিৰ্‌ শৰদে
কাল ধুমুহাৰ শাশ্বত তাণ্ডৱলীলা ।



## অপেক্ষা

তুতুমনি চেতিয়া
স্নাতক তৃতীয় বাৰ্ষিক

এইয়াই মোৰ পান্থশালা
এলান্ধু আৰু মকৰা জালেৰে ভৰা ।
পথৰ পথৰুৱা আহে আৰু যায়
থৈ যায় স্মৃতি—
হোপি হোপি হোপিব নোৱাৰা
টুকুৰা বিড়িৰ অৱশিষ্ট
অথবা
ভঙা ইটাৰ এটি দুটি টুকুৰাৰ দৰে
ইটো সিটো খবৰ লৈ
তুমি আহিবা বুলি
প্ৰতিটো ঋতুৰ প্ৰতিটো পুৱা
দুৱাৰ খিৰিকি ৰাখিছোঁ খুলি
তুমি আহিবা বুলি················ ।

## জননী, তুমি মহান

ৰাসন্তী বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক

হে মোৰ সহনশীলা আই
তোমাৰ মুখত আজি
কোনে বিৰিঙাব হাঁহি ।
তোমাৰ চকুৰ তপত চকুলো
কোনে মচি দিব আই ?
জানো, অন্যায় অত্যাচাৰে
তোমাক আজি উপহাস কৰিছে
শোনিতেৰে ধুৱাইছে চৰণ
হাজাৰ পুত্ৰৰ কেচাঁ তেজত
স্নানৰতা তুমি.............
কেৱল তুমি জীপাল কৰিছা বুকু
তথাপিও, আই
তোমাৰ চৰণ চুই শপত খাইছোঁ
আনিম ঘূৰাই শান্তি
শেতাঁ পৰা চুখনি ওঁঠত
কেৱল প্ৰতীক্ষা কৰা সময়লৈ-
এতিয়া সময় দেখোন
অসময় হ'ল ।০।





## কণিকা কবিতাৰ স্তৱক

গীতিমা বড়া
স্নাতক ২য় বৰ্ষ

মোৰ প্ৰেম অনাগত দিনৰ
উদিত সূৰ্য্য
মোৰ ভালপোৱা
পূৰ্ণিমাৰ নিকা চন্দ্ৰমা
ভুল নুবুজিবা
কেতিয়াওঁ নহয়
মোৰ মন
আউসী ৰাতিৰ ঘোপমৰা
আন্ধাৰৰ দৰে অভিসাৰিকা ।



# নিৰিড় সংলাপ

## অনুভৱ মোৰ ঃ

দীপাঞ্জলী চেতিয়া
স্নাতক তৃতীয় বাৰ্ষিক

বিস্তীৰ্ণ সমুদ্ৰৰ মাজতো
অনুভৱ কৰোঁ নিৰ্জীৱতা/নিসঙ্গতা
পিয়াহৰ চোঁত মন উচাতন..........
কেউফালৰ জন-সমুদ্ৰত
অনুভৱ কৰোঁ এবুকু অৰণ্যৰ নিঃসঙ্গতা
কিমানবাৰ যে মোৰ মৃত্যু হৈছিল
সেউজীয়া স্বপ্নৰ সতে
এনেকৈ বহুদিন বহুৰাতি
উজাগৰে কটাইছোঁ
মোৰ কঙালী ৰাতি
কাণ পাতি শুনিছোঁ
নিয়ৰৰ নিবিড় গুণ্ গুণ্ সুৰ
এক বিমুগ্ধ ৰাতি ।০।





## প্ৰেম ঃ –

জয়া বৰগোহাঁই
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

প্ৰেম মানেই এক অনামী অৰ্থ
যাৰ কোনো দীঘ-প্ৰস্থ নতুবা
আকাৰ নাই;
প্ৰেমত জীয়াই থাকে দুখ
প্ৰেমে আৱৰি থাকে সুখ
প্ৰেমেই চিনাকি দিয়ে
যন্ত্ৰনাময় পৃথিৱীৰ
উদীপ্ত আক্ৰোশ ঃ

# সম্পাদকীয়

আলোচনী বিভাগৰ সম্পাদক হিচাবে কি লিখি সম্পাদকীয় খালী ঠাইখিনি পূৰ্ণ কৰিম সেই কথা চিন্তা কৰিলে বহু কথাই জুমুৰি দি ধৰেহি । চিন্তা হয়, ক'ৰ পৰা আৰম্ভ কৰোঁ আৰু ক'তেই বা ইয়াক সীমায়িত কৰোঁ । তথাপি সন্মুখত ভাহি উঠা ভাৰ কিছুমান প্ৰকাশ কৰাৰ চেষ্টা কৰিলো ।

আজি কুৰি শতিকাৰ এই বিদায়ী মুহূৰ্তত যুৱ-মানসিকতাই সমাজৰ আৰ্থ-সামাজিক প্ৰগতিত কিমান অবিহণা যোগাইছে তাক পৰ্য্যালোচনা কৰিবলৈ গ'লে কিছুমান প্ৰশ্নৰ উদয় হয় । এখন সমাজ পৰিৱৰ্তনত সমস্ত যুৱ শক্তিটোৰ সমানে অবিহণা আছেনে ? সমগ্ৰ যুৱসমাজ সমাজ সচেতন নে ? এনেবোৰ দিশ পৰ্য্যালোচনা কৰিবলৈ গলে খন্তেকলৈ হ'লেও থমকি ৰব লগা হয় । আজি দেশ যিমানেই শিক্ষা-দীক্ষা, জ্ঞান বিজ্ঞানৰ উন্নতিৰে সভ্যতাৰ শীৰ্ষত অৱতীৰ্ণ হবলৈ উপক্ৰম কৰিছে, সিমানেই এক শ্ৰেণী লক্ষ্য ভ্ৰষ্ট যুৱক-যুৱতী গঢ়লৈ উঠিছে । আজি যুৱ শক্তিৰ যুৱ মনোবল কমি গৈছে । কিছুমান ৰাজনৈতিক নেতাই নিজ স্বাৰ্থ সিদ্ধিৰ বাবে যুৱ সমাজক মহাভাৰত খ্যাত "শিখণ্ডী" ৰূপে ব্যৱহাৰ কৰিছে, যাৰ ফলত যুৱসমাজে দেশৰ ঐক্য, শান্তি আৰু প্ৰগতিৰ পথত হেঙাৰ ৰূপে থিয় দিবলৈ কুণ্ঠাবোধ নকৰা অৱস্থা হৈছে । সমাজে যুৱ শক্তিৰ ওপৰত অৰ্পণ কৰা দায়িত্বৰ কথা পাহৰি গৈছে । এক অন্ধকাৰ কুপত যুৱ শক্তি জাহ যোৱাৰ উপক্ৰম হৈছে । বহুতো জ্ঞানীলোকৰ মতে এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে, সেই দেশৰ যুৱ তথা ছাত্ৰ শক্তিৰ ওপৰত । দেশৰ পক্ষে যে যুৱ শক্তিৰ গুৰুত্ব মহান তাক সকলোৱে স্বীকাৰ কৰিব লাগিব । এখন সমাজ বা দেশক উন্নয়নমুখী কাৰ্য্যসূচীৰে আগুৱাই নিবলৈ যুৱসমাজৰ দায়িত্ব আছে । উশৃংখল যুৱ সমাজক সত্য পথলৈ ঘূৰাই আনিবলৈ হ'লে বৰ্তমান শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধন, চৰকাৰৰ নিয়োগ ব্যৱস্থা সম্প্ৰসাৰণ, যুৱসমাজক কাৰিকৰী জ্ঞানেৰে সমৃদ্ধ কৰি তোলা আদি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । এই ক্ষেত্ৰত চৰকাৰৰ লগতে জনসাধাৰণৰ সহযোগৰো প্ৰয়োজন । ইয়াৰ উপৰিও শিক্ষিত যুৱসমাজে সাহিত্যৰ মাজেৰে বিপথগামী যুৱ সমাজক সুপথে পৰিচালিত হোৱাত সহায় আগবঢ়াব পাৰে । যুৱ শক্তিৰ সু-প্ৰয়োগৰ ওপৰত সমাজৰ ভৱিষ্যত নিৰ্ভৰশীল, ই ধ্ৰুৱ ।

**চলিত শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত :—** শিক্ষা ব্যৱস্থাই দেশ এখনৰ প্ৰগতিৰ মূল-মন্ত্ৰ । শিক্ষা দানৰ প্ৰণালী আৰু প্ৰচলিত পাঠ্যক্ৰমে ছাত্ৰ ছাত্ৰীসকলৰ জীৱনৰ ভৱিষ্যত নিৰ্ণয় কৰে । এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে, আমাৰ ভাৰতবৰ্ষৰ প্ৰচলিত শিক্ষা ব্যৱস্থা আধুনিক যুগৰ সময়োপযোগী নহয় ; এই শিক্ষা আহৰণ কৰিও শিক্ষাৰ্থীৰ ভৱিষ্যত জীৱনৰ পথ আন্ধাৰতেই ৰয় । প্ৰতি বছৰে উদ্ভৱ হোৱা হাজাৰ-

বিজাৰ শিক্ষিত নিবনুৱাৰ জীৱন যাপন পদ্ধতিয়েই ইয়াৰ জ্বলন্ত প্ৰমাণ । ভাৰতবৰ্ষ স্বাধীন হোৱাৰ
পিছৰেপৰা বৰ্ত্তমানলৈকে বহুতো শিক্ষা আঁচনি লোৱা হৈছে ; কিন্তু আশ্চৰ্যৰ কথা যে কোনো
এখন আঁচনিয়েই দেশখনৰ এনে এটি জাতীয় সমস্যা সমাধান কৰিব পৰা নাই । শিক্ষা ব্যৱস্থাৰ
উন্নতিৰ কল্পে পাঠ্যক্ৰম সঘনে সলনি কৰা হৈছে । কিন্তু এনে কাৰ্যৰ কু-ফলাফলহে পৰিলক্ষিত
হৈছে । ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ প্ৰতি বিৰূপ মনোভাৱলোৱাৰ উপৰিও ইয়াৰ সৈতে উপযুক্ত
ভাৱে খাপ খোৱাত উজুটি খাব লগা হৈছে । আজি দেশৰ ক্ষমতাৰ বাঘজৰী ধৰোতা তথা শাসক
শ্ৰেণীটোৱে তেওঁলোকৰ ব্যক্তিগত ক্ষমতা আৰু সা-সুবিধাক লৈয়েই ব্যস্ত । জনসাধাৰণৰ অস্তিত্বৰ
প্ৰৱঞ্চনাকাৰী বৰমূৰীয়া সকলৰ আজি জনগণৰ হকে চিন্তা কৰা সময়ৰ নিতান্তই অভাৱ ।

ভাৰতৰ ক্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত শিক্ষাদাতা সকলো কম জগৰীয়া নহয় ।
দেখা গৈছে যে, প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে সকলো শিক্ষা দাতাই কি-
ছুমান ব্যক্তিগত সা-সুবিধা আৰু দৰ্মহা বৃদ্ধিৰ বাবে চৰকাৰৰ ওচৰত আন্দোলন কৰি আহিছে ;
কিন্তু তেওঁলোকে শিক্ষাৰ্থীৰ সৰ্বাংগীন উন্নতিৰ বাবে কেনে ধৰণৰ শিক্ষা পদ্ধতিৰ আৱশ্যক সেই
বিষয়ে অৱগত হৈয়ো ইয়াক গভীৰভাৱে উপলব্ধি কৰিব নিবিচাৰে । দেশৰ সমূহীয়া স্বাৰ্থত-
কৈ তেখেত সকলে ব্যক্তিগত স্বাৰ্থতহে অধিক গুৰুত্ব দিয়া অনুমান হয় । সেয়েহে আমাৰ দেশৰ
শিক্ষা ব্যৱস্থাই দিনক দিনে বেয়াৰ ফালেহে ঢাল লৈছে আৰু শিক্ষাদান কাৰ্য সফল হোৱা
নাই । শিক্ষাদাতা সকল পিতৃ মাতৃ স্বৰূপ । যেনেকৈ মাক- দেউতাকে নিজৰ কণমাণিটিক খোজ
কঢ়াবলৈ, মাত মাতিবলৈ শিকায়, ঠিক সেইদৰে শিক্ষাদাতাসকলো দেশৰ নাগৰিকৰ ভৱিষ্যত
জীৱনৰ সুদৃঢ় উজ্বল ভেটি গঢ়োতা । গতিকে তেওঁলোকে শিক্ষা ব্যৱস্থাৰ খুটি-নাটিবোৰ শাসক
শ্ৰেণীটোক দেখুৱাই নিদিলে শিক্ষা ব্যৱস্থাৰ কাহানিও উন্নতি হব নোৱাৰে, ই ধ্ৰুৱ ।

**আলোচনী খনিৰ বিষয়েঃ**—মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনীখন ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক
কৃতিত্ব আৰু স্বকীয় সুপ্ত প্ৰতিভা বিকাশৰ উপযুক্ত কলা জ্ঞানৰ দাপোণ স্বৰূপ, সমাজ বিৱৰ্তনৰ
এটি মাধ্যম । এখন আলোচনী শিক্ষানুষ্ঠানৰ গতিশীলতাৰ পৰিচায়ক তথা সেই অনুষ্ঠানৰ যুগ-
মীয়া ইতিহাস । সাহিত্যৰ দ্বাৰাই মানৱ সভ্যতাৰ বিশ্লেষণ কৰিব পাৰি । এটা জাতিৰ আদৰ্শ,
চিন্তাধাৰা, মানৱীয় সচেতনতা ভাষাৰ মাধ্যমেৰে সাহিত্যত প্ৰকাশ হয় । গতিকে জাতিৰ সাম-
গ্ৰীক উন্নতিৰ বাবে সাহিত্যৰ অৱদান অপৰিহাৰ্য ।

সতীৰ্থৰ নেৰানেপেৰাত এনে এটি গুৰু দায়িত্ব সম্পন্ন বিভাগৰ সম্পাদক হব লগা হ'ল ।
প্ৰকাশৰ বাবে চেষ্টা চলাওঁতেই কাৰ্যকালৰ সময়ে ৰঙা চকু দেখুৱালে । ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা-
গুৰু সকলৰ পৰা যি অলপ লিখনি পালো তাকে আপোনালোকলৈ আগবঢ়ালোঁ । আলোচনী
খন সৰ্বাংগসুন্দৰ ৰূপত গঢ় দিব পাৰিলোঁনে নাই সেই কথাৰ বিচাৰৰ ভাৰ আপোনালোকৰ
ওপৰতে অৰ্পণ কৰিলোঁ । অৱশ্যে কাৰ্যকাল ছোৱাত কিবা এটা কৰাত ত্ৰুটি কৰা নাছিলোঁ । আলো-
চনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ কৰি তোলাটো কেৱল সম্পাদকৰে দায়িত্ব নহয় মহাবিদ্যা-
লয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰে দায়িত্ব । সেয়ে যথা সময়ত উপযুক্ত লিখনি দি সম্পাদকৰ দায়িত্ব
আৰু কৰ্তব্য পালনত সহায় কৰা উচিত । বহু পলমকৈ হ'লেও গভীৰ নিষ্ঠা আৰু আন্তৰিকতা-
ৰে আলোচনীখন পঢ়ুৱৈ সমাজলৈ আগবঢ়ালোঁ । আৰু আলোচনীখন প্ৰাৰম্ভৰে পৰা প্ৰকাশৰ



মুহূৰ্তলৈকে যিসকলে মোক উৎসাহ আৰু প্ৰেৰণা যোগালে তেখেতসকললৈ মই ধন্যবাদ জ্ঞাপন
কৰিছোঁ ।

**ক্ষমা বিচাৰিঃ**— সাহিত্যত এয়া মোৰ প্ৰথম পদক্ষেপ । গতিকে আলোচনীৰ সম্পাদনা
কাৰ্যত কৰোঁতে হয়তো উজুটি খাইছোঁ । ঠাইৰ অভাৱৰ হেতু উপযুক্ত লিখনিও হয়তো বাদ পৰি
গৈছে । তাৰবাবে আপোনাসবৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ ৰ'লো । অনিচ্ছাকৃতভাৱে কলমৰ আগত
ৰৈ যোৱা ভুলৰ বাবে সকলোটিৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

**কৃতজ্ঞতা :**— নিতাই পানীদিহিং অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হেম চন্দ্ৰ দেৱ
গোস্বামী মহাবিদ্যালয়ৰ ১৯৯৩- ৯৪ চনৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক হিচা-
বে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে মাতৃ-ভাষাৰ সেৱাৰ সুবিধা দিয়াৰ বাবে
সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ ।

মোৰ কাৰ্যকালছোৱাত বিভিন্ন কাৰ্যত সু-পৰামৰ্শৰে সহায়-সহযোগ আগবঢ়োৱা ভাৰপ্ৰাপ্ত
অধ্যক্ষ মহোদয় শ্ৰীযুত ডম্বৰুধৰ নেওগ, মাননীয় উপদেষ্টা শ্ৰীযুত আলোক গোহাঁই ( ইংৰাজী
বিভাগ ), শ্ৰীযুক্তা ভদ্ৰাংগী গগৈ ( অসমীয়া বিভাগ ), ছাত্ৰ-একতা সভাৰ সভাপতি শ্ৰীযুত
লোহিত শইকীয়া, পাণ্ডুলিপিত চকু ফুৰাই দি সহায় কৰা শ্ৰীযুত দেৱেশ্বৰ চাংমাই, আলোচনীৰ
বাবে লিখনি দি সহায় কৰা শ্ৰীযুত বাণীকান্ত গগৈ, শ্ৰীযুত শিৱৰঞ্জন শৰ্মা, শ্ৰীযুত সুধীৰ কুমাৰ
দাস, শ্ৰীযুত জয়ৰাম ঝা, অন্যান্য দিশত সহায় আগবঢ়োৱা শ্ৰীযুত ভূৱন দত্ত, শ্ৰীযুত নোমল
কোঁৱৰ, শ্ৰীযুত দেৱ বড়া, শ্ৰীযুত ললিত তামুলী, শ্ৰীযুত ফণীধৰ শইকীয়া, শ্ৰীযুক্তা ক্ষীৰপ্ৰভা
গগৈ লাহন, শ্ৰীযুক্তা অঞ্জলী গগৈ, শ্ৰীযুক্তা মানসী গগৈ, শ্ৰীযুক্তা মালবিকা বাইদেউ আৰু গ্ৰন্থা-
গাৰিক শ্ৰীযুত নকুল শৰ্মা চাৰ তথা বাইদেউহঁতৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ । যাৰ উৎসাহ
আৰু প্ৰেৰণা নোপোৱা হ'লে হয়তো ইমানখিনি আগবাঢ়িব নোৱাৰিলোঁহেঁতেন, তেখেত হ'ল
মাননীয় শ্ৰীযুত দিগন্ত গগৈ চাৰ । তেখেতৰ ওচৰত ধৰুৱা হৈ ৰলোঁ । মহাবিদ্যালয়ৰ শিক্ষাগু-
ৰুসকলৰ ঋণ হয়তো কোনো দিনেই পূৰাব নোৱাৰিম । এইখিনিতে মহাবিদ্যালয়ৰ সমূহ কাৰ্যা-
লয়ৰ সহকাৰী তথা কৰ্মচাৰীলৈ অভিনন্দন জ্ঞাপন কৰিলোঁ । বেঁটুপাতৰ শিল্পী শ্ৰীযুত প্ৰমোদ
কোঁৱৰলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ । পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়া বন্ধু শ্ৰীদুলাল বৰুৱালৈ আন্ত-
ৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ । ভূতপূৰ্ব সাধাৰণ সম্পাদক শ্ৰীজয়ন্ত বৰুৱা আৰু ছাত্ৰী
সদস্যা শ্ৰীমতী বিজু বৰঠাকুৰলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ । কম সময়ৰ ভিতৰতে আলোচনীখন
প্ৰকাশ কৰি দিয়াৰ বাবে ডিমৌ প্ৰিন্টিং প্ৰেছৰ স্বত্বাধিকাৰ শ্ৰীযুত ফণীন্দ্ৰ চেতিয়াদেৱ তথা
প্ৰেছৰ সমূহ কৰ্মীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ ।

এইখিনিতে মোৰ প্ৰস্তাৱক শ্ৰীমতী জোৎস্না বৰুৱা আৰু সমৰ্থক শ্ৰীমতী জয়া বৰগো-
হাঁইলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

**বিশেষভাৱে কৃতজ্ঞতা জনাইছোঁঃ**— স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ - ৰঞ্জন, বিনোদ, প্ৰদীপ
ভূৱন, ৰিণ্টু, টুটু, পুলিন বিশ্বজিত, সঞ্জীৱ, হৰেণ, নবীন, লোহিত, বাবুল, শংকুমণি, কমলা;
ছাত্ৰী — ৰীপা, জুলী, ৰিজু, দিপাঞ্জলী, পপী, মণিকা, জ্যোতি, দেৱ, মঞ্জু গীতিমণি, কুঞ্জ, ৰীতা,
নিৰু, ৰম্য, পূৰ্ণিমা, ৰেণুকা, ৰিণুলৈ .... .... ....

স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ — ৰাতুল, দেবানন্দ, চৈতন্য, জয়ন্ত, লৱ, মনোৰঞ্জন, চিত্ৰ, বাবুল, ৰঞ্জীত, নৱ, ৰাজেশ, অনুপ, ৱাহিদুৰ, ৰাজীৱ, বুদ্ধ, দিব্য, মনমোহন, কৃষ্ণ, বিমান, জ্ঞানেন্দ্ৰ, সিদ্ধিগোপাল, নবীন, বিজু, হিৰেণ, জনাৰ্দন, সদানন্দ, খনেন্দ্ৰ, কুমুদ, দিবাকৰ, অচ্যুত, পদ্ম, খগেন, জিয়াউৰ, জিতুল, পোৱাল, গণেশ, ৰুবুল কাম্মিনী, ৰিমু, ৰাজেন, দীনেশ; ছাত্ৰী -গীতিমা, ইলা, চন্দ্ৰপ্ৰভা, জ্যোতি, বিনীতা, শান্তনা, মীনাক্ষী, লোহিতি, জুমজুম, শান্তি, পৰিস্মীতা, ৰবী, বাসন্তী, বন্তী, বিভা, দৃষ্টীমা, মঞ্জু জুবি, ৰীতা, ৰঞ্জুলৈ .... ....

স্নাতক তৃতীয় বৰ্ষৰ অগ্ৰজ প্ৰতীম ছাত্ৰ — দিলীপ, মুকুল, জয়প্ৰকাশ, ৰেব; বিনয়, যাদৱ, দুৰ্লভ, পুৰন্দৰ, প্ৰশান্ত, জিতেন ছাত্ৰী তুতুমণি, মধুমিতা, নীলাক্ষী, অমিয়া, ৰীতা; দিপাঞ্জলী, মুনমুন, ৰূপজ্যোতি, কল্পনা জুলিলৈ .... ....

উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকৰ ছাত্ৰ - গৌতম, পংকজ, মুকুন্দ, ৰিবন, মিণ্টু, জিতেন্দ্ৰ, ৰাতুল, খগেন, তৰুণ দীপক; বিপুল, লোহিত, লিতুল, প্ৰশান্ত, অৰবিন্দ্ৰ, অৰুণদ্বীপ, নেকিব' পুলিন, টিংকু, থানেশ্বৰ ; ছাত্ৰী - বন্তী, পূৰ্ণলিমা, পুৰবী, জোনমণি, মঞ্জু, ইলা, টুলুমণি, শ্যামলী তনুজা, নিভা (নিবেদিতা), সুৱৰ্ণ, কমলা, স্বৰ্ণ, ৰশ্মি, ইন্দ্ৰানী, মণিস্মৃতা, দীপা, লখিমী, চিন্তু, ৰীণা' বেবী, ভাৰতীলৈ .... ....

উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ - মিণ্টু, উপেন, দ্বিপেন, দুলেন, জোনজোন, খগেন, ভৱেশ, বিকাশ, বাতুল শিবানন্দ, হেমন্ত, ৰুবুল, ছাত্ৰী -- মীনাক্ষী, বন্দনা, জয়া ৰিজু, নৱনিতা, ৰেখা, মণিকা, নিৰুপমা, নলিমা, লৈ .... .... সকলোলৈকে আন্তৰিক অভিনন্দন তথা শলাগৰ শৰাই আগবঢ়ালো। সকলো সময়তে গাৰ ছাঁৰ দৰে সহায় কৰা শ্ৰীজিতুল কোঁৱৰলৈ, ইয়াৰ উপৰিও অজানিতে কলমৰ আগত বৈ যোৱা সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

সদৌ শেষত নৱনিৰ্বাচিত ছাত্ৰ-একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আৰু মোক বাটে-পথে "কিহে মেগাজিন চেক্ৰেটাৰী, মেগাজিন ওলাবনে? —বুলি সোধা সকললৈ হিৰাভৰা মৰম ও ধন্যবাদ জনাই নিৰস সম্পাদকীয় সামৰিছোঁ।

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ আৰু ইয়াৰ মুখপত্ৰখনিৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

"বাজক ডবা
বাজক শংখ
বাজক মৃদংগ খোল
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম বোল।"

শ্ৰীতপন বৰগোহাঁই
সম্পাদক
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় আলোচনী।

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

বৃহত্তৰ নিতাইপুখুৰী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ দৰে এটি শিক্ষানুষ্ঠানৰ নেতৃত্ব লৈ কাম কৰি যোৱাটো কিমান কষ্ট সাধ্য সেই কথা সহজেই অনুভৱ কৰিব পাৰি। তথাপিও গভীৰ আস্থা আৰু প্ৰীতিৰে যিসকলে হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৩-৯৪ চনৰ সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰিবলৈ পূৰ্ণ সহযোগিতাৰ হাত আগবঢ়াই মোক সুযোগ প্ৰদান কৰিলে, প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

এটি গধুৰ দায়িত্ব বহন কৰি সীমিত সময়ৰ মাজেদি বিগত বছৰটোত মই ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়লৈ কি সেৱা আগবঢ়ালো তাৰ বিচাৰৰ ভাৰ আপোনাসবৰ ওপৰতে অৰ্পণ কৰিলো। সেয়ে হলেও এই প্ৰসংগত মোৰ বক্তব্য হ'ল মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি সাধনৰ ক্ষেত্ৰত মোৰ নিজস্ব আন্তৰিক প্ৰচেষ্টাৰ কোনো দিনে অভাৱ নাছিল।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ত বিভিন্ন সময়ত যিখিনি কাম-কাজ আৰু অনুষ্ঠান পালন কৰা হ'ল তাৰে এটি চমু আভাস দাঙি ধৰিলো।

**কাৰ্যভাৰ গ্ৰহণ :—** ছাত্ৰ-ছাত্ৰী তথা হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ হকে কাম কৰি যাম বুলি ১৯৯৩ চনৰ ১৪।১২।৯৩ তাৰিখে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপদেষ্টা সকলৰ উপস্থিতিত শপত গ্ৰহণ কৰি দায়িত্ব ভাৰ গ্ৰহণ কৰো। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতেই কাৰ্য্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰি তাৰ সামাধানৰ অৰ্থে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত ১২ দফীয়া দাবী উত্থাপন কৰা হয়।

**দাবীসমূহ হ'ল:—**

(১) মহাবিদ্যালয়ৰ এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ ব্যৱস্থা।
(২) চাৰি সীমাত কাটা তাঁৰৰ বাৱস্থা।
(৩) ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ শ্ৰেণী কোঠা নিৰ্মাণৰ ব্যৱস্থা।
(৪) মহাবিদ্যালয়ৰ প্ৰত্যেক কোঠাতে বিজুলী বিচনীৰ ব্যৱস্থা।
(৫) মহাবিদ্যালয়লৈ অহা যোৱা কৰা পথটো পকীকৰণৰ ব্যৱস্থা।
(৬) মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা পকীকৰণৰ ব্যৱস্থা।
(৭) ৰূপালী জয়ন্তী এই বছৰতে অনুষ্ঠিত কৰাৰ ব্যৱস্থা।
(৮) দূৰণীবটীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আবাসগৃহ নিৰ্মাণৰ ব্যৱস্থা।
(৯) ছাত্ৰ-ছাত্ৰীৰ বাবে দুটা পৃথক পৃথক শৌচাগাৰ নিৰ্মাণৰ ব্যৱস্থা।
(১০) শ্ৰেণীসমূহ নিয়মীয়া কৰণৰ ব্যৱস্থা।
(১১) মহাবিদ্যালয়ৰ পুথিভঁৰাল উন্নয়নৰ ব্যৱস্থা।
(১২) ছাত্ৰ-ছাত্ৰী জিৰাবৰ বাবে দুটা স্থায়ী পকী জিৰণি চ'ৰা নিৰ্মাণৰ ব্যৱস্থা।

এই সমস্যা সমূহৰ ওপৰত গুৰুত্ব দি কৰ্তৃপক্ষক তৎকালে সমাধান কৰিবৰ বাবে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা দাবী তোলা হৈছে; আৰু কৰ্তৃপক্ষই যিমানখিনি উন্নয়নমূলক কাম কৰিব পাৰি যুদ্ধকালিন তৎপৰতাৰে কৰাৰ প্ৰতিশ্ৰুতি দিছে ।

মোৰ কাৰ্য্যকালৰ অনুষ্ঠান পালনৰ এটি আভাস দাঙি ধৰিলোঁ ।

**প্ৰথম প্ৰচেষ্টা হিচাবে বাৰ্ষিক ক্ৰীড়া সপ্তাহ :—** ইংৰাজী ২৭/১২/৯৩ তাৰিখৰ পৰা ৩১ / ১২ / ৯৩ তাৰিখলৈকে পাঁচ দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ নৱবিংশতিতম ক্ৰীড়া সপ্তাহ পালন কৰা হ'ল । তাৰ লগে লগে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয় । বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত উদ্বৰুধৰ নেওগদেৱে । ক্ৰীড়া সপ্তাহত সহযোগ কৰা অংশ গ্ৰহণকাৰীলৈ উৎসাহমূলক বক্তব্য ৰাখে বিশিষ্ট অতিথি আসনৰ পৰা অসম সাহিত্য সভাৰ মৰিগাওঁ অধিৱেশনৰ সভাপতি প্ৰয়াত ৺ ড° লীলা গগৈদেৱে ।

**সৰস্বতী পূজা :—** পৰম্পৰাগতভাৱে চলি অহা শ্ৰী শ্ৰীসৰস্বতী মাতৃৰ সন্তোষ্টিৰ অৰ্থে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দৰ সহযোগত জাক জমকতাৰে পূজা পালন কৰা হয় ।

**নৱাগত আদৰণি সভাঃ -** ১৯৯৪ চনত আমাৰ মহাবিদ্যালয়লৈ অহা নৱাগত সকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয় । সভাত বিশিষ্ট অতিথি তথা নিৰ্দিষ্ট বক্তাৰ উপস্থিতিত আদৰণি জনোৱা হয় ।

স্বাধীনতা লাভৰ সুদীৰ্ঘকালৰ পিছতো দেশৰ অশান্ত পৰিস্থিতি তথা জনসাধাৰণৰ ওপৰত সাময়িক নিৰ্যাতনৰ প্ৰতিবাদ জনাই দেশৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আমাৰ মহাবিদ্যালয়ত স্বাধীনতা দিৱসৰ সমগ্ৰ কাৰ্যসূচী বৰ্জন কৰি মহাবিদ্যালয়ৰ সন্মুখত কলা পতাকা উত্তোলন কৰা হয় ।

মোৰ কাৰ্যকালত সকলো সময়তে দিহা পৰামৰ্শৰে সহযোগ আগবঢ়োৱা শিক্ষাগুৰু অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত লোহিত শইকীয়া চাৰ আৰু অসমীয়া বিভাগৰ শ্ৰীযুত দিদন্ত গগৈ চাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো । বিভিন্ন সময়ত নানান সুপৰামৰ্শৰে কৰ্ম প্ৰেৰণা যোগোৱা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুলৈ গভীৰ কৃতজ্ঞতা জনালোঁ । লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ পুনৰ আন্তৰিক ধন্যবাদ জনালোঁ ।

এই সুযোগতে মোৰ প্ৰতিটো কৰ্মৰ সমভাগী হোৱা বন্ধু — জয়ন্ত লাহন, নৱ ফুকন, তপন বৰগোঁহাই, দুলাল বৰুৱা, কেশৱ গগৈ বিনোদ কোঁৱৰ, জিয়াউৰ ৰহমান, খগেন হাজৰিকা, জিতুল শইকীয়া, উপেন গগৈ, ৰাতুল খনিকৰ, মনোৰঞ্জন গগৈ, গণেশ দত্ত বান্ধৱী — পৰিস্মিতা আৰন্ধৰা, বাসন্তী বৰুৱা, কবিতা দাস, পূৰ্ণিমা গোঁহাই, ৰীতা গোঁহাই, বিনীতা সন্দিকৈ জ্যোতি কোঁৱৰ, জুলি দত্ত, বিজু বৰঠাকুৰ, গিতিমা বড়া, শান্তি দেৱী, জুবি বৰঠাকুৰ, দিপাঞ্জলী দিহিঙিয়ালৈ ব্যক্তিগতভাৱে কৃতজ্ঞতা জনালোঁ ।

**সামৰণিঃ—** এবছৰীয়া কাৰ্য্যকালত সাধাৰণ সম্পাদক হিচাবে যিমানখিনি কাম কাজ কৰাৰ আঁচনি প্ৰস্তুত কৰিছিলো সেই আঁচনি যে আধৰুৱা হৈ ৰ'ল সেয়া নিশ্চিত । সেয়ে ইয়াৰ বাবে মই ক্ষমাৰ প্ৰাৰ্থী ।



শেষত কাৰ্য্যকালৰ সময়ছোৱাত মোৰ জ্ঞাতে বা অজ্ঞাতে কৰি অহা ভুলৰ বাবে ক্ষমা ভিক্ষা কৰিলো । হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

জয়তু হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
১৯৯৩—৯৪ চন
শ্ৰীজয়ন্ত বৰুৱা
সাধাৰণ সম্পাদক

---

অমৃত বাণী :
" মই কেৱল একেটা কথাকে জানো আৰু সেইটো হল মই একোকে নাজানো । "
—ছক্ৰেটিছ

" অন্ধকাৰ যিমানেই গভীৰ নহওঁক, বিপদ - আপদ, বাধা-বিঘিনি যিমানে প্ৰবল নহওঁক কৰ্মক্ষেত্ৰত তুমি কেতিয়াওঁ ভীত নহবা, বিষন্ন চিত্ত নহ'বা । সকলো সন্দেহ পৰিহাৰ কৰিবা । কোনো কামেই অসাধ্য নহয় ।"
—ঋষি অৰবিন্দ

" শিক্ষকসকল জীৱনদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ । কাৰণ পিতৃ - মাতৃয়ে সন্তান জন্মহে দিয়ে; জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপন কৰে ।
— এৰিষ্টটল

সংগ্ৰাহক
জয় প্ৰকাশ শৰ্মা

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

ইতিহাসৰ বুকুতেই গঢ়ি উঠে বৰ্ত্তমান আৰু ভৱিষ্যত। সেই ইতিহাসে গৰকি যোৱা আমাৰ হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় খন ১৯৬৫ চনতে স্থাপিত হৈছিল। উচ্চ শিক্ষাৰ মেৰুদণ্ড স্বৰূপ এই মহাবিদ্যালয় খনত বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলৰ মহান উদ্দেশ্য পূৰণ হোৱা কামনা কৰিছো। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ লগত খোজত খোজ মিলাই সকলোৰে আগবাঢ়ি যোৱাৰ আশা ৰাখিছো।

মোৰ প্ৰতি আস্থা আৰু স্নেহ ৰাখি ১৯৯৩-১৯৯৪ চনৰ মহাবিদ্যালয়ৰ নিৰ্ব্বাচনত সহকাৰী সাধাৰণ সম্পাদক হিচাপে যি সকল ছাত্ৰ-ছাত্ৰীয়ে সাংবিধানিক নীতিৰে নিৰ্ব্বাচিত কৰিলে তেওঁলোকলৈ প্ৰতিবেদনৰ আৰম্ভণিতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ইচ্ছাত সহঃ সাঃ সম্পাদক পদটি কান্ধ পাতি লব লগীয়া হৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ হকে নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰিছিলো। আমাৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ বিভিন্ন দিশত কিমানখিনি উন্নতি কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

মই মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আয়োজন কৰা প্ৰতিটো কাৰ্য্যসূচীতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলো। মহাবিদ্যালয় সপ্তাহ, শ্ৰীশ্ৰী সৰস্বতী পূজা, নবাগত আদৰণি সভা, আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা ইত্যাদি প্ৰতিটো কাৰ্য্যসূচীতে বিভাগীয় সম্পাদক তথা সাধাৰণ সম্পাদকক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই সাফল্যমণ্ডিত কৰাত সহায় কৰিছিলো। বিশেষকৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা ক্ৰীড়া সমাৰোহত নিজেই অংশ গ্ৰহণ কৰিছিলো। ইয়াৰ উপৰিও সাঃ সম্পাদকক কিছুমান দিশত সহায় সহযোগ আৰু দিহা পৰামৰ্শ আগবঢ়াইছিলো।

মোক সকলো কথাতে সহায় সহযোগ আগবঢ়োৱা মোৰ প্ৰস্তাৱক আৰু সমৰ্থকক আন্তৰিক শুভেচ্ছা যাঁচিলো। বিশেষভাৱে মোক দিহা পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মহোদয় শ্ৰীযুত ডম্বৰুধৰ নেওগ, অধ্যাপক শ্ৰীযুত লোহিত শইকীয়া, প্ৰবক্তা শ্ৰীযুত ললিত তামুলী, প্ৰবক্তা শ্ৰীযুত দিগন্ত গগৈ, প্ৰবক্তা শ্ৰীযুত নোমল কোঁৱৰ আৰু অধ্যাপিকা বাইদেউ শ্ৰীযুক্তা অঞ্জলী গগৈ শ্ৰীযুক্তা ভদ্ৰৱতী গগৈ বাইদেউলৈ আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকললৈ সশ্ৰদ্ধ কৃতজ্ঞতা আগবঢ়াইছো।

মাননীয় শিক্ষা গুৰু সকলৰ উপৰিও বন্ধু সৰ্বশ্ৰী প্ৰশান্ত কোঁৱৰ, কেশৱ গগৈ ৰঞ্জিত বড়া, মাখন দত্ত, দেৱজিৎ চুতীয়া, অশোক চাহু, বাতুল দিহিঙিয়া, দীপক বৰুৱা, প্ৰদীপ বুঢ়া গোঁহাই, মুকুল সন্দিকৈ, বিটু দাস, জয়প্ৰকাশ শৰ্মা, বৈকুণ্ঠ দাস, আৰু বান্ধৱী শ্ৰীমতী কল্পনা সন্দিকৈ, ৰীতা গগৈ, টুটুমনি চেতিয়া, পৰিস্মৃতা আৰন্ধৰা, বন্তী বুঢ়াগোঁহাই লগতে বাইদেউ শ্ৰীমতী মুনমুন হুৱৰা, অৰ্চনা কোঁৱৰ, বিনীতা সন্দিকৈ, আৰু ভনী চাহেদা বেগম, মিনাক্ষী দত্ত, জুবি বৰঠাকুৰ, জুৰী দত্ত, আৰু অজানিতে কলমৰ আগত বৈ যোৱা সকলক সশ্ৰদ্ধাৰে সোঁৱৰিছো।



সদৌ শেষত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মোৰ এটাই অনুৰোধ তেওঁলোকৰ মহান উদ্দেশ্য আগত ৰাখি যাতে মহাবিদ্যালয়ৰ উন্নতিৰ হকে নিষ্ঠাৰে ভাতৃত্ব ভাৱেৰে একতাৰে কাম কৰি আগুৱাই যায়। ধন্যবাদেৰে

শ্ৰীবিনোদ কোঁৱৰ
সহঃ সাঃ সম্পাদক
ছাত্ৰ একতা সভা ১৯৯৩-৯৪ চন

---

"আত্মাৰ সূক্ষ্মতম অনুভূতি, প্ৰাকৃতিক জগতৰ বৈচিত্ৰ্যময় সৌন্দৰ্য্য, প্ৰাণী জগতৰ অবিচ্ছেদ্য সমন্ধৰ সোণালী সপোন দিঠক কৰি চোৱাই হৈছে সুকুমাৰ কলা আৰু শিল্পৰ অনিৰ্ব্বচনীয় আনন্দ।"

—৺বাগীবৰ ফুকন।

"তুমি যেতিয়ালৈকে সন্মান নোপোৱা, সন্মান কি বিশ্বাস কৰিব নোৱাৰা। তুমি নিজকে উজ্বল আৰু পবিত্ৰ ৰখায় শ্ৰেয়। তুমিয়েই খিৰিকি স্বৰূপ হোৱা যাৰ দ্বাৰা তুমি নিশ্চয় পৃথিৱীখন দেখা পাবা।"

—বাৰ্নাড শ্ব'—

## সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদন লিখিবলৈ গৈ "সমাজ সেৱা" বিভাগৰ সম্পাদক হিচাপে কি কৰিলো আৰু
কি কৰিব নোৱাৰিলো সেই বিষয়ে লিখাৰ আগেয়ে "হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ
১৯৯৩/৯৪ চনৰ ছাত্ৰ একতা সভাৰ "সমাজ সেৱা" বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্ব্বাচন
কৰি সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-
ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত
বিভিন্ন প্ৰকাৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সভাপতি
অধ্যাপক শ্ৰীযুত লোহিত চন্দ্ৰ শইকীয়াদেৱ, অধ্যাপক শ্ৰীযুত দিগন্ত গগৈদেৱ আৰু উপদেষ্টা মহোদয়
শ্ৰীযুত অপূৰ্ব বৰগোঁহাইদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জনালোঁ।

যোৱা ইং ১৪।১২।৯৩ তাৰিখে মই হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা
সভাৰ "সমাজ সেৱা" বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিলো। ইয়াৰ পিছতেই
ইং ২৬।১২।৯৩ তাৰিখৰ পৰা ৩১।১২।৯৩ তাৰিখলৈকে বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহ পালন
কৰিব লোৱাৰ বাবে খেল পথাৰখন "সমাজ সেৱা" বিভাগৰ দ্বাৰা দুদিন ধৰি পৰিষ্কাৰ কৰা
আৰু তোৰণ নিৰ্মাণ কৰা হয়। ইয়াৰ পিছতেই ড° লীলা গগৈ আমন্ত্ৰিত হোৱাত ২৯।১।৯৪ তাৰি-
খৰ বঁটা বিতৰণী সভাৰ তোৰণ নিৰ্ম্মাণৰ লগতে মহাবিদ্যালয় চৌদহটো চাফ চিকুন কৰা হয়।
মহাবিদ্যালয়ত চিৰা চৰিত ভাৱে পালন কৰি অহা শ্ৰীশ্ৰীবাগদেৱী বীণাপানি পূজাৰ
বাবে সকলোখিনি আয়োজন এই 'সমাজ সেৱা' বিভাগৰ দ্বাৰাই কৰা হয়। ২৭।৮।৯২ তাৰিখে
নৱীন ছাত্ৰ ছাত্ৰীসকলক আদৰণি জনাবৰ বাবে যি নৱাগত আদৰণি সভা আয়োজন কৰা হৈছিল
তাৰ বাবে তিনিদিন আগৰে পৰা সকলো কাম নিয়াৰিকৈ কৰা হয়।

যি কি নহওঁক কৰ্তব্যৰ খাতিৰত মই কেতিয়াবা অজানিতে কৰা ভুল-ক্ৰটিৰ বাবে সকলোৰে
ওচৰত ক্ষমাৰ পাত্ৰ হব বুলি আশা ৰাখিলো। মোৰ কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে সহায় সহ-
যোগিতা আগবঢ়াই অহা সকললৈ মোৰ অন্তৰভৰা প্ৰীতি ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। আশা
ৰাখিছো পৰৱৰ্ত্তী দিনবোৰতো যেন তেখেত সকলৰ পৰা সহায় সহযোগিতা পাই থাকিম।
সদৌ শেষত "হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়"ৰ ছাত্ৰ একতা সভাৰ সৰ্বাঙ্গ সুন্দৰ ভৱিষ্যৎ
কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলোঁ।

শ্ৰীউপেন গগৈ।
সম্পাদক
সমাজ সেৱা বিভা, ছাত্ৰ একতা সভা
১৯৯৩-৯৪ চন।



## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন।

জয় জয়তে হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা
সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে বিজয়ী হৈ সেৱা আগবঢ়াবলৈ
সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ হিয়াভৰা
ওলগ জনালোঁ।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰা এসপ্তাহ মানৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ
হোৱাত বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ লগতে, সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

মই সাংস্কৃতিক বিভাগৰ সম্পাদক ৰূপে কাৰ্য পৰিচালনা কৰোঁতে কিমানখিনি সফলতা
লাভ কৰিলোঁ সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পণ কৰিলোঁ। আমাৰ মহাবিদ্যালয়ত
থকা বাদ্য যন্ত্ৰ কেইপদ মই অত্যন্ত শোচনীয় অৱস্থাত পাইছিলোঁ যদিও পাৰ্যমানে চেষ্টা কৰি
কম সময়ৰ ভিতৰত মেৰামতি কৰাই আনিলোঁ। বৰ্ত্তমান মহাবিদ্যালয়ত থকা বাদ্য যন্ত্ৰ কেইপদেই
যথেষ্ট নহয়। সময়ত বাদ্য যন্ত্ৰৰ বাবেই যথেষ্ট অসুবিধা ভোগ কৰিব লগা হয়। সেই
হেতুকে মই বৰ্তমান মহাবিদ্যালয়ৰ প্ৰয়োজনীয় বাদ্য যন্ত্ৰ সমূহৰ অভাৱ অনতি পলমে দূৰ
কৰিবলৈ মহাবিদ্যালয় কতৃ'পক্ষ তথা নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই উপযুক্ত কাৰ্য ব্যৱস্থা
হাতত লব বুলি আশা কৰিলোঁ। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত সকলো কামতে সুপৰামৰ্শৰে
সহায় কৰি অহা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ভবকুধৰ নেওগ চাৰলৈ হিয়াভৰা কৃতজ্ঞতা
জনালোঁ। সাংস্কৃতিক বিভাগৰ উপদেষ্টা অধ্যাপক শ্ৰীযুত দিগন্ত গগৈ চাৰেও সকলো ক্ষেত্ৰত
কঠোৰ পৰিশ্ৰম কৰি বিভাগীয় কাৰ্য্যসূচী পৰিচালনা কৰাত যথেষ্টখিনি সহায় আগবঢ়াইছিল,
তেখেতলৈ কৃতজ্ঞতা জনালোঁ।

এইখিনিতে ১৯৯৩-৯৪ বছৰৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু
-বান্ধৱীয়ে অশেষ কষ্ট কৰি মোক সকলো প্ৰকাৰে সহায় আগবঢ়ালে, তেওঁলোকলৈ আন্তৰিক
মৰম ও ধন্যবাদ আগবঢ়ালোঁ। কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা ভুল-ক্ৰটিৰ বাবে
ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে নিৰ্বাচনত সহায় কৰা মোৰ
প্ৰস্তাৱক শ্ৰীমতী ৰিজু হাজৰিকা আৰু সমৰ্থক বন্ধু শ্ৰীজিতুল শইকীয়ালৈ আছুতীয়াকৈ মৰম
যাঁচিলো। শেষত মহাবিদ্যালয়ৰ সকলো দিশত উন্নতি কামনা কৰি সংগীত বিভাগৰ উজ্বল
ভৱিষ্যত কামনাৰে মোৰ চমু বছেৰেকীয়া প্ৰতিবেদন সামৰিলোঁ।

জয়তু হেম চন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়।

মঃ জিয়াউৰ ৰহমান
সাংস্কৃতিক বিভাগৰ সম্পাদক
হেম চন্দ্ৰ দেৱ গোস্বামী
মহাবিদ্যালয়, ছাত্ৰ একতা সভা।

## খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ।

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদক হিচাবে মোক যি সকল ছাত্ৰ-ছাত্ৰীয়ে সেৱা আগবঢ়াবলৈ সুবিধা দিলে তেখেতে সকলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো ।

মই খেল বিভাগৰ সম্পাদক ৰূপে কিমান খিনি সফলতা লাভ কৰিলো নাজানো । অৱশ্যে মহাবিদ্যালয়ৰ উন্নতিৰ হকে মোৰ কাৰ্য্য কালছোৱাত কিবা এটা কৰাৰ চেষ্টা কৰিছিলো । কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাচতে মহাবিদ্যালয় ক্ৰীড়া সপ্তাহত মোৰ দায়িত্বত থকা ফুটবল ভলীবল খেল অনুষ্ঠিত কৰো । খেল কেইখন পৰিচালনা কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো যদিও বিভাগীয় উপদেষ্টা মহোদয়ৰ সুনিৰ্মল পৰামৰ্শ আৰু কেইজনমান বন্ধুৰ সহযোগত সকলো-বোৰ বাধা অতিক্ৰম কৰি খেল কেইখন অনুষ্ঠিত কৰিবলৈ সক্ষম হলো ।

প্ৰতি বছৰৰ দৰে এই বছৰো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতি-যোগিতাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ সকলে প্ৰায় এমাহ দিন অনুশীলন কৰি এটি শক্তিশালী দল গঠন কৰে । মেডিকেল কলেজৰ খেল পথাৰত অনুষ্ঠিত হোৱা ছুলীয়াজান মহাবিদ্যালয়ৰ লগত হোৱা ফাইনেল খেলত ৰাণাৰ্চ আপ দলৰ সন্মান লাভ কৰে । সদৌ শেষত মোৰ কাৰ্য্যকালচোৱাত সকলো প্ৰকাৰে দিহা পৰামশ দি সহায় কৰা উপদেষ্টা মহোদয় [illegible] ছাত্ৰ বন্ধু জিতুল খগেন, মনোৰঞ্জন, সত্যৰঞ্জন, চিত্ৰ, জ্ঞানেন্দ্ৰ, তপন নবীন, বিনোদ, প্ৰশান্ত আৰু নৱ নিৰ্বাচিত সম্পাদক সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদন সামৰণি মাৰিলো ।

জয়তু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়,
ছাত্ৰ একতা সভা, ১৯৯৩-৯৪ চন ।

শ্ৰীখগেন হাজৰিকা
খেল বিভাগৰ সম্পাদক ।



## ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকল বীৰ শ্বহীদে কেচাঁ তেজ ঢালি জীৱন উচৰ্গা কৰিলে সেই সকলৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ ।

যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰিলে সেইসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ । কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় । মোৰ দায়িত্বত থকা বিভিন্ন খেল সমূহ অনুষ্ঠিত কৰিছিলো । খেল সমূহ অনুষ্ঠিত কৰাত যথেষ্ট খিনি অসুবিধা পাইছিলো যদিও কেইজনমান বন্ধু তথা বিভাগীয় উপদেষ্টা মহোদয়ৰ সহযোগত সকলো খিনি নিয়াৰিকৈ কৰি গলো । সকলো বিলাক খেলতে যোগদান কৰা প্ৰতিযোগী সকলৈ ধন্যবাদ জ্ঞাপন কৰিলো । এইখিনিতে এটা কথা নকৈ নোৱাৰিলো যে এই মহাবিদ্যালয় খনত প্ৰায় ১২০০ মান ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰি আছে । কিন্তু দেখা যায় যে প্ৰতিটো বিভাগৰ প্ৰতিযোগিতা সমূহত প্ৰতি-যোগীৰ সংখ্যা একেবাৰে সীমিত । মোৰ আশা অদূৰ ভৱিষ্যতে সকলো বিভাগৰ প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব ।

আমাৰ কৰ্ত্তব্য মহাবিদ্যালয়ৰ সকলো নিয়ম নীতি মানি চলাৰ লগতে সকলো বস্তুকে নিজৰ বস্তুৰ দৰে ব্যৱহাৰ কৰা । তেতিয়াহে আমি আমাৰ লক্ষ্যত উপনীত হব পাৰিম ।

মোৰ কাৰ্য্যকালচোৱাত সকলো কামতে সহায় সহযোগ আগবঢ়োৱা বিভাগীয় উপদেষ্টা মহোদয় শ্ৰীযুত ৰেব বড়া চাৰলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো । লগতে শ্ৰীযুত দিগন্ত গগৈ চাৰ আৰু বন্ধু চুইত বড়া, ৰুবুল বড়া, পুলিন দত্ত, নীল বড়ালৈ শলাগৰ শৰাই আগবঢ়ালো ।

সদৌ শেষত মহাবিদ্যালয় খনিৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জল ভৱিষ্যত কামনা কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু নৱ নিৰ্বাচিত সম্পাদক, সম্পাদিকা সকলৈ মোৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰি ক্ৰীড়া সম্পাদকৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

শ্ৰীগনেশ দত্ত
ক্ৰীড়া সম্পাদক ।
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় ।

## ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ চিৰ নমস্য শিক্ষাগুৰু সকলৈলে মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী আৰু বন্ধু-বান্ধৱী সকলৈলে ওলগ জনাই মোৰ সম্পাদিকাৰ প্ৰতিবেদনৰ পাতনি মেলিছো ।

১৯৯৩-৯৪ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ দায়িত্বত থকা খেল সমূহ আছিল ডবা, কেৰম, বেদমিণ্টন, টেবুল টেনিছ । বিভিন্ন খেলসমূহত যোগদান কৰা আৰু পাৰদৰ্শিতা অৰ্জন কৰা খেলুৱৈ বৃন্দলৈ মোৰ হিয়ভৰা ধন্যবাদ যাচিলো আৰু বিজয়ী প্ৰতিযোগী সকলকৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি চ'ৰাটোৰ, আজি মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ ২৯ বছৰৰ পাছতো বিশেষ উন্নতি পৰিলক্ষিত হোৱা নাই । মহাবিদ্যালয়ৰ ছাত্ৰীৰ অনুপাতত কোঠাটোৰ আকাৰ নিচেই সৰু, যাৰ ফলত জিৰণি চৰাৰ অন্তৰ্ভূক্ত সকলোবোৰ খেল খেলাত ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হব লগা হয় । তাৰোপৰি খেলা-ধুলাৰ সামগ্ৰীৰ অভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হোৱা নাই । গতিকে মহাবিদ্যালয় কৰ্তৃপক্ষক ওপৰোক্ত অভাৱ দূৰ কৰিবলৈ অনুৰোধ জনালো ।

মোৰ কাৰ্য্যকালৰ ভিতৰত হয়তো অনেক ত্ৰুটি-বিচ্যুতি থাকি গল আৰু অজানিত ভাৱে কৰা যি কোনো ভূলৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ত্ৰুটি মাৰ্জনা বিচাৰিছো ।

মোৰ কাম কাজত সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা আৰু সুপৰামৰ্শৰে পৰি-
চালনা কৰা বিভাগীয় অধ্যাপিকা অঞ্জলী গগৈ বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত
লোহিত শইকীয়া চাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

মোৰ কাৰ্য্যকালত সৰ্বতো প্ৰকাৰে সহায় আগবঢ়োৱা বুদ্ধ, ৰাজীৱ, বিনোদ, নৱ, প্ৰশান্ত,
তপন. জয়ন্ত তীৰ্থ, দেইজী, পূৰ্ণিমা, গীতা, মিনাক্ষী, ৰিকুমণি, ৰুমিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো ।
সদৌ শেষত মহাবিদ্যালৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছো ।

শ্ৰীমতী পৰিস্মিতা আৰন্ধৰা
ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা ।



## ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি
চ'ৰা বিভাগৰ সম্পাদক হিচাবে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাৰ সুযোগ কৰি
দিয়াত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ও সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন
কৰিলোঁ । লগতে মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত সকলো প্ৰকাৰে দিহা পৰামৰ্শ তথা
সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সভাপতি মহোদয় শ্ৰীযুত লোহিত শইকীয়া চাৰ
আৰু মোৰ বিভাগৰ উপদেষ্টা মহোদয় মাননীয় শ্ৰীযুত ললিত তামুলী দেৱলৈ কৃতজ্ঞতা জ্ঞাপন
কৰিলোঁ ।

মই ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক ৰূপে কাম কৰাত কিমানখিনি সফলতা লাভ কৰিলোঁ,
সেই বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পণ কৰিলোঁ । অৱশ্যে মহাবিদ্যালয়ৰ উন্নতিৰ
কাম কৰাত মোৰ কাৰ্যকালছোৱাত অৱহেলা কেতিয়াও কৰা নাছিলোঁ । অজানিতে হৈ যোৱা
ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতে মহাবিদ্যালয়ৰ অষ্টবিংশতিতম বাৰ্ষিক
ক্ৰীড়া সপ্তাহ আয়োজন কৰা হয় । মোৰ দায়িত্বত থকা কেৰম, ডবা, বেডমিণ্টন টেবুল-টেনিচ
আদি প্ৰায়বোৰ খেলাই অনুষ্ঠিত কৰা হয় । খেলসমূহ অনুষ্ঠিত কৰাত যথেষ্টখিনি অসুবিধাৰ
সন্মুখীন হৈছিলোঁ যদিও বিভাগীয় উপদেষ্টা মহোদয়ৰ পৰামৰ্শৰ উপৰিও কেইজনমান বন্ধুৰ
সহযোগত সকলোবোৰ বাধা-বিঘিনি অতিক্ৰম কৰি সকলো খেলা অনুষ্ঠিত কৰিবলৈ সক্ষম হ'লো ।
উক্ত খেল সমূহত যোগাদান কৰা সকলো ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিলোঁ ।
শ্ৰীবিনোদ কোঁৱৰে ছাত্ৰ জিৰণি চ'ৰাৰ অন্তৰ্গত খেলসমূহত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ।
তেওঁৰ লগতে অন্যান্য সকলো বিজয়ী প্ৰতিযোগীৰপৰা সুদূৰ ভৱিষ্যতে উচ্চ মানদণ্ডৰ খেল
প্ৰদৰ্শনৰ আশা ৰাখিছোঁ আৰু সকলোটিলৈ শুভেচ্ছা জনালোঁ ।

এইখিনিতে আমাৰ ছাত্ৰ জিৰণি চ'ৰাটোৰ এটা প্ৰতিচ্ছৱি দাঙি ধৰিব খুজিছোঁ ।
মহাবিদ্যালয়ৰ ছাত্ৰৰ সংখ্যাৰ তুলনাত কোঠাটোৰ আয়তন তেনেই ঠেক; যাৰ ফলত খেলুৱৈ
সকলে খেল প্ৰদৰ্শন আৰু ক্ৰীড়ামোদী ছাত্ৰ সকলে খেল উপভোগ কৰাত অসুবিধা হয় ।
ইয়াৰ উপৰিও কোঠাটোৰ মজিয়াখন কেঁচা; যাৰ ফলত টেনিচ খেলাত যথেষ্টখিনি অসুবিধাৰ
সৃষ্টি হয় ।

গতিকে কলেজ কৰ্তৃপক্ষই জিৰণি চ'ৰাটোৰ মজিয়াখন পকীকৰণ আৰু বিজুলীৰ যোগান
ধৰি ছাত্ৰসকলৰ খেলাৰ মানদণ্ড উন্নত কৰিবলৈ সহায় আগবঢ়াব বুলি আশা ৰাখিলোঁ ।

ছাত্ৰসকলৰ প্ৰতি অনুৰোধ থাকিল আমাৰ জিৰণি কোঠাৰ সামগ্ৰীসমূহ নিজৰ দৰে
ব্যৱহাৰ কৰিব লাগে আৰু জিৰণি কোঠাৰ ভিতৰত যিখিনি নিয়মানুবৰ্তীতা মানি চলিব লাগে;
সেইখিনি মানি চলিলেহে আমাৰ প্ৰকৃত লক্ষ্যত উপনীত হব পাৰিম ।

মোক সকলো সময়তে সহযোগ আগবঢ়োৱা বিনোদ কোঁৱৰ, খগেন বড়া, জিয়াউৰ ৰহমান, ৰচিদ আলি, নবীন গগৈলৈ শলাগৰ শৰাই আগবঢ়ালোঁ।

সন্দো শেষত মহাবিদ্যালয়খনিৰ সকলো দিশত উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

শ্ৰীজিতুল শইকীয়া
সম্পাদক, ছাত্ৰ জিৱণি চৰা'
হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয়।

---

"আমাৰ মগজুত কিছুমান বা-বাতৰি ভৰাই ৰাখিলে প্ৰকৃত শিক্ষা হোৱা বুলি ক'ব নোৱাৰি, যাৰ ফলত আমি উদণ্ড হৈ কাম কৰি ফুৰিম। প্ৰকৃত শিক্ষাৰ ফলত আমি মানুহ বোলাব পৰা আদৰ্শৰ সমন্বয় ঘটাব লাগিব।"

—স্বামী বিবেকানন্দ

# অষ্টবিংশতিতম মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

## তৰ্ক আৰু সাহিত্য বিভাগ

১। আকস্মিক বক্তৃতা
১ম স্থানঃ দিলিপ গগৈ।
২য় ,, ঃ বিজু বৰঠাকুৰ।
৩য় ,, ঃ নীলাক্ষী ৰাজ খনিকৰ।

২। নিৰ্বাচিত অসমীয়া কবিতা আবৃত্তি
১ম স্থানঃ দিলিপ গগৈ।
২য় ,, ঃ কুমুদ তুৰবা।
৩য় ,, ঃ নীলাক্ষী ৰাজ খনিকৰ।

৩। নিৰ্বাচিত ইংৰাজী কবিতা আবৃত্তি
উদগনিমূলক বঁটা ক্ৰমেঃ—
ঃ তুতুমনি চেতিয়া।
ঃ দিলিপ গগৈ।
ঃ ৰশ্মি সন্ধ্যা দত্ত।
ঃ ৰাতুল কুমাৰ চেতিয়া।

৪। ৰচনা – অসমীয়া
১ম স্থানঃ তুতুমনি চেতিয়া।
২য় ,, ঃ তুলাল বৰুৱা।
৩য় ,, ঃ বিজু বৰঠাকুৰ।
উদগনি বঁটাঃ বেৰকান্ত দত্ত।

৫। প্ৰবন্ধ—অসমীয়া
উদগনি বঁটাঃ তুলাল বৰুৱা।

৬। কবিতা লিখনি—অসমীয়া
উদগনি বঁটা ক্ৰমে—
ঃ প্ৰীতি বৰ বৰুৱা।
ঃ ৰূপজ্যোতি চাংমাই।
ঃ তুতুমনি চেতিয়া।
ঃ চাহেদা বেগম।
ঃ জয়া বৰ গোহাঁই।

৭। কুইজ
১ম স্থান ক্ৰমে—
ঃ ৰঞ্জন গগৈ
ঃ হেমাঙ্গী ৰাজকুমাৰী।
ঃ মাধুৰিমা গগৈ।
২য় স্থান ক্ৰমে—
ঃ হৰ্ষজিত দিহিঙিয়া বৰুৱা।
ঃ বিজু বৰঠাকুৰ।
ঃ বাবুলাল শইকীয়া।
৩য় স্থান ক্ৰমে—
ঃ তুলাল বৰুৱা।
ঃ মণিকান্ত খনিকৰ।
ঃ ইন্দু গগৈ।

৮। আকস্মিক কবিতা লিখনি— অসমীয়া
উদগনি বঁটা— ঃ মিণ্টো বুঢ়াগোহাঁই।

৯। চুটি গল্প লিখনি — অসমীয়া
১ম স্থান ক্ৰমে— প্ৰীতি বৰবৰুৱা
২য় ,, ,, বিজু বৰঠাকুৰ
৩য় ,, ,, বিকাশ গগৈ

## সংগীত আৰু সাংস্কৃতিক বিভাগ

১। লোক গীত—
১ম স্থানঃ ৰেখা মণি দত্ত।
২য় ,, ঃ মীনাক্ষী ৰাজখনিকৰ।
৩য় ,, ঃ শান্তি দেৱী।

২। বৰগীত—
১ম স্থানঃ কামাখ্যা শইকীয়া
২য় ,, ঃ ৰেখামণি দত্ত।
৩য় ,, ঃ মীনাক্ষী ৰাজখনিকৰ।

৩। আধুনিক গীত—

১ম স্থানঃ কামাখ্যা শইকীয়া ।

২য় „ ঃ ৰেখা মণি দত্ত ।

৩য় „ ঃ ডালিমী বৰুৱা ।

„ „ ঃ প্ৰীতি বৰ বৰুৱা ।

৪। বিহু গীত—

১ম স্থানঃ ডালিমী বৰুৱা ।

২য় „ ঃ দুলাল বৰুৱা ।

৩য় „ ঃ যাদৱ বৰুৱা

৫। জিকিৰ—

১ম স্থানঃ দিলিপ গগৈ ।

২য় „ ঃ ৰেখা মণি দত্ত ।

৩য় „ ঃ শান্তি দেৱী ।

৬। জ্যোতি সংগীত—

১ম স্থানঃ দিলিপ গগৈ ।

২য় „ ঃ জয়া বৰ গোহাঁই ।

২য় „ ঃ মীনাক্ষী ৰাজখনিকৰ ।

৭। বিয়া নাম—

১ম স্থানঃ ৰেখা মণি দত্ত ।

২য় „ ঃ ডালিমী বৰুৱা ।

৩য় „ ঃ দুলাল বৰুৱা ।

„ „ ঃ পোৱাল বুঢ়া গোহাঁই ।

৮। ভূপেন্দ্ৰ সংগীত—

১ম স্থানঃ কামাখ্যা শইকীয়া ।

২য় „ ঃ ৰেখা মণি দত্ত ।

৩য় „ ঃ ডালিমী বৰুৱা ।

৯। পেৰদী—

১ম স্থান - ৰেখামণি দত্ত

২য় „ ডালিমী বৰুৱা

৩য় „ পোৱাল বুঢ়াগোহাঁই

„ „ জয়া বৰগোহাঁই

১০। মিছিং গীত—

১ম স্থান — দিলিপ গগৈ

২য় „ ভৰেশ টায়ে

৩য় „ ৰণজিত বড়া

„ „ ৰেখামণি দত্ত

উদ্গণি বঁটা— জয়া বৰগোহাঁই

১১। ৰাভা সংগীত—

১ম স্থান — প্ৰাঞ্জল শৰ্মা

২য় „ ৰেখামণি দত্ত

৩য় „ ডালিমী বৰুৱা

১২। পাৰ্বতী প্ৰসাদৰ গীত —

১ম স্থান — প্ৰাঞ্জল শৰ্মা

২য় „ ডালিমী বৰুৱা

৩য় „ ৰেখামণি দত্ত

উদ্গণি বঁটা — দিলিপ গগৈ

১৩। বনগীত —

১ম স্থান — প্ৰাঞ্জল শৰ্মা

২য় „ ডালিমী বৰুৱা

৩য় „ ৰেখামণি দত্ত

উদ্গণি বঁটা - জয়া বৰগোহাঁই

১৪। বিহু নৃত্য —

১ম স্থান — শেৱালী বৰুৱা ।

২য় „ ৰূপজ্যোতি তামুলী ।

৩য় „ গীতিমা বড়া

„ „ পোৱাল বুঢ়াগোহাঁই ।

উদ্গণি বঁটা- ৰূপালী ৰেইন ।

১৫। আধুনিক গীত —

উদ্গণি বঁটা- শেৱালী বৰুৱা ।

১৬। ঢোল বাদন —

১ম স্থান — পোৱাল বুঢ়াগোহাঁই ।

২য় „ নৃপেন তামুলী ।

৩য় „ গকুল গগৈ ।

উদ্গণি বঁটা - শান্তনু বড়া ।

১৭। একক অভিনয় —

১ম স্থান — বিজুমনি গগৈ

২য় „ অনামিকা বৰবৰুৱা

৩য় „ নবকুমাৰ ফুকন

„ „ চাহেদা বেগম ।

উদ্গণি বঁটা- ৰাতুল কুমাৰ চেতিয়া

১৮। মূক অভিনয় —

১ম স্থান — তপন বৰগোহাঁই

২য় „ মীনাক্ষী দত্ত

৩য় „ অজেন্ত গগৈ

„ „ তীৰ্থ চেতিয়া

১৯। ব্যঙ্গ অভিনয় —

১ম স্থান — চাহেদা বেগম

১ম „ বিজুমনি গগৈ

২য় „ তীৰ্থ চেতিয়া

৩য় „ জয়ন্ত লাহন

কামাখ্যা শইকীয়া

উদ্গণি বঁটা প্ৰশান্ত কোঁৱৰ

২০। ছদ্মবেশ ধাৰণ —

১ম স্থান — ৰেখামনি দত্ত

২য় „ তপন বৰগোহাঁই

৩য় „ মনোৰমা দত্ত

শ্ৰেষ্ঠ গায়িকা — ১৯৯৩-৯৪ চনৰ বাবে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ঃ— শ্ৰীমতী ৰেখামণি দত্ত

## একাংক নাট প্ৰতিযোগিতা

১। শ্ৰেষ্ঠ নাটক — "অভিশপ্ত ছুলিয়াজান"

পৰিচালক — মুন মুন ছুৰবা

অভিনয়ত— বিনোদ কোঁৱৰ

প্ৰশান্ত কোঁৱৰ

কৃষ্ণ চেতিয়া

ৰাতুল দিহিঙিয়া

ৰণজিত বড়া

পুলিন সন্দিকৈ

জ্যোতি গগৈ

২। দ্বিতীয় শ্ৰেষ্ঠ নাটক — "এটুকুৰা কটি বাবে"

পৰিচালক— জয়ন্ত লাহন

অভিনয়ত - তপন বৰগোহাঁই

জয়ন্ত লাহন

নব কুমাৰ ফুকন

কামাখ্যা শইকীয়া

৩। তৃতীয় শ্ৰেষ্ঠ নাটক — "প্ৰস্তুতি"

পৰিচালক— তীৰ্থ চেতিয়া

অভিনয়ত — প্ৰহ্লাদ ৰাজখনিকৰ

প্ৰাঞ্জল প্ৰতীম কোঁৱৰ

ৰাতুল কুমাৰ চেতিয়া

বিতোপন কোঁৱৰ

অনামিকা বৰবৰুৱা

৪। চতুৰ্থ শ্ৰেষ্ঠ নাটক — "মুখ আৰু মুখা"

পৰিচালিকা — সন্ধ্যা ৰাজখনিকৰ

অভিনয়ত — চাহেদা বেগম

বিজুমনি গগৈ

প্ৰীতি বৰবৰুৱা

মীনাক্ষী দত্ত

জুবি বৰঠাকুৰ

অৰ্চনা কোঁৱৰ

বিনীতা সন্দিকৈ

বন্তী বৰগোহাঁই

শ্ৰেষ্ঠা পৰিচালিকা— শ্ৰীমতী মুন মুন ছুৰবা ( অভিশপ্ত ছুলিয়াজান )

দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক — জয়ন্ত লাহন ( এটুকুৰা ৰুটিৰ বাবে )

শ্ৰেষ্ঠ অভিনেতা — শ্ৰীজয়ন্ত লাহন ( এটুকুৰা ৰুটিৰ বাবে )

দ্বিতীয়—প্ৰশান্ত কোঁৱৰ ( অভিশপ্ত ছুলিয়াজন )

তৃতীয়—বিতোপন কোঁৱৰ ( প্ৰস্তুতি )

শ্ৰেষ্ঠা অভিনেত্ৰী – শ্ৰীমতী জ্যোতি গগৈ ( অভিশপ্ত ছুলিয়াজান )

দ্বিতীয়—শ্ৰীমতী অনামিকা বৰবৰুৱা ( প্ৰস্তুতি )

তৃতীয়—শ্ৰীমতী প্ৰীতি বৰবৰুৱা ( মুখ আৰু মুখা )

## ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ খেল সমূহৰ ফলাফল ঃ—

১। কেৰম
(১) চেম্পিয়ন- শ্ৰীপ্ৰশান্ত কোঁৱৰ
(২) ৰাণাৰ্চ আপ শ্ৰীনবীন গগৈ

২। বেডমিন্টন
চেম্পিয়ন— শ্ৰীবিনোদ কোঁৱৰ
ৰাণাৰ্চ আপ—শ্ৰীনীলকান্ত বড়া

৩। টেবুল টেনিচ
চেম্পিয়ন—শ্ৰীনৰ চাংমাই
ৰাণাৰ্চ আপ—শ্ৰীবিনোদ কোঁৱৰ

৪। ডবা —
চেম্পিয়ন — শ্ৰীহৰ্ষজিৎ দিহিঙ্গিয়া বৰুৱা
ৰাণাৰ্চ আপ - শ্ৰীঅজয় গগৈ

## ছাত্ৰী জিৰণি চ'ৰা বিভাগ

১। ডবা --
চেম্পিয়ন -- প্ৰীতি বৰবৰুৱা
ৰাণাৰ্চ আপ --শান্তনা শইকীয়া

২। কেৰম চিংগলছ
চেম্পিয়ন— দীপাঞ্জলী বৰুৱা
ৰাণাৰ্চ আপ— অৰ্চনা কোঁৱৰ

৩। কেৰম ডাবলছ
চেম্পিয়ন — অৰ্চনা কোঁৱৰ
চাহেদা বেগম
ৰাণাৰ্চ আপ—দীপাঞ্জলী বৰুৱা
জ্যোতি চেতিয়া

৪। টেবুল টেনিছ —
চেম্পিয়ন — দীপাঞ্জলী বৰুৱা
ৰাণাৰ্চ আপ —মীনাক্ষী দত্ত

৫। বেডমিন্টন চিংগলছঃ
চেম্পিয়নঃ — শ্ৰীমতী মীনাক্ষী দত্ত
ৰাণাৰ্চ আপ -- শ্ৰীমতী পবিস্মীতা আবন্ধৰা

৬· বেটমিন্টন ডাবলছ ঃ—
চেম্পিয়ন — শ্ৰীমতী অৰ্চনা কোঁৱৰ
শ্ৰীমতী জুবি বৰঠাকুৰ
ৰাণাৰ্চ আপ — শ্ৰীমতী মীনাক্ষী দত্ত
শ্ৰীমতী বন্তী বৰগোহাঁই

## খেল বিভাগ

দৌৰ প্ৰতিযোগিতা ঃ -
লৰাৰ--১০০ মিটাৰঃ --
১ম স্থানঃ - শ্ৰীনগেন মাঝি
২য় „ — শ্ৰীখগেন গগৈ
৩য় „ শ্ৰীপদ্ম গগৈ

২০০ মিটাৰঃ—
১ম স্থানঃ-- শ্ৰীনগেন মাঝি
২য় „ — শ্ৰীখগেন গগৈ
৩য় „ -- শ্ৰীপদ্ম গগৈ

৪০০ মিটাৰঃ —
১ম স্থানঃ— শ্ৰীকেশৱ গগৈ
২য় „ — শ্ৰীনগেন মাঝি
৩য় „ — শ্ৰীপদীপ গগৈ

৮০০ মিটাৰঃ —
১ম স্থানঃ— শ্ৰীকেশৱ গগৈ
২য় „ — শ্ৰীনগেন মাঝি
৩য় „ — শ্ৰীখগেন গগৈ

১৫০০ মিটাৰ
১ম স্থানঃ— শ্ৰীপ্ৰাঞ্জল প্ৰতিম কোঁৱৰ
২য় „ — শ্ৰীঅজেন্দ্ৰ গগৈ
৩য় „ — শ্ৰীডিগেন্দ্ৰ বড়ি

৫,০০০ মিটাৰ
১ম স্থানঃ— শ্ৰীপ্ৰদীপ গগৈ
২য় „ — শ্ৰীপদ্ম গগৈ
৩য় „ — শ্ৰীৰাজেশ ভৰালী

১০,০০০ মিটাৰ
১ম স্থানঃ— শ্ৰীকেৰশ গগৈ
২য় „ — শ্ৰীঅজেন্দ্ৰ গগৈ
৩য় „ — শ্ৰীমনোৰঞ্জন গগৈ
„ „ — শ্ৰীপ্ৰদীপ গগৈ

লৰাৰ--চট্‌পুট্
১ম স্থানঃ— শ্ৰীনিৰ্মল বড়ি (৯·৮০ মিঃ)
২য় „ — শ্ৰীডিগেন্দ্ৰ বড়ি (৮·৬১ মিঃ)
৩য় „ — শ্ৰীবিবেকানন্দ বড়ি (৮.১০ মিঃ)

ডিছকাচ্—
১ম স্থানঃ — শ্ৰীতীৰ্থনাথ দেউৰী (২৬.৫৫ মিঃ
২য় „ -- শ্ৰীবিবেকানন্দ বড়ি (২২.৯১ মিঃ
৩য় „ — শ্ৰীনিৰ্মল বড়ি (২১.৭০ মিঃ)

জেভ্‌লিনঃ --
১ম স্থানঃ— শ্ৰীলক্ষীধৰ বড়ি

লংজাম্পঃ —
১ম স্থানঃ— শ্ৰীপদ্ম গগৈ
২য় „ — শ্ৰীপ্ৰাঞ্জল প্ৰতিম কোঁৱৰ
৩য় „ — শ্ৰীৰাজেশ ভৰালী

হাই--জাম্প —
১ম স্থানঃ— শ্ৰীকেশৱ গগৈ
২য় „ — শ্ৰীপদ্ম গগৈ
৩য় „ — শ্ৰীপ্ৰাঞ্জল প্ৰতীম কোঁৱৰ

লৰাৰ শ্ৰেষ্ঠ খেলুৱৈ — শ্ৰীনগেন মাঝি

ছোৱালীৰ-১০০ মিটাৰ —
১ম স্থানঃ— শ্ৰীমতী ৰেখা গগৈ
২য় „ -- লখিমী বড়া
৩য় „ — শ্ৰীমৃনালীনি দিহিঙিয়া বৰুৱা

২০০ মিটাৰঃ —
১ম স্থানঃ শ্ৰীমতী চাহেদা বেগম
২য় „ — শ্ৰীলখিমী বড়া
৩য় „ — শ্ৰীলীলাৱতী বড়ি

৪০০ মিটাৰঃ—
১ম স্থানঃ— শ্ৰীমতী মীৰা শইকীয়া
২য় „ — „ চাহেদা বেগম
৩য় „ — „ লীলাৱতী বড়ি

৮০০ মিটাৰঃ—
১ম স্থান— শ্ৰীমতী মীৰা শইকীয়া
২য় „ - „ মৃনালীনি দিহিঙিয়া বৰুৱা
৩য় „ — „ লীলাৱতী বড়ি

ছোৱালীৰ-চট্‌পুট -
১ম স্থান— শ্ৰীমতী বিনুমনি দত্ত (৭.৩৫ মিঃ)
২য় „ — „ মঞ্জুমনি পাংগিং (৬.৬০ মিঃ
৩য় „ — „ মীৰা শইকীয়া (৬·৩৫ মিঃ

ডিছকাচঃ—
১ম স্থান— „ বীতা ভৰালী (১৭.০৫ মিঃ)
২য় „ — „ মঞ্জুমনি পাংগিং (১৭.৪২ মিঃ
৩য় „ — „ লখিমী বড়া (১৬.৪৫ মিঃ)

জেভ্‌লিনঃ—
১ম স্থান— „ নিৰ্জু দত্ত
২য় „ — „ মঞ্জুমনি পাংগিং
৩য় „ - „ লখিমী বড়া

লংজাম্পঃ—
১ম স্থান— „ ৰেখা দিহিঙিয়া
২য় „ — „ চাহেদা বেগম
৩য় „ — „ মৃনালীনি দিহিঙিয়া বৰুৱা

ছোৱালীৰ শ্ৰেষ্ঠা খেলুৱৈঃ - শ্ৰীমতী মীৰা শইকীয়া

ফুটবল শ্ৰেষ্ঠ দলঃ—



স্নাতক মহলা ১ম বাৰ্যিক
(১) শ্ৰীবিনোদ কোঁৱৰ । - (গ'লকিপাৰ)
(২) „ নবীন গগৈ ।
(৩) „ খগেন হাজৰিকা ।
(৪) „ খগেন বড়া ।
(৫) „ শেভাষ্য হাজৰিকা ।
(৬) „ প্ৰশান্ত কোঁৱৰ ।
(৭) „ ৰাজেশ ভৰালী ।
(৮) „ মনোৰঞ্জন গগৈ ।

(৯) শ্ৰীথানেশ্বৰ ভৰালী ।
(১০) „ হৰ্ষজিৎ দিহিঙিয়া বৰুৱা ।
(১১) „ তীৰ্থ চেতিয়া ।
(১২) „ চিত্ৰ বৰ গোহাঁয় ।
(১৩) „ মনোৰঞ্জন গগৈ ।

ভলীবলৰ শ্ৰেষ্ঠ দলঃ—

স্নাতক মহলা ১ম বাৰ্ষিক

(১) শ্ৰীপ্ৰমোদ গগৈ ।
(২) „ বেণীমাধৱ বুঢ়া গোহাঁই ।
(৩) „ মনোৰঞ্জন গগৈ ।
(৪) „ যুগল হুৰৰা
(৫) „ মনোৰঞ্জন গগৈ ।
(৬) „ চৈতন্য দত্ত ।
(৭) „ চৈত্ৰ সেন বৰ গোহাঁই ।
(৮) „ খগেন হাজৰিকা ।

আন্তঃ- মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ ৰাণাৰ্চ আপ দলৰ হৈঃ -

শ্ৰীবিনোদ কোঁৱৰ (গ'লকিপাৰ)
„ মেঘনাদ ভূমিজ ।
„ তোলন বনিয়া ।
„ কেশৱ গগৈ ।
„ বিবেকা হাজৰিকা ।
„ ভীম ভট্ট ।
„ খগেন বুঢ়া গোহাঁই ।
„ ৰাজেন ভৰালী
„ বাবুল কছাৰী ।
„ কুমুদ ভৰালী ।
„ যতীন বৰুৱা ।
„ খগেন হাজৰীকা ।
„ নবীন গগৈ ।
„ খগেন বড়া ।
„ প্ৰশান্ত কোঁৱৰ ।





শ্ৰীতপন বৰগোঁহাই
তৰ্ক, সাহিত্য আৰু আলোচনী সম্পাদক
১৯৯৩-৯৪ চন, ছাত্ৰ-একতা সভা



শ্ৰীজয়ন্ত বৰুৱা
সাধাৰণ সম্পাদক
১৯৯৩-৯৪ চন, ছাত্ৰ-একতা সভা



শ্ৰীউপেন গগৈ
সমাজসেৱা বিভাগৰ সম্পাদক
১৯৯৩-৯৪ চন, ছাত্ৰ-একতা সভা

## —প্ৰতিভাৰ ৰেণুনি—



শ্ৰীনগেন মাজি ।
১৯৯৩-৯৪ বছৰটোৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীজয়ন্ত লাহন
১৯৯৩-৯৪ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতা



শ্ৰীমতী মীৰা শইকীয়া
১৯৯৩-৯৪ বৰ্ষৰ শ্ৰেষ্ঠা মহিলা খেলুৱৈ



শ্ৰীমতী ৰেখামণি দত্ত
১৯৯৩-৯৪ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা গায়িকা

# H. C. D. G. College Magazine

Annual Publication
1993-94

## ENGLISH SECTION

Prof In-Charge :
Mr. Alok Gohain

Editor
Sri Tapon Borgohain

HEMCHANDRA DEVA GOSWAMI COLLEGE MAGAZINE
Nineth Issue . 1993-94

Publisher :
H. C. D. G. College Students' Union

Editorial Board :
Chief Adviser:
Dambarudhar Neog, Principal in-Charge:

Adviser :
Alok Gohain, Lecturer in English
Bhadrawati Gogoi, Lecturer in Assamese.

President :
Lohit Saikia, President, Students' Union.

Editor :
Tapon Borgohain, T. D. C. IInd year.

Teacher Member :
Diganta Gogoi, Lecturer in Assamese.

Members :
Jayanta Borua, General Secretary, Students' Union.
Biju Borthakur, T. D. C. IInd year.
Dulal Borua, T. D. C. IInd year.

Cover Page :
Promud Konwer

Draft :
Dulal Borua

Printing :
Dimow Printing Press,
Alun Nagar, Dimow- 785662. Phone 538.

# *H. C. D. G. College Magazine*

Nineth Issue —1993-94

## ENGLISH SECTION

## : CONTENT :

* Universal Outlook of Rabindra Nath Tagore's "Gitanjali" :
by Dr. Jai Ram Jha/ page—1—4
* Literature Reflects the spirit of the age :
by Ananta Ojha / page—5—7
* Conflict in Hamlet :
by Sudhir Kumar Das/page—8—12
* Happy New Year :
by Dr. Jai Ram Jha/page—13
* The World So Beautiful :
by Biju Borthakur/page—14
* T. S. Eliot as a poet :
by Saroj Gohain/page —15—17
* An aspect of Realism and Social Reform in Charles Dickens Novels :
by Ranjan Handique/page—18—21
* Rasaraja Lakshminath Bezbaroa—A short Biography :
by Babulal Saikia /page—22—25

# *Universal Outlook Of Rabindra Nath Tagore's "GITANJALI"*

**Dr. JAI RAM JHA**
**Lacturer in English**

A highly talented man of the Century, Tagore is both orator and Connoisseur, who outshined the literaty universe by virtue of his writing: and hallowed his own mother soil emphasising his unflinching faith in god and goodness. The voice of Tagore in "Gitanjali" is the voice of the only lonely adventurer, and pioneer, mystic and above all the preacher of our age.

In fact, "Gitanjali" is but one facet among numerous facets of Tagore's poems, and by no means the most wondeful. The serens mysticism of "Gitanjali" is to him like a gentle ralling wave on a tranqueil sea that has caught the sunset glows and motley Colours. At the very outset, the purpose of the book is to present the spiritual odyssey of a poet who voices through the world's within and without, through storms and stress, to win his vision; to discover himself. Those voices are a testament of a poet who faces the rocks of life in early youth, who peeps into another world of the spirit and at last who is torn with conflict with Ideal and Real.

Furthermore, the images of "Gitanjali" "reveel the inner nature of the world and expess the deepest wisdom in a language which his reason does not understand." The witchery of music breathes inot them and exalets them in another world, the mysterious word of sprit boin of the miraculous wedding of the two. Consequently, this bears testimoney to in elemental truth about poetry, that there is a soul magic in simplicity and miracle inutterances. The diction and image spring straight from the soul and like softly glowing flames they light up the hidden life and the inner reality. Therefore, the poetry of Tagore is drunk with the visionary power and the image becames the magic incantations that reveal with a flash the invisible world of the sprit.

More clearly, four worlds open before us as we approach

the images of the poetry (i) God and the human soul (ii) God and nature (iii) Nature and the soul (iv) The soul and humanity. The four worlds always run over into one another, and are essentially insepe-rable since God waits eternally for the love of man for the em-otional thought never skelton, but the finest breathe of mystical poe-try blows through the best and wings flight touch dizzy heights. A spiritual light radiates the tho-ught and makes poetry that is uni-que of its kind. Amid tears and heart aches a soul, seeks his grace accepts his wing and the voice plungs into the rushing streams of life and humanity.

Inevitably, Tagore's human-ism is voiced forcefully in "Gitan-jali" and we note that imaginati-on rolls back to the all unifying spi-rit of our nation, since ancient tim-es races melted into—

"The vast shore of Man the Eternal that is India."

In fact, the vision sweeps down upon the sordid present and dwel-ls upon the results to humanity in the name of caste and creed, to the humble and lowly, who are devoid of the sacred rights of man. The pained vision rou-sed the poet-prophet; the nation must expiats the crime.

God is, to come back to the divine, with

"The poor and the lowly and the lost".

Tagore's immediate humanism asserts himself against all religio-us orthodoxy,

"Leave this chanting and si-nging and telling of beads .........
He is there where the tilling ha-rd ground, Where the path-breaker is breaking stones"

And again the poet would like to fling aside the orthodox conception of Mukti or deliver-ence. Deliverence ? Where is deliverence ? Our master himself has joyfully taken upon him and bond of creation".

A master of sober fact. Tagore seeks deliverence through renunciation but deliverence thr-ough the age old proctice of renunciation which implies the escape from the world of the senses. To Tagore as to Keats that world has:

"The morning sea of silence broke into ripples"
"The holiness of Heart,s affec-tion. Evidently enough, the pervasive note is the poet's desire to real-ise God through joy as well as pain-Nature is the vast arena here across which the Divine and the human eternally seek each other. In the aching yearnings of the soul joy is touched with pain and pain is transmuted into joy as mystical intution demolishes the barrier. A recurrent thought is: God's love and joy ever streams Nature's rapturous forms to entice the soul: to realise the mystery of that revelation is to be united with Him. Here the poetry of Tegore cat-ches the spark of profund reali-sation born of personal suffering as it invokes the mystical ima-ges. He reveals his infinite love for man and enriches the dignity of the human spirit through suff-ering for the soul, unless purifi-ed in the fire of sorrow, does not burn into flames.

It goes without saying that Life and Death are the pivotal symbols in the form of two ma-dcaps. The symbol of the death is incarnation of life. Nature as a soul pulsates with love and joy; the human soul stands naked be-fore it with joy and wonder. It is the advantage of poetry to tran-smute these concepts with its witcheary, to open up strange wo-rld of the spirit that rises tier aft-er tier. A soverigen note that recurs again and again in his poems with endless variations is raptu-rous oneness. Nature in these works is a spirit spread out like the sea, living with life and mystery the one tireless longing of the poet is to lay bare the soul and receives her gifts; the one aching desire is to plung headlong into it and dive deep for the endless treasure hidden in its bossom.

"In one solution To Thee My God", The metaphysical out-look is one familiar to the Ro-mantics and the idealists of the west, Nature is the embodiment of man's own spirit. In Tagore the philosophy takes on and this lies a distinction when compared with the western Romantics - a vivid a concrete mystial mark that bears out the intensity of division. The ocessional affirmation of fai-th, of deep mystical intution, is a distinctive charcateristics of a poet whose vision spontaneously brushes aside the dissective and the intellect, to assert with glowi-ng connection and biblical simp-licity, his final faith and realis-ation. In fact, his poems stand as a monument of spiritual achievement

of a serenity conquered of a faith wrestled for and won in the struggle for selfhood through storoms and stresses of life.

Thus "Gitanjali" is an English reincarnation in its eternity of Gurudev, who lives largely today and essentilly as a glorious poeti of Bengal clebrating into life through its language. Moreover, the work of Tegore as a whole highlights one of his major philosophysical preoccupations and critical concerns the emergence of the Universal Man. When Tegore speaks in Enlish we hear the voice of a different man— Man who speaks of Universal theme which transeends the bonds of now and here. It is the Universal man speaking in Universal language to a Universal audience in a very deliberate manner as well. It is the voice of Gurudev, the Fastern visionary and Mystic speaking to the world enlighten it treatise devotional singing, Gitanjali" is a brillient aspect of surreudering itself before God.

This poem has a glipse of of Gita, this implise the theory of renunciation souls after death. compare to the Gita " As a man casing off worn-out garments taketh new."

—O—





# Literature Reflects The Spirit Of The Age :

